# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

## VOLUME IV

## NO. 14

The 22nd March 1984

सत्यमेव जयते

1988

Printed at the Sandeep Printers, Dispur, Guwahati—6

REFERENCE,
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOLUME IV

## NO. 14

The 22nd March 1984

सत्यमेव जयते

1988

Printed at the Sandeep Printers, Dispur, Guwahati—6

DEBATES OF THE

# ASSAM, LEGISLATIVE ASSEMBLY, 1984

( BUDGET SESSION )

VOLUME IV

NO. 14

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

The 22nd March, 1984

CONTENTS

| | | Pages |
|---|---|---|
| 1. | Starred Questions And Answers .... .... | 1 |
| 2. | Voting on Demands for Grants .... .... | 34 |
| 3. | Calling Attention Notice .... .... | 109 |
| 4. | Matter Under Rule 301 .... .... | 110 |
| 5. | Presentation of Committee Report .... .... | 112 |
| 6. | Constitution of Legislature Committees .... .... | 113 |
| 7. | Adjournment .... .... | 116 |

# ASSAM
# LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## Volume IV

## No. 14

The 22nd March, 1984

Proceedings of the Fourth Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

## PRESENT

The House met in the Assembly Chamber, Dispur, Guwahati on Thursday, the 22nd March, 1984, with the Hon. Speaker, in the Chair, 16 (Sixteen) Ministers, 5 ( Five ) Ministers of State, 5 ( five ) Deputy Ministers 1 ( one ) Parliamentary Secretary and 58 (Fifty eight) Members.

# QUESTIONS AND ANSWERS

## STARRED QUESTIONS

**( To which oral reflies were given )**

***Re :* Composite Drug Kits.**

Shri HEMEN DAS asked :

*114. Will the Minister, Health and F. W. be pleased to state—

(a) The number of composite Drug Kits purchased in 1980 ?

(b) The rate per 'kit' ?

(c) The name of the firm which supplied the kits ?

Dr. BHUMIDHAR BARMAN ( Minister, Health ) replied :

114. (a)—During 1980-81 a total number of 21073 composite Drug kits were purchased.

(b)—Rs. 140/- ( one hundred forty ) only.

(c)—M/S Akash Pharma Private Limited, Guwahati.

Shri HEMEN DAS—What is Drug kit ?

Dr. BHUMIDHAR BARMAN (Minister) Sir, the drug kit is a beautiful box containing the following items :

(I) Paracetamol Tab. I.P. 500 mg.— 100 tabs, (2) cough mixture— 400 ml.bottle —2 bottles, (3) Heavy Kaolin (Powder) I. P. 500 gms. pkt—one pkt., (4) Magnesium Hydroxide tabs 100 tabs, (5) Benzyl Benzonate application I.P. 450 ml. bot.—one bottle, (6) Merbromin Solution 50 ml. bottle one bottle, (7) Sulphacetamide eye/ear drop 10% × 10 ml. bot. two bottles, (8) Piperzine citrate tablets—100 tabs., (9) Piperzine citrate Elixir (Syrup 110 ml. bot.—one bottle, (10) Tetracycline eye ointment 1% I. P., (11) Absorbent cotton wool and (12) Rolled Bandage.

এই বস্তুবিলাক আমাৰ গাওঁ অঞ্চলৰ যিবিলাক গ্ৰামিন চিকিৎসক আছে তেওঁলোকক দিয়া হয় বাকচ বিলাক আৰু তেওঁলোকে সৰুসুৰা বেমাৰ আজাৰ হলে তত্‌কালিন চিকিৎসাৰ কাৰণে বিতৰণ কৰা হয়।

শ্ৰীমথুৰা ডেকা—তেওঁলোকে এই বাকচ বিলাক লগত লৈ ফুৰে নেকি ?

শ্ৰীডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)—লৈ ফুৰে, ধুনীয়া বাকচ, দেখাত ভাল।

শ্ৰীহেমেন দাস—কিমান ফাৰ্ম্মে কোটেচন দিছিল আৰু তেওঁলোকৰ নাম বিলাক জনাব নে ?

শ্ৰীডাঃ ভূমিধৰ বৰ্ম্মণ ( মন্ত্ৰী )—৪টা ফাৰ্ম্মে দিছিল মেচাচ চাৰ্জিকেল কোম্পানী, নতুন দিল্লী, মেচাচ পাৰবিন নিগম, নতুন দিল্লী, আকাশ ফাৰ্ম্মা লিমিটেড আৰু আসাম চাৰ্জিকেল কোম্পানী, গুৱাহাটী।

শ্ৰীহেমেন দাস—এই ফাৰ্ম্ম কেইখনৰ ভিতৰত কোনোবা ফাৰ্ম্ম ব্লেকলিষ্টেড ফাৰ্ম্ম আছে নেকি ?

শ্ৰীডাঃ ভূমিধৰ বৰ্ম্মণ (মন্ত্ৰী)—ব্লেকলিষ্টেড আছে নে নাই সেই খবৰটো মোৰ হাতত নাই।

শ্ৰীহেমেন দাস—আসাম চাৰ্জিকেল ফাৰ্ম্ম ব্লেকলিষ্টেড ফাৰ্ম্ম নেকি? আৰু এই আকাশ ফাৰ্ম্মা আসাম চাৰ্জিকেলৰে ব্ৰাঞ্চ নেকি?

শ্ৰীডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী)—আসাম চাৰ্জিকেল ব্লেকলিষ্টেড ফাৰ্ম হয় নে সেই খবৰ মোৰ হাতত নাই মই চাই কব পাৰিম আৰু আসাম ফাৰ্ম তেওঁ-লোকৰ ব্ৰাঞ্চ হয়নে নহয় সেইটো চাইহে কব পাৰিম।

বিঃ অনুসূচীত আৰু জনজাতীয় লোকৰ প্ৰমোচন।

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে।

*১১৫। মাননীয় জনজাতীয় কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান চৰকাৰ গঠিত হোৱাৰ পিচত এতিয়ালৈকে জনজাতীয় কল্যাণ দপ্তৰ বিলাকৰ ভিতৰত কিমানজন চাকৰিয়ালক প্ৰমোচন দিয়া হৈছে, আৰু তাৰ ভিতৰত কিমানজন অনুসূচীত আৰু জনজাতীয় লোক আছে জনাবনে?

(খ) এই কথাটো সচাঁনে যে কোনো এজন বিষয়াৰ বিৰুদ্ধে গোচৰ চলি থকা স্বত্বেও তেখেতক প্ৰমোচন দিয়া হৈছে?

(গ) যদি হৈছে, তেওঁৰ নামটো জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (জনজাতীয় কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

১১৫। (ক)—বৰ্ত্তমান চৰকাৰ গঠিত হোৱাৰ পিচত জনজাতীয় কল্যাণ দপ্তৰ বিলাকৰ ভিতৰত মুঠতে ১৪ জন চাকৰিয়ালক প্ৰমোচন দিয়া হৈছে। তাৰ ভিতৰত (১) অনুসূচীত জনজাতি—১০ জন (২) অনুস্যূীত জাতি—৩ জন (৩) অন্যান্য পিচপৰা শ্ৰেণী—১ জন।

(খ)—এনেকুৱা প্ৰমোচন দিয়া চৰকাৰৰ দৃষ্টি গোচৰ-হোৱা নাই।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীদূৰ্গেশ্বৰ পাটিৰ—১৯৭৯ চনৰ পৰা আজিলৈ বিভিন্ন বিভাগত কিমান বেকলগ আছে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (অনুসূচিত জাতি আৰু জনজাতি কল্যাণ মন্ত্ৰী) এই প্ৰশ্নটো মুল প্ৰশ্নৰ লগত ঠিক নিমিলে। এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব, ইয়াত কেৱল জনজাতি কল্যাণ বিভাগত কিমানজন প্ৰমোচন পাইছে সেইটো সুধিছে।

শ্ৰীবৰ্গৰাম ডেউৰী—অধ্যক্ষ মহোদয় এতিয়ালৈকে আমাৰ জনজাতীৰ কল্যাণ বিভাগৰ দপ্তৰৰ মন্ত্ৰীৰ হাতত আৰু যি বিভাগ আছে যেনে বাননিয়ন্ত্ৰন সেই বিভাগত কিমানজন জনজাতিৰ লোকক প্ৰমোচন দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

Shri Binoy Kumar Basumatari – What is the total number of employees is the Department in question ?

Shri Ranendra Narayan Basumatari (Minister)—I do not have the information readily available with me. I will supply the information to the hon'ble member at a later date.

Shri Binoy Kumar Basumatari—It is a question particulary about his department. The idea of the question is perhaps that out of the total number of employees what is the number of scheduled caste and scheduled tribe officers who have been promoted. We want to know whether in his department the reservation provision is honoured ?

Shri Ranendra Narayan Basumatari, (Minister)—In all the departments the provision for reservation must be honoured and in the deportments which I have been holding also must honour the provision.

Shri Binoy Kumar Basumatari—There is a difference between 'must honour' and 'is honoured'. We want to know whether this provision is honoured or not ?

Shri Ranendra Narayan Basumatari, (Minister)—Sir, if any specific case is pointed out it will be convenient for to reply.

Shri Binoy Kumar Basumatari - Sir, what we want to know is what is the total number of employees and what is the total number of Tribal employees and whether the provision of reservation is adhered to. This is the question.

Shri Ranendra Narayan Basumatari, (Minister)—Sir, about the total number of employees, I do not have the information because in the question it was sought how many tribal employees have been given promotion.

Shri Binoy Kumar Basumatari—It is apparent that how many tribal employees are there in the establishment.

Shri Ranendra Narayan Basumatari, (Minister)—I will give the information at a later date.

Mr. Speaker—Now Qnestion No. 116.

Shri Jagannath Sinha, (Minister)—Sir, Q. No. 116 and Q. No. 118 are similar. If you allow both the questions can be taken together.

Mr. Speaker—Yes, we can take both the questions together.

### *Re :* Plying of A. S. T. C. Buses.

**Shri Purna Boro asked :**

*116. Will the Minister, Transport be pleased to state—

(a) Whether plying of Assam State Transport Corporation Buses will be resumed on the Gauhati-Goreswar Ram Gaon Nagrijuli P. W. D. Road ?

(b) If so, when ?

**Shri Jagannath Sinha (Minister Transport) replied :**

116. (a) and (b)—There was no Assam State Transport Corporation Bus service between Guwahati and Nagrijuli via Goreswar and Ramgaon. A service between Guwahati and Nagrijuli via Rangia and Motanga is now being run by Assam State Transport Corporation. There was another service between Guwahati and Sukia via Goreswar and the some is under suspension. The resumption of the service between Guwahati and Sukia will depend upon commercial and other considerations.

### বিঃ গুৱাহাটী-গোৰেশ্বৰ-নাওকটা ৰাষ্টাত বাচ চলাৰ ব্যৱস্থা

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*১১৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) গুৱাহাটী গোৰেশ্বৰ হৈ নাওকটালৈকে যোৱা ৰাষ্টাত পৰিবহন নিগমৰ বাছ চলাৰ বিষয়ে কিবা ব্যৱস্থা কৰিছে নেকি ?

খ) পূৰ্বৰ পৰা এই ৰাষ্টাত চলি থকা বাছ ২খন কিয় বন্ধ কৰিলে জনাবনে ?

শ্ৰীজগন্নাথ সিংহ (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১১৮। ক) আৰু (খ)—২০৮৮২ তাৰিখে পৰিবহন নিগমৰ বাছ এখন দুৰ্বৃত্তই বিশেষভাবে ক্ষতি কৰাৰ কাৰণে উক্ত পথত নিগমৰ বাছ চলাচল বন্ধ ৰখা হৈছে।

উক্ত পথত পৰিবহন নিগমৰ বাছ পুনৰ চলাবলৈ চিন্তা কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে যে গুৱাহাটী, গোৰেশ্বৰ, মাগ্ৰিজুলি ৰাস্তাত এ, এচ, টি, চি বাছ চলোৱা হোৱা নাছিল। আচলতে এই ৰাস্তাটো গুৱাহাটীৰ পৰা গোৰেশ্বৰ হৈ শুক্লালৈকে থকা ৰাস্তা আৰু গড়কাপ্তানি বিভাগে এই ৰাস্তাটোৰ নাম দিছে গুৱাহাটী-গোৰেশ্বৰ-মাগ্ৰিজুলি ৰাস্তা। এই ৰাস্তাটোত আগতে পৰিবহন নিগমৰ বাছ চলিছিল। কিন্তু মাজতে ইয়াক বন্ধ কৰি দিয়া হৈছে। এই বাছ পুনৰ চলোৱাৰ কাৰণে ইয়াৰ আগতেও সদনত উত্থাপিত হৈছিল আৰু তেতিয়াও মন্ত্ৰী মহোদয়ে কৈছিল যে এই বাছ পুনৰ চলোৱা হব। কিন্তু আজিলৈকে কিয় এই বাছ চলোৱা হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে কমাৰ্চিয়েল আৰু অন্যান্য সুবিধাবোৰ হলে আমি এই ৰাস্তাটোত পুনৰ পৰিবহনৰ বাছ চলোৱাৰ ব্যৱস্থা কৰিব পাৰিম। Public demand, feasibility and condition of the road and availability of fund. এই বছৰ আমি ৫০ খন বাছ অধিগ্ৰহন কৰিছো আৰু আগৰ বছৰলৈও কিছু সংখ্যক বাছ অধিগ্ৰহন কৰিব পাৰিলে আমি সেই ৰাস্তাত বাছ পুনৰ চলাব পাৰিম বুলি ভাবো।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ৰাস্তাত কিমানখন পাব্লিক বাছ চলে ?

Shri Jagannath Sinha, (Minister) – That figure is not with me at the moment, Sir. It must be more than one.

শ্ৰীপূৰ্ণ বড়ো – অধ্যক্ষ মহোদয়, এই ৰাস্তাটোত আগতে পৰিবহনৰ বাছ

চলিছিল আৰু এই ৰাস্তাটো অতি ব্যস্ততাপূৰ্ণ ৰাস্তা। গতিকে মই এই ৰাস্তাটোত নতুনকৈ বাছ চলোৱাৰ কথা কোৱা নাই। কেৱল আগতে যি কেইখন বাছ চলিছিল সেইকেইখন পুনৰাই চলোৱাৰ ব্যৱস্থা কৰিব লাগে। এইটো কেতিয়াৰ পৰা কৰিব পৰা হব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)–এইটো পাব্লিক ডিমান্দ, ফিজিবিলিটি আৰু ভায়েবিলিটিৰ ওপৰত নিৰ্ভৰ কৰিব।

শ্ৰীহেমেন দাস–অধ্যক্ষ ডাঙৰীয়া, ফিজিবিলিটি আৰু কমাৰ্চিয়েল সা-সুবিধা বোৰৰ কথা আগতে পৰীক্ষা নকৰাকৈ সেই ৰাস্তাত পৰিবহনৰ বাছ চলোৱা হৈছিল নেকি?

Shri Jagannath Sinha, (Minister)—Convenience of public will also be taken into consideration.

Shri Benoy Kumar Basumatari—A point of order, Sir. The Hon'ble Members are engaged in direct talks.

Mr. Speaker—Mr. Basumatari has rightly pointed out. There should not be direct talks on the part of the Hon'ble Members. I hope the Hon'ble Members will understand it and continue accordingly.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে এই ৰাস্তাত পুনৰ বাছ চলাবলৈ চিন্তা কৰা হৈছে। তেখেতে এনে ধৰণৰ কথা আগতেও কয়। তেখেতে এটা কথা স্পষ্টকৈ কব লাগে যে তাত বাছ কেতিয়াৰপৰা চলোৱা হব।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই বাছকেইখন চাচপেণ্ড কৰা হৈছে। মই আগতেই কৈছো যে ফিজিবিলিটি আৰু পাব্লিক ডিমাণ্ডৰ ওপৰত নিৰ্ভৰ কৰি তাত পুনৰ বাছ চলাবলৈ চৰকাৰে চিন্তা কৰি আছে।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, এই তুখন বাছ আগতে চলি থকা অৱস্থাতো গোৰেশ্বৰ আৰু নাওকাটাত যাত্ৰীক টিকেট দিয়াৰ ব্যৱস্থা নাছিল। গতিকে পুনৰ তাত গাড়ী চলিলে এই ঠাই তুখনত যাত্ৰীক টিকেট দিয়াৰ কাৰণে কিবা ব্যৱস্থা লবনে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, বাছ যেতিয়া চলোৱা হব তেতিয়া এই কথাটো চিন্তা কৰা হব। সাধাৰণতে যাত্ৰীৰ সংখ্যা অনুযায়ী ষ্টপেজ দিয়া হয় আৰু সেইমতে টিকেট আদি দিয়াৰ কাৰণেও বন্দবস্ত কৰা হয়। এই কথাটো আমি চিন্তা কৰি চাম।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা আৰু এটা কথা জানিব বিচাৰিছো, তেখেতে যেন আকৌ নকয় যে ইয়াৰ বাবে বেলেগ প্ৰশ্ন দিব লাগিব। তেখেতে জনাব নেকি এই ৰাস্তাত কিমানখন পাব্লিক বাছ চলে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই ৰাস্তাটোত প্ৰকৃততে ৩৪ খন পাব্লিক বাছ চলে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এই ৰাস্তাটোত ৩৪ খন পাব্লিক বাছ চলে। তেনে ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কৈছে ফিজিবিলিটি আদিৰ কথা। যদি যাত্ৰী নাইয়েই তেনেহলে ইমানবোৰ পাব্লিক বাছ কেনেকৈ চহি আছে ?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—এই কথাটো চৰকাৰে চিন্তা কৰি আছে।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা জনাব নে আগতে যি কেইখন পৰিবহন নিগমৰ বাছ এই ৰাস্তাটোত চলাইছিল সেই বাছ কেইখন গুৱাহাটীৰপৰা কোন কোন সময়ত চলাইছিল ?

Shri Jagannath Sinha (Minister) – That figure is not with me at the moment.

Md. Umaruddin – Sir, may I know from the Hon'ble Minister on what principal the routes are nationalised ?

I want to know from him definitcly if 34 stage carriages can be plying on the routs then certainly it is economic for them to ply and how two buses which have been allowed to ply can be said to be not economically viable ? Whether as a principle, and under the provisions of the Act concerned, both private buses and State Transport carniages can ply on the same route ?

Shri Jagannath Sinha (Minister)—Sir, this route was partially nationalised and parallel services were introduced on the route.

Md. Umaruddin—Sir, is it admissible ?

Shri Jagannath Sinha (Minister)—Yes sir, it is admissible.

Md. Umaruddin—Sir, as per the Rules of natonalisation , these are not admissible.

Shri Jagannath Sinha (Minister)—So far as I understand, these are admissible and what the Hon. Member has said is an observation made by him.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এই গাড়ীকেইখন গুৱাহাটীৰপৰা যিটো সময়ত চলাইছিল সেই সময়ত গুৱাহাটীৰপৰা গোবেশ্বৰলৈ মানুহ নাযায়। দিনৰ ১০টা আৰু ২টা বজাত সাধাৰণতে গুৱাহাটীলৈ মানুহ আহে। গতিকে এই বাছকেইখনৰ চলোৱা সময়তো ঠিক হোৱা নাছিল।

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, যি ৩৪ খন পাব্লিক বাছ চলে সেই কেইখনো ৰাতিপুৱা ৭ বজাৰ পৰা গোটেই দিনতো চলে। গতিকে উপৰোক্ত সময়তোৰ ক্ষেত্ৰত কোনো অসুবিধা হোৱা নাছিল।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, এই ৰাস্তাটো জাতিয়কৰণ কৰাৰ বিষয়ে চৰকাৰে কিবা চিন্তা কৰিছে নেকি?

শ্ৰীজগন্নাথ সিংহ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এইটো বিবেচনা কৰা হব।

শ্ৰীপূৰ্ণ বড়ো—অধ্যক্ষ মহোদয়, সাধাৰণতে পৰিবহনৰ বাছবোৰত যেতিয়া যাত্ৰী কম হয় তেতিয়া বন্ধ কৰি দিয়া হয়। কিন্তু মই জনাত পাব্লিক বাছৰ মালিক সকলৰ হেচাত পৰিহে এই বাছ বন্ধ কৰি দিয়া হৈছে। গতিকে মন্ত্ৰী মহোদয়ে পাব্লিক বাছৰ মালিক সকলৰ ওপৰত নজৰ ৰাখি ৰাইজৰ সুবিধাৰ কাৰণে এই বাছকেইখন চলাবনে মালিকৰ দাবীৰ ওপৰত নজৰ দিব?

Shri Jagannath Sinha (Minister)—Sir, this is not a fact. State Transport definitely ply buses according to the convenience of the people. State Transport ply buses where routes are nationalised and profitable. We ply buses in the greater interest and convenience of the public.

**Re : Allotment of land for Polyester Fibre Industry.**

Shri Borgaram Deori asked :

*117 Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that the Government has not alloted land near Pathali Pathar for the Polyester Fibre Industry even though there is available Khas land in that area?

(b) If so, the reason thereof?

Shri Keshab Chandra Gogoi (Minister, Revenue) replied :

117. (a)—Yes.

(b)—Because there is not Government land at Pathali Pahar sufficient for the purpose of the Industry.

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, এই উদ্যোগৰ বাবে কিমান মাটি লাগিব তাৰ কিবা প্ৰপজেল পাইছেনেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, ডেৰশ বিঘাৰ বেছি মাটি লাগিব বুলি কৈছিল। কিন্তু ইমান বেছি মাটি তাত নাই বাবে দিব পৰা হোৱা নাই।

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, তাত কিমান মাটি আছে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—ডেৰশ বিঘা মাটি তাত নাই বুলি আমাক তাৰ ডি, চি, য়ে জনাইছে সেই কাৰণেই আমি তাত দিব পৰা নাই। কিন্তু অন্য ঠাইত হলেও দিবলৈ আমি চেষ্টা কৰি আছো।

শ্ৰীবৰ্গৰাম দেউৰী—অধ্যক্ষ মহোদয়, মই জনাত ডেৰশ বিঘা চৰকাৰী মাটি তাত আছে কিন্তু কিছুমান প্ৰভাৱশালী মানুহৰ প্ৰভাৱত পৰি হয়তো তেনে ৰিপৰ্ট দিব লগা হৈছে কাৰণ সেই মানুহখিনিয়ে সেই মাটি নিজৰ কৰি লোৱাৰ চেষ্টাত আছে। এই বিষয়ে কিবা এটা অনুসন্ধান চৰকাৰৰ ফালৰ পৰা কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—যিহেতু এনে এটা অভিযোগ আহিছে তেতিয়া হলে নিশ্চয় এই বিষয়ে অনুসন্ধান কৰা হব।

## Re: Muster Roll Workers

Shri Joynal Abedin asked :

*119Will the Minister, Irrigation be pleased to state—

(a) The present number of Muster Roll workers Working for more then 5 years in various Irrigation

schemes in the State ?

(b) Whether the are paid monthly or daily wages and at what rate ?

(c) Whether Government have any proposal to regularise the services of these Muster Roll Workers who have got service experience of 5 (five) years in the Irrigation Department ?

Shri Zahirul Islam (Minister, Irrigation) replied :

119. (a)—There are only 97 (Ninety seven) Nos. of Muster Roll Labourers working in various Divisions in Irrigation Department, Assam who have completed 5 (five) years of continous service.

(b)—They are paid monthly on daily wages basis at the rate of Rs. 8.00 (Rupees eight) for Unskilled workers and Rs. 10.00 (Rupees ten) for Skilled workers.

(c)—No. Only those Labourers, who have completed 15 years of services or more can be considered for regularisation.

শ্ৰীজয়নাল আবেদিন—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে কিমান বছৰৰ ভিতৰত এই মাষ্টাৰ ৰোলত কাম কৰা শ্ৰমিক সকলক ৰেগুলাৰ কৰা হয় ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—হয়, মুঠতে ১৫ বছৰ কাম কৰিলে তেওঁলোকক ৰেগুলাৰ কৰা হয়।

ৰুক্মিণী বয়—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে শ্ৰমিক সকলে অৱসৰ লোৱাৰ পিচত পেন্সন আদিৰ ব্যৱস্থা আছে নে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)— হয়, চৰকাৰী বিষয়া সকলে যি সুবিধা পায় এই সকলোবোৰ সুবিধাই তেওঁলোকে পাব।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে বৰ্তমান বজাৰলৈ লক্ষ্য ৰাখি মাষ্টাৰ ৰোলত কাম কৰা শ্ৰমিক সকলৰ দৈনিক মজুৰি ৮ টকাৰ পৰা বৃদ্ধি কৰি ১০ টকা কৰিব নে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)– এইটো লেবাৰ বিভাগৰ পৰা মিনিমাম ওৱেজ্ এটা ফিক্সড্ কৰি দিয়ে আৰু সেই মতেই আমি দিওঁ।

শ্ৰীপূৰ্ণ বড়ো –অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে মাষ্টাৰ ৰোলত কাম কৰা শ্ৰমিক সকলে মাহৰ ৩০ দিন কাম কৰি পুৰা দৰমহা নাপায় কমকৈ পায়।

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—নহয়, পুৰাকৈয়ে দিয়া হয়।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী—অধ্যক্ষ মহোদয়, মন্ত্ৰী সাহেব বলেছেন যে ১৫ বছর চাকুরী হওয়ার পর তাদেরে স্থায়ী করা হয়। কিন্তু দেখা যায় কোন কোন বিভাগে ৩ বছর বা ৫ বছর চাকরী করলেই তাদেরে স্থায়ী করা হয়। আমি মন্ত্ৰী মহোদয়ের নিকট থেকে জানতে চাই যে এই ১৫ বছর এর সীমা কমিয়ে তাদেরে কিছু রেহাই দেওয়ার জন্য কোন পরিকল্পনা করা যায় কি না?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)–অধ্যক্ষ মহোদয়, আগতে এই স্থায়ীকৰণৰ ব্যৱস্থাটো নাছিল। এতিয়া আমাৰ নতুন চৰকাৰ অহাৰ পিচত ১৫ বছৰ কাম কৰাৰ পিচত শ্ৰমিকক স্থায়ী কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মজুৰীৰ ক্ষেত্ৰত কওঁ অসম চৰকাৰৰ বিভিন্ন বিভাগত ১০ টকাকৈ মজুৰীয়াৰ ব্যৱস্থা আছে। সেয়ে এই মাষ্টাৰ ৰোলৰ শ্ৰমিক সকলকো নিম্নতম মজুৰী ১০ টকাকৈ দিব নোৱাৰিবনে? বেতন বেচিকৈ দিয়াত চৰকাৰৰতো বাধা নাই। বৰ্ত্তমান মূল্যবৃদ্ধিলৈ লক্ষ্য ৰাখি এইটো কৰিব নোৱাৰিবনে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, চৰকাৰে এইটো বিবেচনা কৰি চাব।

শ্ৰীচিলভিয়াচ কন্দপান—অধ্যক্ষ মহোদয়, মাষ্টাৰ ৰোলত কাম কৰা শ্ৰমিক সকলে চাকৰিত নিৰাপত্তা নাপায়। দৰমহাটোহে দিয়ে। কিন্তু কোম্পানী আদিত শ্ৰমিক সকলে তেওঁলোকৰ কৰ্টৰ পৰা চাকৰিৰ নিৰাপত্তা পায়। চৰকাৰৰ অধীনত কাম কৰা শ্ৰমিক সকলৰ ১৫ বছৰৰ পিচত স্থায়ীত্ব পালেও এই চাকৰিৰ কাল ছোৱাত কোনো নিৰাপত্তা নাপায়। কাৰণ তেনে কোনো আইন আমাৰ নাই যি তেওঁলোকক সুৰক্ষিত কৰিব পাৰে। সেয়ে চৰকাৰেও এনে কিছুমান নীতি নিয়ম কৰিব নোৱাৰেনে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)—মই ইতিমধ্যে কৈছোৱেই যে এই চৰকাৰ গঠন হোৱাৰ পিচত আগতে যি ব্যৱস্থা নাছিল সেইবোৰ ব্যৱস্থা গ্ৰহন কৰিছে আৰু ভৱিষ্যতেও নিশ্চয় গ্ৰহন কৰিব লগতে ১৫ বছৰৰ সময় সীমাটো কমাবলৈ নিশ্চয় বিবেচনা কৰিব।

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, ১২ মাহে একেৰাহে কাম কৰি থকা শ্ৰমিক কিমান আছে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) –এতিয়া ৯৭ জন আছে।

Mr. Speaker—This practice of putting question directly to Hon. Minister and the Hon. Minister replying directly to Hon. Member should be avoided. You should address to th chaira No. Std. Question No. 120, Shri Binoy Kumar Basumatari.

**Re : Allotment of Ceiling surplus Land**

Shri BINOY KUMAR BASUMATARI asked :

*120 Will the Minister, Revenue be pleased to state—

(a) Whether it is a fact that Messers Chaya Ram Boro, Thepra Ram Boro, Usunda Boro, Haricharan Basumatari,

Elasu Gayari and Khausum Boro were allotted ceiling surplus land from the excess ownership of Shri Anna Ram Talukdar of Dwarkuchi Village within Panduri Mouza on 27th September 1976 ?

(b) If so, whether it is also a fact that the land was physically handed over to the above allottees by the revenue personnel ?

(c) If so, whether it is also a fact that Shri Anna Ram Talukdar sold these excess land to Shri Guna Ram Kalita and others by violating the rules in regard to land Ceiling Act ?

(d) If so, whether the Government proposes to retrive these excess land and allot to the orginally allottees at (a) above ?

Shri KESHAB CHANDRA GOGOI (Minister, Revenue) replied :

120 (a)—It is a fact that those persons were allotted ceiling surplus land from the excess ownership of Shri Anna Ram Talukdar.

(b)—Only Shri Khausum Boro was given physical possession over the land so allotted.

(c)—Land measuring 13B-4K.1L out of the total ceiling surplus land was sold to five persons including Shri Guna Ram Kalita by the erstwhile pattadar Shri Anna Ram Talukdar.

(d)—Steps are being taken to retrive these land to the allottees. Encroachment cases have already been started for eviction of the unauthorised occupants.

Shri Binoy Kumar Basumatari—Sir, the Hon. Minister has stated in reply to question (B) that Shri Khausum Boro was given physical possession over the land allotted to him, but I have in my hand the land allotment order of Shri Chaya Ram Boro and he was in physical possession of the allotted land but subsequently he was evicted by the land owner Shri Anna Ram Talukdar. So sir, will the Hon. Minister take steps to retrieve this land and give it to the original allottee ?

Shri Keshab Chandra Gogoi (Minister)—Sir, I have already given the reply in Q. (B) that, Shri Khausum Boro was given physical possession over the land so allotted. About the other person, he night have given the possession but he could not retain his possession. We are taking steps to retrieve the lands to the allotees.

Shri Binoy Kumar Basumatary—Sir, as far as my information goes, Shri Khausum Boro has been evicted from his land. Whther it is a fact, sir ?

Shri Keshab Chandra Gogoi (Minister)—Sir, from the report available with me it appears that Shri Khausum Boro is in physical possession over the land. As I have stated, sir, we will make an enquiry and try to retrieve the lands to the allotees.

Shri Rukhini Roy—Sir, my I know from the Hon'ble Minister what action has been taken by the Govt. to see that possession of lands is given to the actual allotees ?

Shri Keshab Chandra Gogoi (Minister)—Mr. Speaker sir, it is a separate question but for the information of the August House I can tell that we have already taken steps to give possession of lands to the actual allotees. The department is taking steps to give the pattas to the allotees but those persons who are voluntarily giving the lands to others it may be difficult to get back the possession from them.

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, চিলিং এক্ট কৰি জমিদাৰৰ পৰা মাটি নি ভূমিহীন লোকক দিবলৈ বিছাৰিছে। কিন্তু সেইলোক সকলে মাটি দিয়া স্বত্বেও মাটি নোপোৱা কথাটো মাননীয় মন্ত্ৰী মহোদয়ে নিজে জেগাত গৈ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সঠিক খবৰ দি দিলে নিশ্চয় তদন্ত কৰিম।

**Re : Contruction of Kachudaram Police Out Post**

Shri NURUL HAQUE CHOUDHURY asked :

*121 Will the Chief Minister be pleased to state—

(a) Whether it is a fact that 6 bighas of land were donated for construction of Kachudaram Police Out Post building under Sonai Police Station ?

(b) If so, whether it is also a fact that even after 8

years, there has not been any attempt to utilise the land by constructing the said building ?

(c) Whether it is also a fact that the Police Out Post is functioning in an Agricultural godown ?

Shri HITESWAR SAIKIA (Chief Minister) replied :

121 (a)—Yes.

(b)—Construction of the Kachudaram Out Post building could not be undertaken, so far due to paucity of fund.

(c)—No.

শ্রীনুরুল হক্ চৌধুরী—অধ্যক্ষ মহোদয়, এই আউট পোষ্ট নির্মাণ করতে কত বিঘা জমির প্রয়োজন হয় ?

Shri Hiteswar Sakia (Chief Minister)—Sir, in fact there is no restriction or any norm that we should have a limit of certain acres of land. But we may have two or three acres of land for such purpost.

শ্রীনুরুল হক্ চৌধুরী—এই জমি গ্রামের জনসাধারন আউট পোষ্ট তৈয়ীর জন্য যদিও দান করেছিন কিন্তু তা না হয়ে সেখানে রুরাল স্কীমে চৌকীদার-দের জন্য থাকবার শেড্ তৈয়ী হচ্ছে। একথা মন্ত্রী মহোদয় জানেন কি ?

Shri Hiteswar Saikia (Chief Minister)—Sir, that information is not with me now but so far as the report available with me it appears that in 1968 a plot of two acres of land was donated by Shri Ram Dulal Roy. Of course, sir, the outpost is now flunctioning in a rented house.

শ্রীনুরুল হক্ চৌধুরী—অধ্যক্ষ মহোদয়, একথা ঠিক নয় যে রেণ্টেট্ হাউসে এই আউট পোষ্ট চলছে। এটা আমার সমষ্টিতে এবং আমি যা জানি তা হলো একটি এপ্রকালচার গো-ডাঙনে এই আউট পোষ্ট দীর্ঘ ১০ বছর যাবত্ চলছে। যার ফলে সেখানে কোন লক্-আপের বন্দোবস্ত পর্যন্ত নাই। এই এলাকার প্রয়োজনের কথা বিবেচনা করে মন্ত্রী মহোদয় আশ্বাস দিতে পারেন কি যে এই আউট পোষ্টের কাজ শীঘ্রই আরম্ভ করা হবে ?

Shri Hiteswar Saikia (Chief Minister)—Sir, it is a small outpost with one A.S.I. and 6 Constables. The rent of the house, where the outpost is now running, is Rs. 30 oly p.m. Sir we are expecting to get funds from the award of 8th Finance Commission and as soon as the funds will be avilable the construction of the building of this outpost will be taken into consideration.

শ্রীনুরুল হক্ চৌধুরী—অধ্যক্ষ মহোদয়, এই আউট পোষ্টে এবং সোনাই থানায় কোন গাড়ীর ব্যবস্থা না থাকায় পুলিশ অফিসার রা সব সময় স্থানীয় টেক্সি ড্রাইভারদেরে হয়রানী করে থাকে। মন্ত্রী মহোদয়, এই এলাকার প্রয়োজনের কথা চিন্তা করে একটা গাড়ী দেবার ব্যবস্থা করবেন কি ?

Shri Hiteswer Saikia (Chief Minister)—Mr. Speaker, sir, we propose to provide vehicles to all the Police Stations and in this year we are thinking to purchese about 100 vehicles to provide one vehicle to each Police Station.

•

**Mr. Speaker—As requested by the Hon'ble Minister, St. Q. No. 122 is deferred.**

Re : **Non-Payment of Compensation to the Land owner**

Shri DANESH ALI asked :

*123 Will the Minister, Food Control be Pleased to state—

(a) Whather the Govt. is aware about the fact of non-payment of compensation is the land owner of villages Sata and Balartari under Chenga Mauza whose lands had been acquired for the construction of Daulashal Bohori embankment in the year 1981-82.

(b) I so, the steps taken by Govt. for payment of compensation to the land owners ?

Shri RANENDRA NARAYAN BASUMATARI (Minister, Flood Control) replied :

123 (a)—Yes.

(b)—Final land acquisition estimate of village Sata and Village Balartari are under process of sanction.

শ্ৰীদানেচ আলি—মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে, এই ক্ষতিপূৰণ দিবলৈ কিমান দিন লাগিব ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, অহা মে এপ্ৰিল মাহৰ ভিতৰতে দিব পাৰিম।

**Shri Rukmini Roy**—Sir, since low long it is pending ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, 'পেণ্ডিং'

হোৱা নাই। 'প্লেনএষ্টিমেট' কৰোতে যিখিনি সময় লৈছে সেইখিনিহে। 'কাৰ্য্যবাহল অভিযন্তা'ই এইটো 'প্ৰচেছ' কৰি আছে। দুই এদিনৰ ভিতৰতে আহিব। 'ফাইনেলাইজ' কৰাৰ পিছত মঞ্জুৰ কৰি দিয়া হব।

শ্ৰীবৰকট উল্লা—মাননীয় অধ্যক্ষ মহোদয়, এই মাটিখিনি কোন চনত অধিগ্ৰহণ কৰা হৈছিল?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ১৯৮২ চনত।

শ্ৰীদানেচ আলি—মাননীয় অধ্যক্ষ মহোদয়, কিমান মাটি অধিগ্ৰহণ কৰা হৈছিল সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, চাটা গাৱৰ পৰা ১১৯ বিঘা ২ লেচা আৰু বালাবতৰি গাৱঁৰ পৰা ৮৭ বিঘা ২ কঠা ৫ লেচা মাটি অধিগ্ৰহণ কৰা হৈছিল।

শ্ৰীদানেচ আলি—মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক বিঘা মাটিৰ কাৰণে কিমান মূল্য ধৰা হৈছিল সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহাশয়, এই কামটো চিভিল অথৰিটি য়েহে কৰে। বিঘা প্ৰতি কিমান টকা ধৰা হয় সেইটো ইয়াত দিয়া হোৱা নাই। হলেও মাটি অধিগ্ৰহণৰ কাৰণে দিবলগীয়া 'টোটেল এষ্টিমেটটো' হৈছে, ৪ লাখ, ৩ হেজাৰ, ৪৭১ টকা ৮ পইছা।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, বানপানী নিয়ন্ত্ৰণৰ কাৰণে হাজাৰ হাজাৰ বিঘা অধিগ্ৰহণ কৰি মঠাউৰি সাজিছে। এই বিলাক কি মাটিমাহেৰে সজা হৈছে নেকি?

(কোনো উত্তৰ নাই)

বিঃ পুলিচ কনিষ্টবল

শ্ৰীহেমেন দাসে সুধিছে ঃ

*১২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পুলিচ কনিষ্টবলক মাহে এটকা পয়ত্ৰিশ পইচা মছলাৰ বাবে আৰু দুই টকা ভাত ৰন্ধা খৰি কিনাৰ বাবে দিয়া হয় নেকি ?

(খ) যদি হয়, এটকা পয়ত্ৰিশ পইচাত কিমান মছলা আৰু দুই টকাত কিমান খৰি পোৱা যায় ?

(গ) সেই মছলা আৰু খৰিবে কিমান দিন যায় ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

১২৪। (ক), (খ) আৰু (গ)—আৰক্ষী বাহিনীৰ (বেটেলিয়ন) প্ৰতিজন চিপাহীক অন্যান্য খোৱা বস্তুৰ ওপৰিও দিনে গাইপতি ১৬ গ্ৰাম মছলাৰ গুৰি দিয়া হয়। বৰ্ত্তমানৰ হিচাব অনুসৰি মছলাৰ পৰিবৰ্ত্তে ১.৩৫ টকা মাহিলী দিয়াৰ নিয়ম থাকিলেও এতিয়ালৈকে দিয়াৰ প্ৰয়োজন হোৱা নাই। খৰি কিনিবৰ কাৰণে নগদ টকা দিয়া নহয় বৰং প্ৰতিজন চিপাহীক ৯৯০ গ্ৰামৰ পৰা ১.৪৮৫ কিলোগ্ৰাম ওজনৰ খৰি দিয়াৰ নিয়ম আছে। কিন্তু ঠাই বিশেষে অধিনায়কে (সমাদেষ্টা) ১.৪৮৫ কিলোগ্ৰামলৈকে দিব পাৰে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মই আজিও সুধিছো পুলিচক ১.৩৫ পইচা মাহে মছলাৰ খৰছৰ বাবদ দিয়া কথাটো একেবাৰে সচা কথা। মই মাননীয় মুখ্যমন্ত্ৰীৰ পৰা জানিব বিছাৰিছো বৃটিছৰ দিনৰে পৰা চলি অহা এই হিচাবটো কিহৰ কাৰণে কৰা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, বেটেলিয়নত একেলগে খোৱাৰ নিয়ম। প্ৰধান কাৰ্য্যালয়ত একেলগে ৰান্ধি বাঢ়ি খোৱাৰ নিয়ম আছে। সেয়ে প্ৰতিজন বেটেলিয়নৰ মাহিলি ৪৮০ গ্ৰাম ভাগত পৰে। সেই মৰ্ম্মে তেখেত সকলক দিয়া হৈছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰতিজন বিধায়কৰ লগতে এজনকৈ বেটেলিয়ন আছে। তেওঁলোকে ১.৩৫ পইছাকৈহে পাই আছে। তেওঁলোকেতো লঙ ঘৰত নেখায় ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী—অধ্যক্ষ মহোদয়, মাহেকত আধা কেজি মছলা কম নহয়। মূল্য হিচাবে যদিও কম, বস্তু হিচাবে ঠিকেই পাই আছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মই আজিও সুধিছো, তেখেত-সকলে পইচাহে পাই আছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, যিসকলে আমাৰ লগত আছে সেই সকলেহে খাব লগা হৈছে। মই সেইটো চাম।

শ্ৰীমথুৰা ডেকা—মাননীয় অধ্যক্ষ মহোদয়, খৰি গ্ৰাম হিচাবে কত কত বিক্ৰী কৰে সেইটো অনুগ্ৰহ কৰি জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, খৰি গ্ৰাম হিচাবে দিয়া কথাটো নাহে যিহেতু তেওঁলোকে একেলগে খায়।

**Re : Purkai Sluice Gate**

Shri NURUL HAQUE CHOUDHURY asked :

*125. Will the Minister, Flood Control be pleased to state—

(a) Whether it is a fact that Purkai Sluice gate cannel over Badri Nala under Silchar F. C. Sub-Division II can not drain out water which has badly affected the cultivation ?

(b) If so, the steps the Government contemplate to take to solve the problem ?

Shri RANENDRA NARAYAN BASUMATARY (Minister, Flood Control) replied :

125. (a)—It is not a fact.

(b)—Does not arise.

শ্রীনুরুল হক্ চৌধুরী—অধ্যক্ষ মহোদয়, এই পুরকাই এলাকার বাবে যে শ্লুইস গেট আছে তা এতো ছোট যে বর্ষাকালে বৃষ্টির জলে প্রায় পাচ হাজার বিঘা জমিতে আউস, শালি প্রভৃতি ধান নষ্ট হয়। এই ব্যাপারে এই অঞ্চলের জনসাধারণ মন্ত্রী মহোদয়ের নিকট বহু আবেদন নিবেদন করেছে। এ কথা কি সত্য ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, পুৰকাই নদীৰ পানী বদ্ৰী নদীত পৰে। বদ্ৰী নদীৰ পানী বৰাক নদীত পৰে। সেই কাৰণে বৰাক নদী উপচি পৰে। তেতিয়া সাধাৰণতে পানী বাগৰিব পাৰে। সেই কাৰণে পুৰকাইৰ গেটটো ক্লোচ কৰি ৰখা হয়। বন্ধ কৰাৰ কাৰণে বৰষুণৰ পানীয়ে পুৰকাইৰ কিছু অংশ ডুবাই ৰাখে। যদি গেটটো বন্ধ কৰি ৰখা নহয় তেতিয়া হলে বৰষুণ হলে গেট বন্ধ কৰিব লাগিব। এই কাৰণে আগৰেপৰা এই গেটটো বন্ধ ৰখা হয়। এই গোটেই অৱস্থাটো অনুসন্ধান কৰি চাব লাগিব। তেনে ক্ষেত্ৰত বেলেগ আচনি লোৱাৰ প্ৰশ্ন আহিব।

শ্রীনুরুল হক্ চৌধুরী—অধ্যক্ষ মহোদয়, এই পুরকাই শ্লুইস গেটের অপেনিং এতো ছোট যে এই বিরাট এলাকার জল নিষ্কাশন করা সম্ভব হয় না। সুতরাং এই ব্যাপারে গুরুত্ব উপলব্ধি করে মন্ত্রী মহাশয় কোন আশ্বাস দিতে পারবেন কি যে সেখানে একটা অতিরিক্ত অপেনিং'র ব্যবস্থা করবেন ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই পানী ওলাই যোৱা গেটটো যদি সৰু হয় তাৰ নিশ্চই ব্যৱস্থা লব লাগিব। আৰু এইটো তদন্ত কৰাৰ পাচত জনাই দিম।

## Re : No. of Sub-Inspector and Assistant Sub-Inspector of Police

Shri JOYNAL ABEDIN asked :

*126. Will the Chief Minister be pleased to state—

(a) The number of armed branch, unarmed Sub-Inspector and Assistant Sub-Inspector of Police at present in the State ? ( figure may be shown community-wise indicating the percentage ),

(b) Whether there is any proposal with the Government to fill up the backing of any community not represented according to the population pattern in the State ?

(c) If so, how many years and in what way Government proposes to fill up the same ?

Shri HITESWAR SAIKIA (Chief Minister) replied :

126. (a)—There are 385 Armed Brach and 1714 unarmed Branch Sub-Inspectors of Police and 1517 Assistant Sub-Inspectors of Police of Unarmed Branch only at Present in the State. There is no Armed Branch ASI.

The Community-wise figure and percentage is shown in the statement laid on the table of the House.

(b) & (c)—Recruitment to various posts in the Police Department is being made strictly reflecting the poputation pattern of the State including filling up of the reserved posts like Scheduled Caste/Scheduled Tribe, etc.

The backlog of certain communities as is seen from the statement placed on the table of the House has been kept in view.

শ্ৰীজৈনাল আবেদিন—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে যে এই আটাইকেইটা ব্ৰাঞ্চত শতকৰা কিমান ভাগ বেক লগ আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই সদনত আগতেও বিবৃতি দিয়া হৈছে যে যথেষ্ট বেক লগ আছে। মই আগতে এই সদনত কৈছো এই সম্পৰ্কে যে যথেষ্ট বেক লগ আমাৰ দৃষ্টি গোচৰ হৈছে। চিডুৰেল ট্ৰাইবৰ লিষ্টত এছ, আই, পুলিচ পৰ্য্যায়ত শতকৰা ৫ ভাগ আছে। আৰ্মব্ৰাঞ্চৰ এছ, আই, ৭ পাবচেণ্ট। ইয়াত বেক লগ আছে ৫ পাৰচেণ্ট। আন আৰ্মত ৫ পাৰচেণ্ট আছে। এছ, আই, বেক লগ ৭ পাৰচেণ্ট আছে। ট্ৰাইৰ হিলচত এছ, আই, ৫ পাৰচেণ্ট আছে। এছ, আই, ৭·৮ পাৰচেণ্ট। ইয়াত বেছি আছে। বেক লগ নাই। চিডুৰেল হিলচত এছ, আই, বেক লগ নাই। চিডুৰেল হিলচত এছ, আই, বেক লগ নাই। চিডুৰেল ট্ৰাইব হিলচত এ, এছ, আই, ·৭ পাৰছেণ্ট। ইয়াত বেক লগ আছে। চিডুৰেল কাষ্ট সম্পৰ্কে এছ, আই,ত বেক লগ নাই। বেক লগ আৰ্ম্মবাঞ্চত এছ, আই, ১৩·৬ পাৰচেণ্ট আৰু এ, এছ, আই,ত আছে ৩·৯ পাৰচেণ্ট। আন আন ব্ৰাঞ্চতো এ, এছ, আই, ১৪·৬ পাৰচেণ্ট আৰু এ, এছ, আই, ৰ ক্ষেত্ৰত যথেষ্ট বেক লগ আছে। সেইখিনি নতুনকৈ ৰিকুইটমেণ্ট কৰা আছে। এইটো চেষ্টা কৰা হব।

Shri Benoy Kumar Basumatary—Sir, will the recruitment to the Task Force be made tog ther with the total position of the Police or the Task Force will be filled up separately ?

Shri Hiteswar Saikia ( Chief Minister )—Mr. Speaker, Sir, the recruitment of Task Force is done separately and we have seen that in the recruitment of Task Force all our commitments are fulfilled and there is no backlog so far the recruitment is concerned. We have decided to recruit 1508 constables in the Task Force out of which Scheduled Tribes has a representation of 12%. Actually

the Scheduled Tribes deserves 10%. The representation of Scheduled Tribes Hills is at present 3.6%. The Scheduled Tribes Hills deserve 5% representation as per Consitution. This will looked into. With regard religious minority we are giving 25% representation on the basis of 1971 census In Scheduled Caste we have given 11.8% though they deserve only 7%. While recruiting in the Task Force we are very keen to see that all section of the people are properly represented.

Shri Binoy Kumar Basumatari – Mr. Speaker, Sir, In regard to the appointment of the Task Force Government committed that it would reflect all section of people taking into the consideration the population pattern. But, Sir, in my Udalguri area only 9 have been appointed where there are 65,000 voters. In Kalaigaon where there are 68,000 voters only 15 people have been recruited and in Paneri where there are 78,000 voters only 19 people have been appointed. This is a list which I have obtained from Udalguri where the tribal population is 32% and I am sorry to say that out of 9 people recruited only one belongs to tribal. In Kalaigaon also out of 15 recruited only 2 have been selected from the tribals. At Paneri 2 persons, who were not selected earlier, bribed to get themselves listed in the appointment list. Sir, will the Honourable Chief Minister redress this disparity ?

Shri Hiteswar Saikia (Chief Minister)—Mr. Speaker, Sir, areawise or sub-divisionwise there may be some disparity but statewise we have fulfilled all the commitments

made by us. The reservation for the Tribal is 10% but we have already recruited 12% which is more than the quota. In case of Scheduled Caste also we have exceeded Actually the reservation of Scheduled Caste is 7% butwe have recruited 11.8%. Sir, if you take it as statewise there is no disparity and we have fulfilled the commitment made by us. There may be some disparity areawise which cannot be denied. However, we are trying to bring out a new census otherwise there may be some discrimination. Of course, this matter was brought to my notice earlier and I assured them at that time that there would be no disparity. I want to know from Honourable Member Shri Basumatari where this discrimination is and if there is any I shall look into it.

Shri Binoy Kumar Basumatari—Mr. Speaker, Sir, the Government has honoured the commitment statewise but, Sir, in Udalguri, one person, namely Shri Doley, from Majuli has been appointed from the Udalguri area. He is from Majuli and has been brought to Udalguri to mix with the Boro people but actually he is Mishing from Majuli.

Shri Hiteswar Saikia (Chief Minister)—Mr. Speaker, Sir, I shall look into it.

Shri Silvius Kondpan—Mr. Speaker, Sir, the honourable Chief Minister has given a communitywise statement of recruitment to y e Task Force. May I know from the Honourable Chief Minister whether in this recruitment

the point of religious minority is also taken into consideration? If so, then the Christian community will be the next religious minority to the Muslim. Whether the this community was given due consideration or not? Besides Christian there are Budhism, Sikh ect. I want to know from the Honourable Chief Minister whether these communities are also properly represented? I want to know whether the tea grad people are also taken into consideration in recruiting this Task Force?

Shri Hiteswar Saikia (Chief Minister)—Mr. Speaker, Sir, the Tea Garden labours are treated as backward class and they will get preference in that line. Regarding other religious and ethnic groups we shall certainly make a point to see that they are also represented fully in every Department.

শ্ৰীআমিৰ হামচা তালুকদাৰ—আমাৰ বৰপেটা ডিষ্ট্ৰিকত বেলেগ দেখা পাইছো। তাত বেলেগ বেলেগ ঠাইৰ পৰা আনি ফিলআপ কৰিছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী—চৰকাৰে নিশ্চয় এইবিলাক আগতে থানা ওৱাইজ বা ব্লক ওৱাইজ কৰা নাছিল। এতিয়াহে থানা ওৱাইজ কৰিছে। আগতে ডিষ্ট্ৰিক ওৱাইজ হিচাবে আমাৰ অসমত পুলিচৰ ৩টা চেণ্টাৰ আছিল আৰু এতিয়া এই ৩টা চেণ্টাৰত এইটো নাইকীয়া কৰিবৰ কাৰণে থানালৈ নিয়া হৈছে।

শ্ৰীবৰ্গৰাম দেউৰী—মাননীয় মুখ্যমন্ত্ৰীৰ উত্তৰ প্ৰসংঙ্গত মই কৈছো যে এচ, চিৰ লোকৰ কাৰণে কিছুমান পোষ্ট প্ৰায় শতকৰা ৫ ভাগ বেকলগ হৈ আছে। সেই বেকলগ হোৱা পোষ্টবোৰ ফিলআপ কৰাৰ কাৰণে চিন্তা কৰিছে নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—জনজাতীয় কিছুমান লোকক মই লগ ধৰিছো আৰু তেওঁলোকক মই কৈছো এই চৰকাৰে এই বছৰৰ ভিতৰতেই সকলোবোৰ কৰিব।

Shri Debesh Chakraborty—Mr. Speaker, Sir, during his reply the Honourable Chief Minister has not mentioned anything about the linguistic minority. May I know from the Honourable Chief Minister whether the cases of Nepali community will also be considered ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—এতিয়ালৈকে লেঙ্গুৱেজ মাইনৰিটিৰ অৱস্থা ভালেই আছে।

## UNSTARRED

## QUESTIONS AND ANSWERS

বিঃ বিজুলী Match Splint Factory ৰ শ্ৰমিক।

শ্ৰীচন্দ্ৰধৰ কলিতাই সুধিছে—

২। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বিজুলী Match Splint Factory ৰ দুজন শ্ৰমিক Trade Union কৰাৰ অপৰাধৰ বাবে চৰকাৰে চাকৰিৰ পৰা বৰ্খাষ্ট কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে উক্ত শ্ৰমিক দুজনে বৰ্খাষ্ট কৰণৰ বিৰুদ্ধে কৰা আবেদনৰ মোকৰ্দ্দমাটো কিমান তাৰিখৰ পৰা আজিলৈকে চলি আছে চৰকাৰে জানেনে ?

(গ) বিজুলী Match Splint Factory ৰ মেনেজাৰ জনৰ উক্ত কাৰখানাত কিমান দিন হ'ল জনাবনে ?

(ঘ) উক্ত কাৰখানাত চাকৰি কৰাৰ উপৰিও মেনেজাৰ জনৰ নিজা ববীয়াকৈ বিজুলীত কি কি ব্যৱসায় আছে চৰকাৰে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২। (ক)—Trade Union কৰাৰ অপৰাধত দুজন শ্ৰমিকক বৰ্খাষ্ট কৰা হোৱা নাই। বিভিন্ন অভিযোগ প্ৰমানিত হোৱা বাবে দুজন শ্ৰমিকক বৰ্খাষ্ট কৰা হৈছিল।

(খ)—বৰ্খাষ্ট কৰাৰ বিৰুদ্ধে শ্ৰমিক দুজনে কৰা আবেদন Industrial Tribunal ত বিচাৰাধীন হৈ আছে।

(গ)—প্ৰায় ১২ বছৰ দুমাহ হৈছে।

(ঘ)—মেনেজাৰ জনৰ নিজা ববীয়াকৈ কোনো ব্যৱসায় থকাৰ কথা চৰকাৰে নাজানে।

বি ঃ Assam Syntex Ltd.

শ্ৰীঅনিল চন্দ্ৰ বড়োৱে সুধিছে ঃ

৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কামৰূপ জিলাৰ নলবাৰী মহকুমাৰ অন্তৰ্গত টিহুৰ নিকটবৰ্ত্তী নাথ কুছিত "Assam Syntex Ltd" উদ্যোগ নিৰ্ম্মাণৰ কাৰণে কিমান টকা মঞ্জুৰ কৰা হৈছে ?

(খ) উক্ত উদ্যোগৰ কাম আৰম্ভ কৰা হৈছেনে ?

(গ) যদি হৈছে ইয়াত কৰ্ম্মচাৰী নিযুক্তি দিছেনে আৰু যদি দিছে এই কৰ্মচাৰীবোৰ থলুৱানে ?

(ঘ) উদ্যোগ নিৰ্মাণৰ কাৰণে মাটি কঢ়িওৱাৰ বাবদ অসমৰ বাহিৰৰ পৰা অনা গৰুগাড়ী ব্যৱহাৰ কৰা সচানে ?

(ঙ) যদি হয়, কাৰণ জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩। (ক)—Assam Syntex Ltd. উদ্যোগ নিৰ্মাণৰ কাৰণে মুঠ ৭৬৮ লাখ টকা খৰছ পৰিব।

(খ)—উদ্যোগ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে।

(গ)—উদ্যোগৰ প্ৰাৰম্ভিক কাৰ্য্য আৰম্ভ হৈছে যদিও, কৰ্মচাৰী নিযুক্তিৰ কাম এতিয়াও আৰম্ভ হোৱা নাই।

(ঘ)—উদ্যোগ নিৰ্মাণৰ ঠাইত মাটি ভৰাবৰ বাবে যি তিনিজন ঠিকাদাৰক ঠিকা দিয়া হৈছে, তেওঁলোকে জনোৱা মতে গৰুগাড়ীবোৰ অসমৰ বাহিৰৰ পৰা ব্যৱস্থা কৰা নাই।

(ঙ)—প্ৰশ্ন নুঠে।

শ্ৰীঅলিত বড়ো—অধ্যক্ষ মহোদয়, ইয়াত মন্ত্ৰী মহোদয়ে কৈ দিছে যে বাহিৰৰ পৰা গাড়ী অনা হোৱা নাই। কিন্তু মই জনা মতে বহুত গাড়ী বাহিৰৰ পৰা অনা হৈছে। গতিকে এই গৰু গাড়ীবোৰ বাহিৰৰ পৰা অনা বিষয়টো তদন্ত কৰি চাব নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—চৰকাৰে যি জন ঠিকাদাৰক দিছে তেওঁলোক অসমৰ ঠিকাদাৰ, অসমৰ লৰা আৰু তেওঁলোকে অসমৰ পৰাই যোগাৰ কৰিছে। যিহেতু মাননীয় সদস্যজনে প্ৰশ্ন কৰিছে নিশ্চয় বিষয়তো মই চিন্তা কৰি চাম।

শ্ৰীহেমেন দাস—কথাটো সচা চাৰ। সেই গাড়ী আৰু গৰু অসমৰ নহয়।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—মই ৭ তাৰিখে তালৈ গৈ আছো। তেতিয়া গলে মই চাব পাৰিম।

শ্ৰীঅলিত বড়ো—অধ্যক্ষ মহোদয়, ইয়াত ৩ জন ঠিকাদাৰক এইটো কাম দিয়া বুলি কৈছে। এই ৩ জন ঠিকাদাৰ থলুৱানে ? আৰু সিহতৰ নামবোৰ মন্ত্ৰী মহোদয়ে কবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—ঠিকাদাৰ ৩ জন থলুৱা অসমীয়া আৰু তেওঁলোক হ'ল নকুল দত্ত, অম্বিকা দত্ত, গুৱাহাটীৰ আৰু জিতেন দত্ত টিহুৰ।

**Voting on demands for grants**

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 68,27,43,500.00 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Police".

Mr Speaker—There is a cut motion to this grant tabled by Shri Hemen Das and Shri Purna Boro.

Shri Hemen Das—Sir, I beg to move that the total provision of Rs. 68,27,43,500.00 under Grant No. 18 in respect of "Police" at pages 1-53 of Volume II, Part V of the Budget, be reduced to Rs 1/-, i. e the amount of the whole grant of Rs. 68,27, 43, 500.00 do stand reduced to Re 1/-.

মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো উত্থাপন কৰি মই তুষাৰ কবলৈ উঠিছো। গণতান্ত্ৰিক দেশত পুলিচৰ কৰ্ত্তব্য কেৱল চোৰ-ডকাইট ধৰা আৰু আইন শৃংখলা ৰক্ষা কৰাই নহয় জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰাটোও পুলিচৰ অন্য এটা কৰ্ত্তব্য বুলি আমি ভাবো। কিন্তু কিছুমান দিনৰ পৰা দেখা গৈছে যে কিছুমান ঠাইত পুলিচে গণতান্ত্ৰিক অধিকাৰ ৰক্ষা নকৰি গণতান্ত্ৰিক অধিকাৰ হৰণ কৰাৰ প্ৰতি বেছি আগ্ৰহী যেন দেখা গৈছে। উদাহৰণস্বৰূপে যোৱা মাহৰ তেৰ তাৰিখে আমাৰ

দলৰ পৰা অসমৰ বিভিন্ন ঠাইত সভা আহ্বান কৰা হৈছিল আৰু সেই পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ পুলিচে অনুমতি দিলে, বৰপেটা জিলাত অনুমতি দিলে কিন্তু তেজপুৰ আৰু কোকৰাঝাৰ পুলিচে সভাসমিতি পাতিবলৈ অনুমতি দিয়া নাই। যি সময়ত গণতান্ত্ৰিক অধিকাৰ সংকটাপন্ন সেই অৱস্থাত গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰাৰ কাৰণে চেষ্টা কৰা উচিত বুলি আমি ভাবো যদিও এই দুই ঠাইত পুলিচে সভাসমিতি পাতিবলৈ অনুমতি দিয়া নাছিল। ইয়াৰ আগতো ধুবুৰী আৰু কোকৰাঝাৰত পুলিচে তেনে ধৰণৰ সভাসমিতি পাতিবলৈ অনুমতি দিয়া নাছিল আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হস্তক্ষেপৰ ফলতহে তেনে সভাসমিতি পাতিবলৈ অনুমতি পাব পাৰিছিল। এই ক্ষেত্ৰত দেখা গৈছে যে তেওঁলোকে নিজেই নিজৰ আইন কাৰ্য্যকৰি কৰিবলৈ লৈছে আৰু ইয়াৰ দ্বাৰা মানুহৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে। সেই কাৰণে মই কব খুজিছো যে চৰকাৰে গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰাৰ কাৰণে যি পৰিমাণৰ চেষ্টা কৰিছে তেনে ক্ষেত্ৰত পুলিচে যাতে চৰকাৰী নিৰ্দ্দেশ কাৰ্য্যকৰী কৰে তাৰ প্ৰতি গুৰুত্ব দিব লাগিব।

অধ্যক্ষ মহোদয়, পুলিচৰ আতিশয্য সম্পৰ্কে বিভিন্ন কথা বাতৰিত ওলাইছে। অন্য ফালৰ পৰা যে কোনো হোৱা নাই সেইটো কথা কোৱা নাই। কিন্তু যাতে পুলিচে যি কোনো ঘটনা ঘটোৱা মানুহৰ ওপৰত ব্যৱস্থা লোৱাৰ বাহিৰেও আন লোকৰ ওপৰত তেনে আতিশয্য নকৰে সেইটো চাবলগীয়া কথা। যোৱা মাহত গোৱালপাৰা জিলাৰ সৃজনগ্ৰাম গাওঁ পঞ্চায়তৰ সভাপতি শ্ৰীযামিনী ৰায় কংগ্ৰেছ আইৰ সদস্য, গাওঁ সভাৰ সভাপতি, সেই অঞ্চলৰ নেতা তেওঁক অসম আন্দোলনৰ নেতাই হত্যা কৰিছিল আৰু হত্যাকাৰীৰ নামো মৃতকে মৰণৰ আগতে থানাত দি থৈ গ'ল। তথাপি হত্যাকাৰীক নধৰি যধে মধে মানুহক, নিৰীহ জনসাধাৰণক ধৰি নি হাৰাশাস্তি কৰাৰ কোনো প্ৰয়োজন নাছিল। গাওঁবাসীৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰাৰ কাৰণে পুলিচৰ কিছুমান বিষয়াই ইচ্ছাকৃত ভাৱে এইটো কাম কৰা বুলি সন্দেহৰ অৱকাশ আছে। যি কেইজনক ধৰিব লাগে সেই কেইজন নধৰি নিৰীহ মানুহক ঘটনাৰ লগত জড়িত নোহোৱা তেনেকুৱা মানুহক গ্ৰেপ্তাৰ কৰিছে। এনেকুৱা ঘটনা অসমৰ বহু ঠাইত হৈছে। আজি আমাৰ দেশখন পিচপৰা আৰু তেনে এখন দেশত আন্দোলনৰ পিচত পুলিচৰ শিতানত বেছি

টকা খৰছ কৰিবলৈ বাধ্য হৈছে। মই আগতে কৈছো যে পুলিচৰ এনে বিলাক কামৰ কাৰণে টকা এই শিতানত বেছি খৰছ কৰিবলগীয়া হৈছে যদিও পুলিচে যোৱা চাৰি বছৰৰ ভিতৰত দেশত যিমান বিলাক হত্যাকাণ্ড হল সেই হত্যাকাণ্ড বিলাকৰ সন্দৰ্ভত নিৰ্দ্দিষ্ট কোনো চাৰ্জচীট দাখিল কৰিব পৰা নাই। দেখা গৈছে চাৰ্জচীট দিবলৈ পুলিচ থানা বিলাক পাহৰি গৈছে। হত্যাকাৰীৰ ক্ষেত্ৰত বহুত ঠাইত গ্ৰেপ্তাৰ কৰা নাই। যোৱা জানুৱাৰী মাহৰ এক তাৰিখে টিহুৰ চকত এচ, এফ, আইৰ সদস্য উদ্ধৱ পাঠকক হত্যা কৰা লোক এতিয়াও টিঘিল ঘিলাই ঘূৰি আছে। অথচ পুলিচে গ্ৰেপ্তাৰ কৰিব পৰা নাই। ধেমাজীত ঘটা ঘটনাৰ সন্দৰ্ভত মাত্ৰ সিদিনা মুখ্যমন্ত্ৰীয়ে কৈছে গ্ৰেপ্তাৰ কৰিছে সুদীৰ্ঘ এবছৰৰ পিছত। পুলিচ বিষয়াৰ এইবিলাক গাফিলতি আৰু প্ৰশ্ৰয় দিয়া প্ৰৱণতা বেচ এচামৰ মাজত পৰিলক্ষিত হৈছে আৰু এইটো দেশৰ কাৰণে বিপদজনক অৱস্থা হৈছে। ফলত হত্যা বন্ধ হোৱা নাই। তেজপুৰত শোনিতপুৰ জিলাত কংগ্ৰেছ উপসভাপতিক তেজপুৰৰ ৰাজপথত হত্যা কৰিলে। হত্যাৰ লগত জড়িত ব্যক্তিক নিৰ্দ্দিষ্ট কৰি আচামী ধৰিব লাগে। কিন্তু দেখা গৈছে কোনো ক্ষেত্ৰত পুলিচ তত্পৰ হয় আৰু কোনো কোনো ক্ষেত্ৰত পুলিচৰ নিষ্ক্ৰিয়তা পৰিলক্ষিত হৈছে। হত্যাকাৰীক ধৰি শাস্তি দিব লাগে কিন্তু বহুদিন আগতে হত্যা কৰা কেচ বিলাকতো কি হৈছে কব নোৱাৰো। ১৯৮০ চনত নলবাৰী মহকুমাত অগ্নিসংযোগ হ'ল, কেইজনমান মানুহৰ জেল হ'ল? কেইজনৰ বিৰুদ্ধে চাৰ্জচীট হ'ল? কাৰ বিৰুদ্ধে বিচাৰ হ,ল? সেইবিলাক মন কৰিবলগীয়া কথা। ১৯৮৩ চনত গোটেই অসমতে হত্যা, অগ্নিসংযোগ হল কিন্তু কিমানৰ চাৰ্জচীট দাখিল হল? কিমানৰ বিচাৰ হ'ল? এই বিলাক কিয় হোৱা নাই? ইয়াৰ কাৰণ হ'ল একাংশ পুলিচে হত্যাকাৰীক প্ৰশ্ৰয় দিয়া নীতিৰ কাৰণে এই বিলাক হবলৈ পাইছে। গতিকে মই চৰকাৰৰ ওচৰত দাবী জনাইছো যে হত্যাৰ নিচিনা গুৰুতৰ অপৰাধীক ক্ষমা কৰা উচিত নহয়। তেওঁলোকৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা লব লাগে। আৰু প্ৰকৃত হত্যাকাৰীৰ ওপৰত শাস্তিৰ ব্যৱস্থা হব লাগে। ইয়াৰ লগে লগে সাধাৰণ ৰাইজৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰা এই পৰিবেশৰ অন্ত হব লাগে। নহলে ৰাজ্য খনৰ পৰিবেশ লাহে লাহে শান্ত হৈ স্বাভাৱিক হৈ আহিব ধৰিছে সেইটো আৰু যাতে বেয়া নহয় তাৰ প্ৰতি

চকু ৰাখিবলৈ চৰকাৰৰ ওচৰত দাবি জনাইছো। আন এটা এনেকুৱা কেচ সদাহতে হাতলৈ আহিছে। অলপ আগতে চিঠি এখন পাইছো। যোৱা তেৰ তাৰিখে প্ৰদীপ দত্ত আৰু নীৰেণ বৰা নামৰ দুজন লোক ঘৰলৈ গৈছিল আৰু বাটত প্ৰায় কুৰি পচিশ জন লোকে আক্ৰমণ কৰিলে। উপায়হীন হৈ ওচৰৰ থানাত এজাহাৰ দিলে কিন্তু এজাহাৰ দিবলৈ যোৱা দুয়োজনকে থানাত ৰাতি এ, এচ, আই আৰু এচ-আই এজনে বেধুম মাৰপিত কৰিলে। ঘটনাটো ১৩-৩-৮৪ তাৰিখৰ। ইয়াৰ প্ৰতিবাদত শিৱসাগৰ জিলাৰ এচ-পিৰ ওচৰত আবেদন জনাই তদন্ত কৰিবলৈ দিয়া হৈছে যদিও এতিয়াও তাৰ একো খবৰ পোৱা নাই।

কিন্তু যেতিয়া তেওঁলোকে থানাত এজাহাৰ দিবলৈ গ'ল তেতিয়া সেই ৰাতিয়েই এজন এচ, আই আৰু এজন এ, এচ, আয়ে তেওঁলোকক বিশেষ ভাবে প্ৰহাৰ আৰম্ভ কৰি দিলে। শ্ৰীপ্ৰদীপ বৰা আৰু শ্ৰীনীৰেণ দত্ত নামৰ লৰা দুজনক এইদৰে প্ৰহাৰ কৰাৰ কাৰণে শিৱসাগৰ জিলাৰ পুলিচ অধীক্ষকৰ ওচৰত প্ৰতিবাদ দাখিল কৰিছে। কিন্তু এই বিষয়ে এতিয়া কি হৈছে আমি এতিয়ালৈকে জানিব পৰা নাই।

এতিয়া অধ্যক্ষ মহোদয়, মই পুলিচ বিভাগৰ কৰ্ম্মচাৰী সকলৰ কথালৈ আহো। পুলিচ কৰ্ম্মচাৰী সকলৰ নানান অভাব অভিযোগ আছে। অলপ আগতে এই সম্পৰ্কে প্ৰশ্নও উত্থাপন কৰা হৈছিল। এই সম্পৰ্কে মোৰ হাতত চিঠি এখন পৰিছে। চিঠিখনত আছে—বাতৰি কাকত আৰু আকাশবাণীত সদায় অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিক সুবিধা দিছে কিন্তু কামত নাই। অসম চৰকাৰে কেইজনমান অফিচাৰক ঠগাই আছে। একাংশ বিষয়াই কিছুমান পুলিচ চাকৰিয়ালক আজি বহুত দিন ধৰি ঠগাই আহিছে। ১৯৮০-৮১ চনতে পাচ কৰি থকা বহুত এ, এচ, আইক প্ৰমোচন দিয়া নাই। তিনি বছৰ আগতে এখন লিষ্ট ওলাইছিল। এইটো অত্যন্ত দুৰ্ভাগ্যজনক হৈছে। তেওঁলোকে যিহেতু এই বিভাগত কাম কৰি আছে আৰু বিভাগীয় পৰীক্ষা দি পাচ কৰি আছে। সেয়ে আজি তিনি চাৰি বছৰে তেওঁলোকক প্ৰমোচন নিদি বন্ধ কৰি ৰখা হৈছে। গতিকে তেওঁলোকক সোনকালে প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰোপৰি আজি কালিৰ কনিষ্টবল-বিলাক মেট্ৰিকুলেটৰ কম নহয়। কিন্তু তেওঁলোকৰ প্ৰমোচনৰ হাৰ একেবাৰে

কম। তেওঁলোকৰ যোগ্যতা অনুসৰি প্ৰমোচনৰ হাৰ বৃদ্ধি কৰা উচিত। যিবিলাক গ্ৰেজুয়েট কনিষ্টবল আছে তেওঁলোকক ডাইৰেক্টলি এ, এচ, আই, বা এচ, আই, লৈ প্ৰমোচন দিব লাগে। এতিয়া প্ৰমোচনৰ শতকৰা হাৰ কিমান আছে মই নাজানো কিন্তু শতকৰা এশজনকেই আৰু কনিষ্টবলৰ পৰা এচ, এচ, আই, লৈ অন্ততঃ শতকৰা ৭৫ জনক এ, এচ, আইৰ পৰা এচ, আই, লৈ প্ৰমোচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইদৰে প্ৰমোচনৰ ব্যৱস্থা থাকিলে তেওঁলোকৰ চিয়াৰ (C.২) ভালকৈ ৰাখিবলৈ চেষ্টা কৰি দুৰ্নীতি মুক্ত হৈ থাকিব আৰু পুলিচ বিভাগটো যথেষ্ট উন্নতি হব। গতিকে এই বিষয়ে বিবেচনা কৰি চাবলৈ মই চৰকাৰক দাবি জনাইছো। তাৰোপৰি যিসকল কনিষ্টবলে ৫ বছৰ চাকৰি কৰিছে তেওঁলোকক এ, এচ, আই,লৈ আৰু যিসকলে ১০ বছৰ চাকৰি কৰিছে তেওঁলোকক এচ, আই,লৈ প্ৰমোচন দিলে এওঁলোকে দুৰৱস্থাৰ পৰা হাত সাৰিব প্যাৰিব। আজি পুলিচ বিভাগৰ মানুহৰ মাজতো অসন্তুষ্টি বৃদ্ধি পাইছে। ৰাস্তা-ঘাটে আমাক লগ পালেই তেওঁলোকৰ অসন্তুষ্টিৰ কথা আমাক জনায়।

দৰমহাৰ ক্ষেত্ৰতো পুলিচৰ বহুত আপত্তি আছে। বিশেষকৈ কনিষ্টবলৰ দৰমহা বান্ধি দিছে ৪২০˙০০ টকাত। তাতেই তেওঁলোকৰ আপত্তি। তেওঁলোকে কয় যে হয় তেওঁলোকৰ দৰমহা ৪২১˙০০ টকা কৰিব লাগে নহলে ৪১৯˙০০ টকা কৰিব লাগে। ৪২০ৰ চাকৰি কৰা বাবে দৰমহাও ৪২০ টকা দিয়া বুলি হেনো মানুহে তেওঁলোকক ঠাট্টা কৰে। গতিকে এই আপত্তিৰ বিষয়ে চৰকাৰে বিবেচনা কৰি চাবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

আন এটা আপত্তি হৈছে বেটেবিয়নৰ পুলিচৰ ক্ষেত্ৰত। বেটেলিয়নৰ কনিষ্টবলৰ প্ৰমোচনৰ ক্ষেত্ৰত তেওঁলোক হাবিলদাৰ আৰু নায়ককৈ প্ৰমোচন পায়। বাহিৰৰ পৰা মানুহ অনা নহয়। কিন্তু এচিচটেণ্ট কমানডেণ্ট বা কমানডেণ্ট পদৰ ক্ষেত্ৰত বাহিৰৰ পৰা মানুহ নিযুক্তি দিয়ে। তেওঁলোকৰ মাজতো যোগ্যতাসম্পন্ন মানুহ আছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰি চাব লাগে। এজন পি, ইউ, পাচ কৰা লৰা আজি ১৪ বছৰে বেটেলিয়নত কাম কৰি আছে। তেওঁৰ লগৰ লৰাবিলাকে এচ, আই, এ, এচ, আই, লৈ প্ৰমোচন পাইছে। কিছুমানে চি, আই,লৈকে প্ৰমোচন পাইছে। কিন্তু তেওঁ

আজিলৈকে প্ৰমোচন পোৱা নাই। গতিকে প্ৰমোচনৰ হাৰ লাহে লাহে কমি আহিছে কমাণ্ডেণ্ট আৰু এচিছটেণ্ট কমানডেণ্টৰ পদবিলাক বেটেলিয়নৰ মানুহৰ পৰাই লোৱাৰ ব্যৱস্থা কৰিব লাগে। লগতে আৰু এটা কথা জানিব পাৰিছো যে বেটেলিয়নৰ হাবিলদাৰৰ বছৰেকীয়া দৰমহাব বৃদ্ধি ১২০০ টকা আৰু কনিষ্টবলৰ বছৰি ১৩০০। অৱশ্যে এইটো সচানে মিছা মই নাজানো। গতিকে এই বিষয়ে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

আমাৰ চৰকাৰে গণতন্ত্ৰ ৰক্ষা কৰাৰ কাৰণে পুলিচ প্ৰশাসনৰ ওপৰত যথেষ্ট গুৰুত্ব দিছে কিন্তু কামৰূপ জিলাৰ বাহিৰে বহুতো ঠাইত আমি সভা সমিতি পাতিব পৰা নাই। বিশেষকৈ আগৰ গোৱালপাৰা জিলা বৰ্ত্তমান ধুবুৰী জিলা আৰু দৰং জিলাত এইটো চলি আছে। গতিকে সকলো ঠাইতে একেটা নীতিকেই চলাব লাগে আৰু লগতে সাধাৰণ ৰাইজে যাতে শান্তিৰে থাকিব পাৰে আৰু পুলিচ বিভাগে যাতে দুৰ্নীতি মুক্ত হয় তাৰ প্ৰতি ব্যৱস্থা লবলৈ মই অনুৰোধ কৰিলো।

Md. Umaruddin—Mr. Speaker Sir, I would like to maka certain general observations on the Motion itself as well as on the comments made by Shri Hemen Das. Sir, I would also like to point out the expenditure of the Police Department for the last three years. In the year 1982-83, the total expenditure was about 51 crores of rupees. Though in the year 1983-84, Budget estimate was on the same order but actually it rose to Rs. 64 crores an increase of Rs. 11 crores. Sir, that was necessitiated by the unusual circumstances which took place in that particular year. There was a big rice from Rs 51 crores to Rs. 64 crores. For this year, the Budget estimate is about 68 crores. Now Sir, the actual Budget estimate of Police Department goes under three main

heads. District Police, the armed police, the CID and other related Departments. Now, of course, in the Address of the Governor as well as in the Budget, Speech, we have seen that a large number of Police Out Posts have been opened for maintaining law and order in the rural areas and in certain vulnerable spots. Now having regard to our post experience for the last three years and the law and order situation which stands today, my question is that whether we should go for some long term strategies to build up a powerful law keeping force so that they can ensure securit to life and property of the citizens of the State. Here also, because of emergency a special situstion developed for which we had to borrow police force from outside the State. I know we have incurred huge sum on the maintenance of CRPF and other police force brought from outside. Sir, it is presumed that the Central Government has made certain concession about it. I, however, donot know the liability. Sir, it is a fact that the CRPF had played a very effective role in maintaining law and order during most critical period. Hon'ble Member Shri Das has referred to the cases of murders, arson and large scale riolence. Sir, my own experience is that individual cases are persued by the clients but in case of mass violance, the cases are forgotten. I want to say that if this is forgotten, there will be denial of justice. The law cnforcing authority will fail to do justice to the people. If a person died of arson, the law should take its own course. Therefore,

I request the Hon'ble Chief Minister to have a special wing and monitoring cell at the headquarter to find out how many murders took place in what place, how many houses were burnt down in what place, how many cases are under investigation and how many offenders have been brought to book. It has got to be done in the interest of people and to change the outlook of the offenders. I congratulate the Chief Minister for taking note of the fact that the Police force of different categories should be objective and impartial. Now what is happening in Goalpara and other parts of the State, the reason is very delicate and I do not want to say anything in this House. The Police Department is recruiting people from a particular community. The State has suffered greatly because of recruiting policy adopted by the Police Department. The present Government has taken a view to recruit people on the basis of population pattern and therefore, I want to say sooner this policy is given effect to better result would be achieved. During the last disturbances about three lakhs people has suffered through arson, 3 to 5 thousand people have been killed. The State Government is under obligation to give justice to the people who suffered. Therefore Sir, seven though the situation is very critical, we will have to do our best to ensure that the justice is given to those people who have suffered. Therefore Sir, I would suggest that not only more Police Station should be set up but logistical facilities like facilities of movement, strengthening of wireless organisation so that messages could be immediately

given to the nearest Police Station. We want that the District Police must be strengthened and armed forces impartial and intelligence system are made effective and efficient so that they can collect information about violence, unearth gun factory here and there and then inter State movement of criminals and terrorists. If we can strengthen our Police Force, armed forces are made impartial, I am sure. Sir, normal situation would prevail in future in the State. Sir, unless we can have normaley, there will be no development. We have only 300 crores plan money. If there is no normaley, the people will not be able to work. It would be quite difficult to implement the 20 point programme. Therefore Sir, it is most vital point to strengthen the law enforcing force so that people can work and a sense of security to their lives and properties prevail. With these few words, I support the Demand for Grant of the Police Department.

*Speech not correct.

*শ্ৰীপূৰ্ণ বড়ো—উপাধ্যক্ষ মহোদয়, আৰক্ষীৰ শিতানত দাবী মঞ্জুৰীৰ কৰ্ত্তন প্ৰস্তাৱ প্ৰসংগত মই দুআষাৰ কবলৈ বিচাৰিছো। আমাৰ গণতান্ত্ৰিক বাতাবৰণ সৃষ্টিৰ ক্ষেত্ৰত আপোনালোকে পুলিচৰ সংখ্যা বৃদ্ধি শান্তি শৃঙ্খলা ৰক্ষা কৰাৰ কথা কৈ আহিছে। কথা হল যে, বিভিন্ন সভা সমিতি পাতিবৰ বাবে পুলিচৰ অনুমতি বিচাৰিব লগা হয়। তেতিয়া এচ, দি, অ, লেভেলত পাবমিচন প্ৰথমে পাৰমিচন বিচাবে আৰু এচ, দি, অই পাবমিচন দিয়ে পুলিচৰ পৰা অনুমতি লৈ। কথা হল নবমেলচি বেষ্টৱ হোৱাৰ কথা কৈছে। অৱশ্যে দেখা গৈছে যে, অনুমতি নোপোৱাকৈ বিভিন্ন ঠাইত সভা সমিতি আদি হৈ আছে। তেনে অৱস্থাত আজি নৰমেলচি আহিছে বুলি অনুনতি নোহোৱাকৈ অন্তঃত মেল মিটিং পাতি প্ৰতিবেদন কৰা প্ৰয়োজন হৈছে সেই সময়তে আমি

দেখিছো যে, বাধা আহিছে। এই বাধা পুলিচৰ পক্ষৰ পৰাই আহিছে। অধিক সংখ্যক পুলিচ নিয়োগ কৰিলেই যে শান্তি শৃংখলা অটুত থাকিব সেইটো আমি আশা কৰিব নোৱাৰো। কাৰণ আৰক্ষী সকলে সাধাৰণ নিৰিহ মানুহৰ ওপৰত জোৰ জুলুম চলাই থকাৰ বাতৰি পোৱা গৈছে। বাতৰি কাকতত বিভিন্ন খবৰ ওলাইছে আৰু ৰেডিঅতো মাজে সময়ে খবৰ ওলাইছে। আজিৰ দৈনিক অসম বাতৰি কাকতত 'পুলিচৰ লকআপতমৃত্যু' বুলি এটা বাতৰি প্ৰকাশ পাইছে। বাতৰিত প্ৰকাশ যে, যোৱা ১৪।৩।৮৪ তাৰিখে দিনৰ তিনি বজাত বকো থানাৰ লকআপত মঃ তালেব আলী নামৰ এজন আচামীয়ে ডিঙিত বিচনাৰ চাদৰ মেৰিয়াই থানাৰ খিৰিকীত ফাঁচ লগাই মৰা ঘটনাই বকো থানা এলেকাৰ ৰাইজৰ মনত কৌতুহলৰ সৃষ্টি কৰিছে। বকো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই ৪ দিনৰ বাবে উক্ত আচামীজনক জেৰা কৰিবৰ বাবে আদালতৰ বিচাৰপতিৰ পৰা জিম্মাত আনিছিল। এই ব্যক্তিজন হয়তো নিশ্চয় দাগী ব্যক্তি যি জনৰ মৃত্যু পুলিচৰ লকআপত হল। হয়তো এনে-ধৰণৰ মাৰপিত হল যে, মানুহজনৰ থানাত মৃত্যু হল তেনে অৱস্থাত খিৰিকীত গামোচা লগাই আৰি থোৱাতো একো আচৰিত কথা নহয়। আজিৰ এই অৱস্থাই হৈছে। আনহাতে চোৰ ডকাইটিৰ উত্পাত, দুবৃৰ্ত্তৰ উত্পাত বাঢ়ি আছে। যতে ততে মানুহক জুলুম কৰা হৈছে। সেইবিলাক পুলিচে ৰক্ষা কৰিব পৰা নাই। আজি মানুহ দুবৃৰ্ত্তৰ হাতত নিহত হৈছে। আৰু বহুতো লোক মৃত্যু বৰণ কৰিবলগা হৈছে।

অধ্যক্ষ মহোদয়, যোৱা কালিৰ 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশ পাইছে যে, দুবৃৰ্ত্তৰ আক্ৰমনত মৃত্যু। ইয়াত কোৱা হৈছে যে, শোনিতপুৰ জিলাৰ বিহালী লোকপ্ৰিয় এম, ই, স্কুলৰ প্ৰধান শিক্ষক আৰু বিহালীৰ দৈনিক অসমৰ নিজা বাতৰি দিওতা শ্ৰীচন্দিকা প্ৰসাদ সাহুক কালি সন্ধিয়া কোনোবা দুবৃৰ্ত্তই তেজপুৰ চহৰৰ স্নায়ু কেন্দ্ৰত চোকা অস্ত্ৰৰে গুৰুতৰ ভাবে আহত কৰাৰ ফলত তেওঁৰ মৃত্যু হয়। আজি এই মৃত্যু ৰোধ কৰিব পৰা নাই। দুবৃৰ্ত্তই হত্যা কৰিয়েই আছে। ৰক্ষা কৰিব পৰা নাই। আৰু এটা খবৰ বাতৰি কাকতত ওলাইছে যে, 'বৰযাত্ৰীৰ ওপৰত আক্ৰমন' বাতৰিত ওলাইছে যে, অলপতে বিবাহ কাৰ্য্য সম্পন্ন কৰি সৰভোগৰ ৰহাৰ পৰা উভতি অহাৰ বাটত বৰপেটাৰ বৰযাত্ৰী দল এটা দুবৃৰ্ত্তৰ দ্বাৰা আক্ৰান্ত হয়। ফলত লৰা

ছোৱালীকে ধৰি দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰ আঘাতত কেইবাজনো আহত হয়। তাৰে চাৰিজনক চিকিৎসালয়ত চিকিৎসাধীন কৰোৱা হয়। ৰাইজে কৈছে যে, ১৪৪ ধাৰা বলবৎ থকাৰ মাজতো এক শ্ৰেণীৰ লোকে লৰা তিৰোতাকে ধৰি নিৰপৰাধী বৰ যাত্ৰীৰ ওপৰত সশস্ত্ৰ আক্ৰমণ চলোৱাৰ প্ৰয়াস কেনেকৈ পালে। এইবিলাক খবৰ বাতৰি কাকতত প্ৰকাশ পাইছে। আমি খবৰ পাইছো যে, মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত হাইলাকান্দিৰ টাউনত দুমাইল দুৰৰ লক্ষীবন গাৱঁৰ শ্যামল চৌধুৰীৰ ঘৰত ডকাইটি হৈছে। ডকাইটে ধৰি বান্ধি নাঙঠ কৰি গিৰিহতক মাৰপিত কৰি ভৰিত গুলিয়াইছে। ঘৈণীয়েককো হাত দুখন ভাঙি দিছে। কেচুৱা লৰাটোকো মাৰপিত কৰিছে। কাচাৰ জিলাত ডকাইটি বৰকৈ চলি আছে। সেই সময়ত কিশোৰ কুমাৰ নাইট হোৱা বাবে পুলিচ ব্যস্ত থাকিবলগা হৈছিল। এই ডকাইটি বিলাকৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে? এইদৰেই মই নিজৰ অঞ্চলৰ কথাকে কও। বৰবাৰী নামৰ এখন গাৱঁৰ দুঘৰ মানুহৰ ঘৰত ডকাইটি হৈছিল। ডকাইট কোনে কৰিলে পুলিচে খবৰ নাপালে। পিচদিনা পুখুৰীপাৰ গাৱঁৰ পৰা ৬ জন মানুহ লৈ আহিল। তাৰে ভিতৰত এজন এল, পি স্কুলৰ শিক্ষক আছিল নাম শান্তিৰাম বড়ো। গোৰেশ্বৰৰ আৰক্ষী থানাৰ পুলিচে এনেভাৱে মাৰপিত কৰিছে আৰু পুলিচে কৈছে যে, ঘৈণীয়েকে পিন্ধি থকা কানৰ গহনা যদি ডকাইটি কৰি অনা বুলি স্বীকাৰ নকৰে তেনেহলে মাৰি মাৰি শেষ কৰিব। তেতিয়া এল, পি স্কুলৰ শিক্ষকে স্বীকাৰ কৰাত জামিনত খালাচ দিছে। যি দুঘৰ মানুহৰ তাত ডকাইটি হৈছিল তেওঁলোকক মাটি সুধাত কলে যে, এই গহনা তেওঁ-লোকৰ নহয় আৰু তেওঁলোকে শিক্ষৰজনক সন্দেহো নকৰে। তেনেস্থলত এই ব্যক্তি জনক যোৰ জুলুম কৰা হৈছে। আমি জানো যে, আজি আন্দোলনৰ প্ৰতি ভিন্ন মত পোষণ কৰা ব্যক্তি সকলে নিজৰ গাওঁ ত্যাগ কৰি বহুদিন দুৰত থাকিব লগা হৈছে। নিজৰ গাৱঁলৈ পৰ্যন্ত যাব পৰা নাই। কথা হল যে, সেই মানুহ বিলাক এনে এটা অৱস্থাত চলি আছে হোৱেৰএজ পুলিচৰ আউট পষ্ট আছে। ৰঙিয়া থানাৰ দিমো এটা পুলিচ আউট পষ্ট। মহেশ ডেকা নামৰ এজন লোক নিৰ্ব্বাচনৰ পাচত বহুদিন ঘৰলৈ যোৱা নাছিল। এবছৰমানৰ পাছত ঘৰলৈ উভটি গল। ওচৰতে আউট পষ্ট থকা বাবে আশা কৰিছিল যে, নিশ্চয় পৰিস্থিতি ভাল হৈছে। গতিকে

তেখেত কোনো অসুবিধা নোহোৱাকৈ ঘৰলৈ গল। তাৰ পিচত যোৱা ১৩ ফেব্ৰুৱাৰী তাৰিখে তেখেতৰ ঘৰত বোমা বাষ্ট হৈছে। আৰক্ষী আউট পষ্ট ঘৰৰ কাষতে আছে অথচ এই ঘটনা ঘটিবলৈ পালে। আমি জানো যে, আৰক্ষী সকলে দাগী বা উগ্ৰলোক সবলৰ প্ৰতি দৃষ্টি ৰাখে। গতিকে এনেধৰণৰ ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে ব্যৱস্থা কৰিব লাগে। গতিকে ইয়াৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ কৰিছো।

কাজেই এই নিপত্তাহীনতা। আমি দেখিছো যে অশান্তি কাল চোৱাত ক্ষতিগ্ৰস্ত লোকৰ মাজত পুলিচ চকীসমূহ ৰখা হৈছে। কাৰণ আন্দোলনৰ উগ্ৰ সমৰ্থক সকলে হুমকি দি থাকে যে পুলিচ উঠাই নিলে দেখা যাব। আজি যাতে অৱস্থাৰ আৰু বেছি অৱনতি ঘটিব নোৱাৰে সেই কাৰণে পুলিচ বিভাগে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হৈ আছে। আমি জানো যে বহুত কেচ দিয়া হৈছিল, আচামি চিনও পোৱা হৈছিল, এই বিলাকৰ একো ব্যৱস্থা কৰা আমি দেখা পোৱা নাই। কোনোবা কলেজৰ প্ৰিঞ্চিপাল, কোনোবা প্ৰবক্তা আৰু কোনোবা শিক্ষক। এই সকলে হয়তো ডকাইটি কৰা নাছিল, কিন্তু ঘৰ জলোৱা কামত লাগি থকাৰ অভিযোগ আমি পাইছো। এওঁলোকৰ একো ব্যৱস্থা কৰা নাই।

উপাধক্ষ্য মহোদয়, মই অলপমান কৈয়েই শেষ কৰিম। বিধান সভা আৰম্ভ হোৱা ঠিক আগদিনা ৰঙিয়া মহকুমাৰ অন্তৰ্গত কয়াঁ থানাৰ আৰক্ষীয়ে এজন দাগী মানুহক ধৰিবলৈ গল। তেওঁ চালত উঠিল, ব্লাংক ফায়াৰ কৰা হল, কিন্তু ধৰিব নোৱাৰিলে ঘৰত জুই দি পলাই গল। এইটো এটা বৰ সাংঘাটিক ঘটনা নহয়। কিন্তু নিৰপৰাধী মানুহবোৰক মিচাতে হাৰাশাস্তি কৰাটো ৰাইজেও নসহে আৰু আমাৰো আপত্তি আছে। দাগীজনক ধৰি আনক, শাস্তি দিয়ক তাত আমাৰ আপত্তি কৰিবলৈ একো নাই। কুএগ থানাৰ অ'চি নুৰুল ইচলামে মানুহক বৰ অত্যাচাৰ কৰিছে। এই কথাটো মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে ব্যৱস্থা গ্ৰহণ কৰে। আমি সাধাৰণ পুলিচৰ বিৰোধী নহয়। যিসকল অন্ততঃ শান্তি ৰক্ষাৰ কাৰণে নিয়োগ কৰা হৈছে সেই সকলে হয়তো নিৰপৰাধী লোকক হাৰাশাস্তি নকৰিব। কিন্তু

নিৰপৰাধী লোকক হাৰাশাস্তি কৰিবৰ বাবে যদি বেছি পুলিচ নিয়োগ কৰিব লগা হয় তেন্তে তাত আমাৰ অতি আপত্তি থাকিবই।

এইখিনি কথা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

*Speech not corrected

Shri Silvius Condpan—Mr. Deputy Speaker, Sir, I rise to support the demand tabled by our hon'ble Chief Minister for administration of Police and oppose the cut motion tabled by my friends in the Opposition. I would like to put forward some suggestions to this department so that this department will function well, really for the interest and the security of the people of the State. Mr. Deputy Speaker, Sir, the department of Police is one of the very very important departments of the State. Why I call it a very important department, Sir? Because, this department is the custodian of the security of the life and property of the people of the State. It is a department which is responsible to maintain peace and tranquility, communal harmony and so on and so forth. It has got a gigantic responsibility to the people of the State. Therefore, Sir, this department needs a lot to gear up its activities in different spheres and to remove the lapses. The Government has to make available the facilities needed by the officers while discharging their duties. Sir, you know it very well that there are police stations in different areas of the State where there is no vehicle and even there is no transport facility within the police station area. Such facility should be made available to them so that they can come to the rescue of the people

whenever it is needed. So Sir, from my experience, as I have been much closely associating myself with this Department during the last 6 years of my public life in connection with the grievances of my people—I have seen that there has been lack of transportation facilities. There are areas in the remote places of the State where there are no vehicles in Police Stations, but there are good many armed and unarmed police men in those stations. Also there are police stations in remote places where vehictes were provided but the vehicles remained out of order for months together; either there is no money to purchase spare parts and repair them or there is no money to buy petrol and so on. I have also seen sir, that vehicles are provided in different than as but were taken away by some police officers for their transport. Of course, their using these police station vehicles is also not unfair because they have not been provided with vehicles. As a matter of fact, sir, in Mangaldoi an S.P. was posted but he was not provided with a vehicle and he had to get a vehicle from the thana and has been using it for the last six months. Several times we approached the Government to look into this and solve this problem. Again sir, this is one aspect I would like to submit through you for information of the Hon. Chief Minister so that steps are taken for providing transport facilities to those police stations where really these are badly needed by the Police for discharge of their duties and responsibilities quickly and efficiently. Secondly sir, in many places there are no equipments in the police

stations. Vehicles equipped with transmitters are necessary to transmit messages from one police station to another. This is not there. This aspect also will have to be looked into by the Govt. Again sir, where motor vehicles cannot be readily provided, atleast some motor cycles should be available there for the police people to move quickly for investigation and other purposes. Now a days, in many rural areas there are good roads atleast for plying of motor cycles. Arrangements of motor cycles should be made so that services of the police can reach a place quickly whether they are needed. I have seen sir, there is frustration among the police officers in lower strata. They have to work hard. No doubt there are lapses here and there, but this is a fact that they have to work very hard and there is no incentive, proper incentive for their hard work. Promotional prospects are not available to all. Promotions are not affected in time and very much delayed in case of officers posted in remote places. Their files on promotions do not easily move and they cannot come to Dispur and take steps so that their promotion files rapali move. Sir my point is that incentive by way of promotion should be provided in right time. There is other kind of incentives also. There should be arrangements for those police officers and men posted in thanas in for away places where they are required to work hard and discharge their responsibilities for the security of lives and properties of the people, so that they are duly awarded in cash and kind and it is left to the Govt. to see that their services are

clearly recognised for the hard work.

Next sir, I have seen, there are women police. I have my experience in Janata Bhavan with women police, sir, I do not know what kind of selection was there to recruit women police. Women police as they are at present, do not understand the explanation given by people whom they interrogate for passess and entry passes, this pass or that pass. I do not think we have right type of women police here. There are intelligent women with very good health and persoanlity, desiring to serve as women police, and they should be recruited. There should be proper selection. Sir through you I would like to make suggestion to our Hon. Chief Minister for arranging proper selection of women police.

Sir my next suggestion is that there are many places far far away from existing polic stations. There are places where people have to walk a long distance to reach a police station to report about some theft or some dacoity committed and the like and it takes many hours or even a day altogether to reach police station. Even during rainy season they have to wait for long till the river water subsides so that they can cross it to reach the polic station and by the time they reach and the police comes to the spot the whole evidence of the case is destroyed. Police reaches for some consolation but prosecution fails. Sir, I suggest that all these remote areas should be surveyed, every nook and corner of the State especially in border areas where people genuinely need the presence

of some police out-posts and where the existing police out-posts are needed to be up-graded. Time has come sir, when a survey should be carried out throughout the State regarding the need of police outposts and police stations for safeguarding the lives and properties of the people of the State.

With these suggestions, sir, again I support the Demand for Grant tabled by the Hon. Chief Minister for the administration of police and oppose the Cut Motion tabled by my friend in the opposition. Thank you sir.

Mr. Dy Speaker—Now Hon. Member, Shri Binoy Kruma Basumatari will speak.

*Shri Binoy Kumar Basumatari—Mr Deputy Speaker sir, I rise to support the Cut Motion tabled by my friends, Shri Das and Shri Boro. Sir, the total allocation for the administration of 'Police' as proposed is Rs. 68,26,43,500/- Sir looking at pages 2-3 of Vol, II, part V, we find against 4 (D) 'Criminal Investigation' a sum of Rs. 6,56, 66,000 under General Non-Plan and a sum of Rs. 18,000 under Sixth Scheduled Non-Plan are provided. Now this total sum of Rs. 6,56,84,000 accounts for more than 10 per cent of the total provision, for the criminal investigation. But sir, as the........

Hon'ble Members of this House have been repeatedly saying that there are so many docoities, murders and

other heinous crimes are carried out in this State, this allocation of Rs. 6 crores on criminal investigation does not recommend proper justification for such a small expenditure. Sir, according to the charges levelled by the Hon'ble Members it is evident that criminal investigation has been totally failed. Sir, in the case of criminal investigation, we find that there are no provision under suspicion. Sir, rom the western countries I visited I find that no policemen is authorised to arrest a maon on suspicion and no person or community is allowed to be harassed or terrorise as in the case of ours. Sir, the practice in the civilised country is that when an arrest is made, the grounds of arrest must be stated in the Court of Law and the persons who are arrested should be convicted. Sir, according to their provision the police man is to very careful of what he does. Now, sir, in our country we do not find this. But since we nave a now Govt. and our Hon'ble Chief Minister is a very dynamic person we expect that when an arrest is made and the person who is arrested must be found guilty. We have to make a beginning some where in this country. We have to make some sort of objective to the policeman and officers we have to see that the common mon are not grounded or atepped upon by the highhande dness of police-man and officers. Now, sir, there is a provision of promotion in the Western Countries for the policeman and that is granted to him on the basis of his performances. When a policeman has made an arrest—it will be seen whether his arrest was justified in the court of

law or not. His total number of arrests-vis-a-vis the total number of conviction in the court of law will be taken in to consideration at the time of his promotion. If a policeman is made 12 numbers of arrest in a month and out of that 7 (seven) nos are thrown out in the court then this man is never promoted. This is the position in the Western countries. But here, sir, we do not have any such provision. Sir, a nation is judged by his action. Sir, this sort of new rules and provisions should be followed in our police Administration. Secondly, sir, under the provision-Special Police-Rs. 17 crores hav been made. What is that provision ? Probably under this provision Govt. is to meet the expenditure for the police forces brought from outside the State, such as, from Bihar, U.P. & M. P. etc. Now, sir, a big drain is made from the State Exchequer to pay for the police personnel brought from other States and that implies that we have no reliance on our own people and our people cannot be controlled by our own policeman or the Govt. have no confidence on our own policeman. Sir, this is a big amount and a big drain is made from the State Exchequer. To componsate from this drainage, we can raise more vigilence staff thpoughout the State & it is likely to benefit the people and in this respect Govt. is also not required to pay such a huge amount from the State Exchequer. It is a fact that our people have no confidence on our policeman. So is the case with the Govt. and our Govt. have no confidence on its own policeman. Sir, here I would like to cite an instance. 6 boys from Udalguri

were arrested when they were returning from Boko and they were detained one month in a police Station and S. P. incharge of area had completed those boys to make a 'confession' and to be signed by them. The S. P. inspired the boys to have the confession saying that they were asked by the Dy. Minister, Govt of India, Mr. Thungan to go to some assamese villages and to said those villages. In this way he wanted to inspire the boys to make the confession and put their signature. Immediately after that the S. P. thought that he should not involve any Minister in such a confession. Therefore, he wants to change it. Sir, I have this only to inform the House that a high-ranking police officer is trying to inspire the boys to a false confession and to substantiate his position he did not hesitate to adopt falsehood. Sir, this sort or news and secrets are also coming out from the police sources and as a matter of fact th s news has also come out in national and internatonal magazines. This is also published in 'India Today'—a famous magazine. Sir, publication of such news from the police source clearly proves what ahendard we are having in our police organisation. Then, sir, I would like to mention that the S. P. wanted to prove all over the world the tribals to be anti-assamese and anti-naticnal. Sir, from this we can som to the conclusion that the Deptt. has no control over the police offers. As a matter of fact a vested interest has developed in the police force and if this is allowed to continue then there is no hope to correct them. Then, sir, under the Head Suspence Account' Rs. 5.24 lakhs will be spent. Probably this expenditure will be made for the maintenance of C. R. P. E.

Now at page 5 of the budget the allocation for Secret Service expenditure is Rs. 50 thousand and if we go further down at page 15 we find that another allocation for secret service is Rs. 12 lakhs. So, I think there is some problem about projecting the correct picture on this allocation under Secret Service Expenditure. From these it is apparent that a sizeable amount is allocated for secret service. Sir I do not wish to criticise the working of the secret service because I do not want to know how they are running their organisation. But the question is what is the purpose of having a secret service. Is it to counter and get advance information on anti-national activities or anti-state activity ? Or is it to get advance information of the activities of other people like MLAs and others ? Under this Secret Service expenditure, as far as I understand, it should be limited to the activities of finding out anti-national elements and anti-national plans and programmes. In the floor of this House I had brought in 1st time several charges aginst government officers conducting armed training camps in the various forests. When I approached the highest officers of the state 1st year, he was found absolutely blank and he could not say if it was there. After a few days he said that these things were there. Some people from other side comes and tents are built in the forests and the Police wing of the State say that they do not know. How can we depend on this. So, I do not know whethe this allocation of 12,50,000/ will be spent properly or not. Sir, I have my doubt about the working of this

Secret Service. I have here a public appeal about this Secret Service. Sir, you know about the holocaust at Gohpur last year. This secret service took more than one year to find out the criminals or people involved in the holocaust there at Gohpur and this is also very unbelievable position.

What happened is that on 9th Feby. 83 one person, on 11th Feby/83 3 persons, on 19th Feby/83 8 persons and on 27th Feby/83 5 persons were arrested from Joycity and Solaikati village in Biswanath Charali and they have not been arrested on crimkral actitivies. Here the appeal says that just because they were following the PTCA they were arrested. When the police raided the house of Shri G. Narzary they has taken one Hero bi-cycle with them; the village granary was run by Sri Amrit Basumatary and the only collection of 15 bags of paddy i.e., about 32 maunds of paddy were also taken away by the police. If the purpose of the raid was to arrest the people then how could they take the cycle and paddy ? Under with law they can seize things like cycle and paddy while arresting the criminal people ? Not only that. I have a log list of things which were taken away by the police on 27th Feb/84. From the house of one person the followings were taken away by the police. 3 hand radio—1, cycle—1, torchlight—1, knife—1. Can the police seize the radios and cycles ? If we have detailed study of the activities of the State, we may really become very depressed and not only that there

are some uncouth officers in the Police. On the 25th January, 84 I was coming to Tangla from hom to fill my car with fuel. While approaching that place I was stopped by a policeman, an S. I. and when he saw my P. S. O heignored. 5 minutes after filling up fuel in my car when we came he again stopped my car and behaved in a manner that I cannot describe. I told him that I was an M.L.A. and then he kept quiet. When I had disclosed my identity and said that he had got to pay proper respect he said that he did not care for any M.L.A, Minister or anybody.

He was such a rude fellow; immediately people gathered at Tangla. If he was alone I would have broken his nose. This sort of people are there in the Police. I do not know how he could behave like this even after knowing my identity. He had the courage to treat us like this. If we are treated like this, how is about the common man ?

(Sri Tazummul Ali Laskar, while sitting, wanted to know the name of that Police officer). He is unfortunately Shri Moinul Hoque. Our learned friend Shri Condpan said that the woman police of Assam have bedragled appearance. Sir the woman police in Londan are so pretty and nice that they are the craze of the society there now. The judges, parliamentari are and the filmsters there want to marry them in London.

*Speech not corrected.

শ্রীনেপাল চন্দ্র দাস—মাননীয় উপাধ্যক্ষ মহোদয়, এই পুলিশ বাজেট সমর্থন করে আমার কিছু বক্তব্য তুলে ধরছি। সঙ্গে সঙ্গে আমি এই বিভাগের উপর যে কর্তন প্রস্তাব এসেছে ইহার বিরোধিতা করছি। সর্ব প্রথমে যাহা সবচেয়ে বেশী প্রয়োজন—পুলিশের প্রতি জনসাধারনের যে ভীতি রয়েছে ইহা দুর করার চেষ্টা করা। এই কাজ করতে হলে আমাদের পুলিশদেরকে ট্রেনিং'র ব্যবস্থা করতে হবে যাতে তাহাদের মনে একটা পরিবর্তন আসতে পারে। স্যার, আমরা দেখতে পাই যে গ্রামের জনসাধারনের সঙ্গে পুলিশের যে ব্যবহার করা দরকার সেই ব্যবহার গ্রামের মানুষেরা পাচ্ছে না। তাই পুলিশের উপর মানুষের যে একটা ঘৃণা ও ভীতি ভাব রয়েছে ইহা মোটোই দূর হচ্ছে না। এইদিকে আমাদের সতর্ক দৃষ্টি দেওয়ার দরকার বলে আমি মনে করি। পুলিশের যাহাতে সেই মনোভাব দূর হয় তার জন্য আমাদের চেষ্টা করতে হবে।

উপাধ্যক্ষ মহোদয়, আমার এরিয়ার কাটিগড়া থানার অধীতে গুমড়া নামক জায়গায় একটা পুলিশ চেক্‌পোষ্ট আছে। গুমড়া জি পি'র বেশীর ভাগ লোক সিডিউল কাষ্ট। পুলিশ তাদের উপর নানা প্রকার জুলুম করে থাকে। তারা মাছ বিক্রী করতে আসলে পুলিশের লোকে বিনামূল্যে মাছ নিয়া যায় এবং পয়সা দেওয়ার কথা বললেই নানা প্রকার অত্যাচার তাদের উপর করে। তাহারা প্রায়েই মাছ বিক্রী করবার জন্য শিলচর যাইতে হয়। বিনামূল্যে মাছ না দিলে তাহাদেরকে শিলচর মাছ নিয়া যাওয়া অসম্ভব হয়ে পরে। কিছুদিন আগে এই গুমড়া চেক্ পোষ্টের একজন এ এস আই একজন ফিসার ম্যানের সঙ্গে মাছ নিয়া গণ্ডগোল হওয়ার জন্য তাকে প্রহার পর্যন্ত করা হয়। এস পি'কে ইহা জানানোর পরউক্ত এ এস ইকে মাত্র সেখান হইতে বদলি করা হয়েছে। সেই এ এস ই একদিন গুমড়া জি পি'র প্রেসিডেণ্টকে এসাণ্ট করেছিল। আমি নিজে গিয়ে এস পি'কে ইহা বলায় ডি এস পি দ্বারা তদন্ত করে প্রমানিত হয় সেই এ এস ই জন দোষ করেছে। কিন্তু কোন একশন নেওয়া হয় নি। আমি এস পি'কে জিজ্ঞাসা করিলে তিনি বলেছিলেন যে দোষী সাবস্ত হওয়ায় সে এপোলজি চেয়েছে। আর কোন শাস্তি তাকে দেওয়া হয় নি। এইসব ঘটনা পুলিশ বিভাগে সব সময়ই চলছে।

উপাধ্যক্ষ মহোদয়, আর একটা ঘটনার কথা উল্লেখ করছি। সেটা হলো গুমড়া জি পি'র মহাদেবপুর পার্টট্'তে একটা বি এস এফ্ কেম্প আছে। উক্ত বি এস্ এফ্ কেম্পের পুলিশ সেখানকার গ্রামের জনসাধারনের সঙ্গে সর্বদাই গণ্ডগোল এবং অত্যাচার করিতেছে। একদিন রাত্রে এই কেম্পের এক পার্শ্ববর্তী বাড়ীতে একটা শব্দ হয়েছিল উচ্চস্বরে কথা বলার। কেম্পের পুলিশ সেই শব্দ পেয়ে ঐ বাড়ীতে গিয়ে জিজ্ঞাসাবাদ করে। সেই বাড়ীর এক ছেলে বাহির হয়ে এসে বলে ইহা আমাদের ব্যক্তিগত ব্যাপার। ছেলেরা দুষ্টামী করেছিল। তাই এই গোলমাল হয়েছে। কিন্তু কেম্পের পুলিশেরা তাহাকে বেদম প্রহার করেছিল। সেই রূপ রাজারটিলা জি পি তেও বি এস এফ কেম্পের পুলিশগণ স্থানীয় লোকগণকে নানান অত্যাচার করে। ফিসার ম্যানদের প্রায়ই শিলচর যাইতে হয়। মাছ বিক্রী করার জন্য এবং বাড়ীতে ফিরতে অনেকদিন যাতাযাতের অসুবিধার কারনে রাত্র হয়ে যায় এবং রাত্রে কেম্পের পুলিশগণ তাহাদিগকে পাইলেই আটকাইয়া নানা প্রকার অত্যাচার করে। জি পি'র প্রেসিডেন্ট ও কাউন্সিলারদের আইডেন্টি ফিকেশন করা স্বত্বেও তাহাদের উপর অত্যাচার করে থাকে। যাতে এ সব ঘটনা ভবিষ্যতে না ঘটে ইহার জন্য বিহিত ব্যবস্থা লওয়ার জন্য মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করছি।

অধ্যক্ষ মহোদয়, বিশেষ করে আমি হাইলাকান্দির কথা বলছি। গত জুলাই মাসে মাত্র ১৫ দিনের মধ্যে হাইলাকান্দি শহরে ২০-২২টি নানা ধরনের চুরি ও ডাকাতির ঘটনা ঘটেছে। এর মধ্যে গভঃ অফিস ও ষ্টেটফেডের গুদাম পর্যন্ত আছে। কিন্তু আচর্যের কথা আজ পর্যন্ত পুলিশ কাউকে ধরতে পারেনি এবং কোন তদন্ত পর্যন্ত হয়নি। এ ছাড়া কিছুদিন আগে মার্চ মাসের ৪ তারিখ হাইলাকান্দি থানার অধীন বোয়ালাপার 'এ শ্রীশ্যামল চৌধুরীর বাড়ীতে ডাকাতী হয়। ডাকাতরা বাড়ীর লোকদিগকে সিরিয়াসলী ইন্‌জুর করেছে। এসব লোকেরা এখনও হাসপাতালে আছে। ৫ তারিখে ভাটিরত্নপার এক দাস'র বাড়ীতে ডাকাতি হয় এবং গত ফেব্রুয়ারীর শেষ ভাগে ডাকাতি হয় বড়বন্দগ্রামে। একটার পর একটা ডাকাতি হয়ে চলেছে। ইহার কোন তদন্ত পর্যন্ত হচ্ছে না। ডাকাত ধরাতো দূরের কথা। পুলিশ চোর ডাকাত ধরবে, অসামাজিক লোককে শাস্তি দিবে না তাহাদের নিজে-দের মধ্যে যে জগড়া ইহা ধূর করবে। ২৫ ই জুলাই থানার মধ্যেই রাত্রে থানার বড় বাবু ও ছোট বাবু মারামারি করে এবং ৫ দিন পর হাইলাকান্দি

সারকেট হাউসে রাত্রে থানার ও সি ও সি আই জুয়া খেলা নিয়া উপয়ের মধ্যে মারামারি হয়। ইহা পরে জনসাধারন আসিয়া নিঃস্পত্তি করে। কাজেই এদিকে আমাদের দৃষ্টি দিতে হবে যাতে এসব বন্ধ হয়।

Mr. Speaker—I think the Honourable Members of the House are aware that the First Orientation Seminar for the Legislators will be held on March 24, and March 25, 1984. Detailed programme of the Seminar has already been circulated to all the Honourable Members to make it convenient to attend and participate in the seminar on both days. Since the purpose of the Seminar is to discuss in detail the Parliamentary Practice and Precedure relating to various business of the House, I hope that the Honourable Members will not kindly keep any enaggement on these two days so that, they can freely partipate in the discussion and join in other functions. I hope with the co-operation of all members we will be able to show the desired respect to the Honourable Speaker, Lok Sabha and Honourable Deputy Chairman, Rajya Sabha.

The House now stands adjourned till 2.30 p. m.

শ্রীমথুৰা ডেকা—উপাধ্যক্ষ মহোদয়, আজি আমাৰ বিৰোধী পক্ষৰ পৰা গৃহ বিভাগৰ ওপৰত এটা কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰিছে আৰু সেই প্ৰস্তাৱৰ ওপৰত মই মোৰ কেইটামান বক্তব্য ৰাখিবলৈ থিয় হৈছো। গৃহ বিভাগটো নহলে অমাৰ নচলে। আৰু কেলেঙ্কাৰীও গৃহ বিভাগতে। এইয়াই হল সমস্যা, অগতে আমি পুলিচক গালি পাৰো, এতিয়া কিন্তু পুলিচক সাদৰি লৈছো এনেকুৱাও পৰিস্থিতি কেতিয়াবা হয়। উপাধ্যক্ষ মহোদয়, এতিয়া আমি এই পৰিস্থিতিত তাল মাৰি চলি থাকিব লাগিব। নহলে উপায় নাই। পুলিচে

যেতিয়া আনক পিটে আমি ভাল পাও, কিন্তু আমাক পিটিলেহে আমি গালি পাৰো তেতিয়া বেয়া লাগে।

(সদনত হাহিৰ ৰোল উঠে—)।

তেতিয়া আমি পলাই ফুৰিছিলো তেতিয়া পুলিচ বিভাগ আমাৰ শত্রু আছিল। বৰ যন্ত্রনা দিছিল সেই সময়ত। আৰু আমিও সেই সময়ত পুলিচক কেনেকৈ অত্যাচাৰ কৰিব পাৰো পুলিচক ফাণ্ডত পেলোৱাৰ চেষ্টা কৰিছিলো, মাজে মাজে অৱশ্যে কৰিছিলোও।

এতিয়া কথা হল আমাৰ এই গৃহ বিভাগটোৰ ভিতৰত বহুত কোটি টকা সোমাই আছে। দলং ৰক্ষীৰ বিভাগতে প্ৰায় ১৭ লাখ মান টকা আছে। গৃহ ৰক্ষীৰ বিভাগটোৰ শিতানটো টকা আছে আৰু এটা আছে যিটো সকলোৱে বেয়া পায় সেইটো হল এন্টিকৰাপ্‌চন বিভাগ। এই বিভাগটোতো বহু টকা আছে। এই বিভাগটোৰ বিষয়ে মানুহে কয় তেওঁলোক নিজেই কৰাপ্‌টেড্‌ গতিকে এই কৰাপ্‌টেড মানুহ বিলাকে এন্টিকৰাপচন বিভাগ চলাব কেনেকৈ? তাৰ পিছতো আৰু বহুত টকা বিভিন্ন শিতানত ধৰা আছে। মই এইবাৰ কৰ্ত্তন প্ৰস্তাৱ দিয়া নাছিলো, ভাৱিছিলো মুখ্যমন্ত্ৰী মহোদয়ে নিজেই দণ্ডি ধৰিছে যেতিয়া নকলেও হব ইয়াৰ ওপৰত, কিন্তু পিছত দেখিলো বহুত টকা, বহুকোটি টকা দেখিলো অলপ কোৱাই ভাল হব বুলি ভাবিছো। কথা হল পুলিচ বিভাগৰ যি কৰ্ম্ম তত্‌পৰতা, সেই কৰ্ম্ম তত্‌পৰতা প্ৰশাসনীয় বিভাগটো ক্ৰমান্বয়ে শোচনীয় কৰি নিছে। আগৰ বন্ধু সকলে কৈছে যে আমাৰ প্ৰশাসনীয় ব্যৱস্থাটোৱে বৃটিছ যোৱাৰ পিছৰ পৰা, আৰু আমাৰ স্বাধীনতাৰ পিচত ক্ষমতা হাতত পৰাৰ লগে লগে মানুহক কৰ্ম্মৰ ওপৰত প্ৰমোচন দিবলৈ এৰিলো। আৰু চিনিয়ৰীটীৰ ওপৰত প্ৰমোচন দিয়া কৰিলো। কালিও এটা এনেধৰণৰ কথা উঠিছিল বন বিভাগৰ ওপৰত। যদি এনেবুৱাই হৈ থাকে তেতিয়াহলে কিছুমান মানুহে একো আশা কৰিব নোৱাৰে। মাজে মাজে ১০০ টকীয়া পুৰস্কাৰ হয়তো পাইছে আৰো আষ্ট্ৰপতিৰ পৰা পুৰস্কাৰ হয়তো পাইছে। কিন্তু প্ৰমোচন আদিৰ ক্ষেত্ৰত একো কৰা নাই। যি মানুহে দুঃসাধ্য কামবোৰ কৰে তাৰ ওপৰত ভিত্তি কৰি দুই এজনক অন্ততঃ প্ৰমোচন দিয়াৰ ব্যৱস্থা ৰাখিব লাগে। তেতিয়াহে তেওঁলোকে কামত উৎসাহ পায় নহলে পুলিচ বিভাগৰ পৰা আমি যিটো বিচাৰিছো সেইটো নাপাম।

মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁলোকৰ কৰ্ত্তব্যৰ ওপৰত ভিত্তি কৰি প্ৰমোচনৰ ব্যৱস্থা কৰিব লাগে। সেইটো নহলে পুলিচৰ পৰা আমি যিটো বিচাৰো সেইটো আশা কৰিব নোৱাৰো।

ইয়াৰ পিছত মাননী উপাধ্যক্ষ মহোদয়, 'পপুলেশন পেটাৰ্ণ'ৰ যি কথা কোৱা হৈছে সেই প্ৰসঙ্গত মই কওঁ যে, কিছুমান ক্ষেত্ৰত এইটো নকৰিলেও নহয় আৰু কিছুমান ক্ষেত্ৰত কৰিলেও বিপদ। মহাৰাষ্ট্ৰত কেইখন মান গাওঁ আছে যিকিখনত কেইখনমান গাওঁ 'চিভিউণ্ড' কৰি ৰাখিছে। এই কেইখন গাওঁৰ পৰা লৰা আহিলেই পুলিচত ভৰ্ত্তি কৰে। বৃটিছৰ যুগৰ পৰাই এইটো চলি অহিছে, এতিয়াও চলিয়েই আছে। গতিকে 'পপুলেশন পেষ্টাৰ্ণ' নহলেও বিপদ। ভোট আহি পৰে। হলেও প্ৰশাসন নচলে। গতিকে এই পৰিস্থিতিৰ মাজেদিয়েই আমি চলিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি কেৱল পুলিচক দোষ দিলেই নহব, দুৰ্নীতি সকলো বিলাক বিভাগতে আছে। যোৱা নিৰ্ব্বাচনৰ সময়ত বহুত মানুহৰ চাকৰি গল, বহুত কৰ্ম্মচাৰী নিলম্বিত হল। কিন্তু তাৰ পিছত সেই সকলোৱে চাকৰি পালে, 'এৰিয়াৰ' হিচাবেও বহুত টকা পইছা পালে। কিন্তু তুৰ্গতি হল আমাৰ পুলিচ সকলৰ। চাকৰিত সোমোৱাৰ দিনৰ পৰাই তেওঁ-লোকে মানুহ কোবোৱাৰ কাৰণে কোনেও ভাল নেপায়। সেই সকলৰ হাতত মানুহ নেথাকে। গতিকে তেওঁলোক 'চাছপেণ্ড' হলেও তেওঁলোকৰ বিষয়ে কবলৈ কোনো আগবাঢ়ি নাহে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ জিলাতে মিউনি-চিপেলিটিৰ কাৰ্য্যবাহী বিষয়া জনক বহুবাৰ বদলিকৰা স্বত্বেও তাৰ পৰা নাযায়। বিভিন্ন জিলাত বেলেগ বেলেগ পদাধিকাৰি হৈ থাকোতে এই বিষয়া জনৰ বিৰোদ্ধে নানান বিলাক কীৰ্ত্তিৰ অভিযোগ আছে। এইবাৰ কিন্তু শিৱসাগৰত ভালদৰে খোপনি পুতি লৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এনেবুৱা বিষয়া বিলাকেই আমাৰ ইয়াত চলি আছে। 'হাইকৰ্টে' এটা ৰায় দিলে শিৱসাগৰ জিলাৰ বজাৰৰ সংক্ৰান্তত কিন্তু সেই বিষয়া জনে তাক নেমানে। গতিকে পুলিচে মানিব কেনেকৈ? পুলিচ বাধ্য হৈ দুৰ্নীতি কৰিবলৈ বাধ্য। যোৱা আন্দোলন আৰু নিৰ্ব্বাচনৰ পৰিপ্ৰেক্ষিতত চাকৰি যোৱা নিলম্বিত হোৱা প্ৰায় বিলাকেই চাকৰি পালে, নিলম্বিতকৰণৰ মুক্ত হল কিন্তু যি সকল পুলিচৰ এই বিলাক হল তেখেত সকলে হলে তেনেকৈয়ে থাকিব লগা হল। কিয়নো

সকলোৰে হকে কবলৈ মানুহ আছে, কিন্তু নাই কেৱল পুলিচ সকলৰ বিষয়ে কবলৈ। বকোত নিলম্বিত হোৱা তিনিজন পুলিচ কৰ্মচাৰি তেনেকৈয়ে থাকিল। আমি সকলোকে সমান দৃষ্টিৰে চাব লাগে। তেতিয়াহলেহে, আমাৰ দেশখন আগুৱাই যাব, আমাৰ প্ৰশাসন নিকা হব। কিন্তু এই খিনিতে এটা কথা কোৱা ভাল হব যে, শাসনত অধিষ্ঠিত দলৰ ক্ষনতা বেছি। যিবিলাক মানুহে পাৰ্টিটোক সমৰ্থন কৰা নাছিল, সদায় বিৰোধীতা কৰি থাকে সেই কাৰণে ক্ষমতা হস্তগত হলে সেই পাৰ্টিটোকে আৰু চৰকাৰক সমৰ্থন কৰা হয়। জনতা ভৱনৰ গেটতেই হওঁক বা বিধান সভাৰ গেটতেই হওঁক, প্ৰতি দিনে কিমান ধৰণৰ কাজিয়া পেচাল আদি পুলিচৰ লগত লাগি আছে। মই অমুক, মই তামুক, মই আমুক পাৰ্টিৰ সভাপতি, চেক্ৰেটেৰী ইত্যাদি। এই বিলাক অভিযোগ আমি সদায়েই পাই আহিছো। ফলত আমাৰ পুলিচসকল হতাশ হৈ যায়। জনতা ভৱনত এজন নেতাই বেগত চুৰি পৰ্য্যন্ত লৈ গৈছিল। বেগ চুবলৈ নিদিয়ে। পিছত যেতিয়া বেগটো খুলি চোৱা হল তাত চুৰি কটাৰী ওলাই পৰিল। হলে কি হব? পুলিচৰ হকে কবলৈ কোনো নাই। এইটোৱেই হৈছে আমাৰ পৰিবেশ, সমাজৰ অৱস্থা। মোকো পুলিচে গেটত বাধা দিছে কিন্তু মই সেই বিলাক মানি লৈছো। তাৰ কাৰণে কোনো প্ৰতিবাদ কৰা নাই। বিধায়ক হিচাবে-চিনি নোপোৱাৰ কাৰণেহে এইটো হৈছিল। পিছত যেতিয়া চিনি পালে সকলো থিক হৈ গল।

মাননীয় উপাধ্যক্ষ মহোদয়, বহুদিন আগতে মই এবাৰ ভোটত উঠিছিলো। মই থানাত গলো থানাই সুধিলে কিয় আহিছে? মই কলো আপোনাৰ অলপ সহায় বিচাৰি আহিলো। আপোনাৰ হাতত বহুত চোৰ আছে, তেওঁলোকে মোক ভোট দিব কব লাগে আপোনালোকে চোৰবোৰক যদি কয় তেনেহলে মই জিকিম। এজন হাকিমৰ কথা কওঁ। পুলিচ বিষয়াই চোৰবিলাক ধৰি আনি থানাত ৰাখিব মোৰাৰি চালান দিয়ে আদলতলৈ ৰাতি দিনে কষ্ট কৰিও চোৰ বিলাকক ধৰি আনে, বৰ্ত্তমানে চোৰজনক জামিনত দিব নেলাগে, আচামী ধৰিবলৈ বাকী আছে কাৰনেও হাকিমে খালাচ দিয়ে। তেতিয়া পুলিচে হাকিমৰ ঘৰতে চোৰ কৰিবলৈ নিৰ্দ্দেশ দিলে। এদিন হাকিমৰ ঘৰতে চোৰ কৰিলে। তেতিয়া হাকিমে পুলিচ অফিচাৰক মাতি নি কলে যে এই চোৰ বিলাকক ধৰিব লাগে। তেতিয় পুলিচ অফিচাৰে কলে, মই চোৰ বিলাক ধৰি আনো আৰু

আপুনি খালাচ দিয়ে গতিকে চোৰৰ মইমতালি বাঢ়িবই। বৰ্ত্তমান এই অৱস্থাই চলি আছে। অৱশ্যে পুলিচে টকা লৈ অন্যায় কৰি আছে। তাৰ কাৰণে আমি এখন আইন কৰিব লগা হল। এজন লোক নেতা হলেও হাকিমে খালাচ দিয়ে। তাৰ কাৰণে আইন এখন আনিব লগা হল। এজন ডাৱোগা আছিল। সেই ডাৰোগাজনে এনেকুৱা কিছুমান দুৰ্দান্ত চোৰক তত্ক্ষণাত চালান দিলে সিহতক থানাত ভৰ্ত্তি কৰি, কিন্তু সিহতক এৰি দিলে। যোৱা মেট্ৰিক পৰীক্ষাৰ সময়ত আজিকালি মেট্ৰিক চেন্টাৰ—

মাননীয় উপাধ্যক্ষ— সময় কম আছে।

উপাধ্যক্ষ মহোদয়, মানে এখন সভা হয়। গাৱৰ মনুহবোৰে পৰীক্ষা চাব যায়। এই সভা চলি আছে। তাত মনুহক পুলিচ, চি, আৰ, পিয়ে কনট্ৰোল কৰিব নোৱাৰে। আন এজন ডাৰোগাই দুই চাৰিজন মনুহক কোবাই দিয়াত মানুহ বিলাক চত্ৰভঙ্গ দিলে। পৰীক্ষাৰ্থী সকলক কি বি, এ, পি, উ, মেট্ৰিক আদি সকলোতে ভিতৰৰ পৰাই হওঁক বাহিৰৰ পৰাই হওঁক নকল চাপলাই দিয়ে। অৱশ্যে মানুহ বিলাকক কোবোৱাৰ পিছত বাহিৰৰ চাপ্লাইটো বন্ধ হৈ গল। বুঢ়াগাওঁ চহৰত দুজন লৰাক হত্যা কৰা হল। এজন হল নগেন সাহা আৰু আনজন চৌহান। দুয়ো ঘৰৰ লৰা দুজনক হত্যা কৰি সেই গাৱৰ মঠাউৰীৰ সিপাৰৰ মানুহে তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাই আছে। সদায় সৰুসুৰা ঘটনা চলি আছে। মঠাউৰীৰ সিপাৰৰ মানুহবিলাকে শান্তিত থাকিব নোৱাৰি তাৰ পৰা আতৰি গৈছে। এই বিষয়ে থানাত জনাইছে এচ, পি, ক জনাইছে। ইয়াৰ পৰা হুকুম গৈছে। কিন্তু তাত পুলিচ বিযয়াই একো নকৰে। তেওঁলোকৰ নিৰাপত্তা নাই। পুলিচৰ কোনোবা ভাল কোনোবা বেয়া থাকে। সেই বেয়া জনৰ কথা কৈ বেয়া কৰা এইটো ডাঙৰ কথা। মই মুখ্য মন্ত্ৰী মহোদয়ক এটা কথা কওঁ তেওঁলোকে যথেষ্ট প্ৰশিক্ষণ পোৱা আগৰ পুলিচ নাই। এই পুলিচ বিলাকক কিছুমান ভাল প্ৰশিক্ষণ দিব লাগে। পুলিচে যাতে অত্যাচাৰ নকৰে যদি ভাল চিন্তা কৰে তাৰে প্ৰশিক্ষণ দিয়া ভাল হব। তেখেত সকলক সামাজিক বিজ্ঞানৰ দৰে শিক্ষা দিলে পুলিচে কেনেকৈ নিজ কৰ্ত্তব্য ভালদৰে পালন কৰিব। তেওঁলোকে বাতিয়ে দিনে চেলাম দি থাকোতে যায়। উপাধ্যক্ষ মহোদয়, পৰামৰ্শ দিব খোজা নাই। কথা হল ৰাজনৈতিক প্ৰভাৱ পুলিচৰ ওপৰত পৰিব নেলাগে। কিছুমান নেতাই এম, এল, এ, ও

নহয় মন্ত্ৰীও নহয় নিজকে ডাঙৰ মানুহ বুলি দেখুৱাব খোজে। কোনোবা নেতাই গুৱাহাটীৰ পৰা লক্ষীমপুৰলৈ গলে থানাবিলাকত সোমায় আৰু বদলি হোৱাৰ কথা পুলিচ বিলাকক কয়। এইটো আদেশ বন্ধ কৰি দিম বুলি তেওঁলোকৰ পৰা টকা লয়। এই ৰাজনৈতিক প্ৰভাৱ আতৰাব লাগে। যাৰ ওপৰত আমি আশা ৰাখিছো, সময়ে সময়ে নিৰাপত্তা নোহোৱা হয়। তেওঁলোকক লৈয়ে আমি নিৰাপত্তাত থাকো। ৰাজনৈতিক প্ৰভাৱ যাতে পুলিচ কৰ্ত্তিপক্ষৰ ওপৰত নেযায় তালৈ চাব লাগে। সমাজৰ প্ৰভাৱশালী লোকসকলে পুলিচৰ বিপদ আদিৰ কথা কৈ নানা ফণ্ডী পাতি বেয়া কামবিলাক কৰি আছে। এই প্ৰভাৱশালী লোক সকলেই চোৰ। প্ৰভাৱশালী লোকৰ হাতত মন্ত্ৰী এম, এল, এ, থাকে। পুলিচক হাতত ৰাখি এইসকল লোকে সমাজত নানা অন্যায় কুকীৰ্ত্তিবোৰ কৰি থাকে। প্ৰভাৱশালী লোকৰ পৰা পুলিচক মুক্ত কৰাৰ চেষ্টা কৰক, এয়া মোৰ মুখ্য মন্ত্ৰীৰ ওচৰত অনুৰোধ। প্ৰতিখন থানাতেই আপুনি গম পাব। এই বিলাক মানুহ চোৰ। এবাৰ মই এজন পুলিচ ইন্‌চপেক্টৰক কৈছিলো যে টাউনৰ সোনাৰী বিলাকে দীৰ্ঘদিন খাটিও ধন ঘটিব নোৱাৰে কিন্তু গাওঁৰ সোনাৰী বিলাকে ৩ মাহৰ ভিতৰতে কিয় অৱস্থাবান হয়। কথাটো ইন্‌চপেক্টৰজনৰ মুৰত লাগিল আৰু পিচদিনাখনেই গোটেই সোনাৰী গাওঁখন ঘেৰাও কৰিলে আৰু তেতিয়াৰ পৰা চোৰ কমি গল। এনেকৈ প্ৰভাৱশালী মানুহ যেতিয়া পুলিচে ধৰে তেতিয়া পুলিচ জনৰ বিপদ হয়! তেওঁক ট্ৰেন্সফাৰ বা অন্যান্য ধৰনে জুলুম কৰা হয়। আজি কালি চহী নো কি, চহী বিচাৰিলেই চহী পায়। বৰ ভাল বুলি কলেও চহী পায় আৰু বৰ বেয়া বুলি কলেও চহী পায়। মুঠতে ভাল হওক বেয়া হওক চহী বিচাৰিলে চহী দিব। গতিকে পুলিচে সদায় যুদ্ধ কৰিব লাগে অকল চোৰৰ লগতেই নহয় আন কিছুমান মানুহৰ লগতো যুদ্ধ কৰিব লগাত পৰে। শিৱসাগৰ জিলাৰ ডেৰগাৱত গুৱাহাটী সচিবালয়ত কাম কৰা এজন উচ্চপদস্থ বিষয়াই তেওঁৰ ভায়েকক এচিদ ধালি কণা কৰিলে। চুপ্ৰিম কোৰ্টে তেওঁক এৰেষ্ট কৰাৰ কাৰণে ৰায় দিলে কিন্তু আজিও পুলিচে তেওঁক ধৰা নাই। আৰু ঘটনাৰ অনুসন্ধান পৰ্য্যন্ত নাই। নথিপত্ৰ মোৰ হাতত আছে। এনেকুৱা ধৰণৰ কথাবিলাকত প্ৰশাসন নিকা হব লাগে। প্ৰশাসন যদি নিকা হয় তেনেহলে ফুটবল যেনেকৈ দৌৰে ঠিক তেনেকৈ পুলিচো দৌৰি থাকিব

আৰু এটা কথা যোৱা বাজেটখনত আলোচনা কৰা হৈছে। যোৱা বেলি মুখ্যমন্ত্ৰী মহোদয়ে কৈছে তিনি ঠাইত পুলিচ বিলাকৰ ঘৰ আদি বনাই তেওঁলোকৰ পৰিয়াল বিলাকক সা-সুবিধাৰ লগতে ৰক্ষণা-বেক্ষণো দিব। অৱশ্যে এতিয়াও হৈ উঠা নাই। হয়তো টকা পইছাৰ অসুবিধাৰ কাৰণে হোৱা নাই। অন্ততঃ এই পুলিচৰ কৰ্ম্মচাৰী সকলে তেওঁলোকৰ লৰাছোৱালী বিলাকক লগত লৈ ফুৰিলে শিক্ষা আদিৰ ক্ষেত্ৰত অন্ততঃ বেয়া হোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ লগতে আৰু বহুত কথা আছে। যেতিয়া পুলিচ বিলাক বাহিৰত যায় তেতিয়া তেওঁলোকৰ পৰিয়ালৰ কথা তেওঁলোকে চিন্তা কৰি থাকে। যোৱা আন্দোলনৰ সময়ত বহুতো পুলিচ বিষয়াই তেওঁলোকৰ পৰিয়ালক ৰক্ষা কৰাৰ কাৰণে আন্দোলনকাৰীক সমৰ্থন কৰিব লগা হৈছিল। নহলে আন্দোলনকাৰীয়ে পৰিয়াল শেষ কৰি দিব। গতিকে এই সকলো বিলাক কথা আমি চাব লাগিব। উপাধ্যক্ষ মহোদয়, আপোনাক আমনি নিদিও, আপুনি বেল বজালে যেতিয়া উলংঘা কৰা হব। মই যিটো কথা কলো সেইটো হৈছে পুলিচৰ প্ৰমোচন বিলাক যোগ্যতা ভিত্তিত হব লাগে। অকল তেওঁলোকক পুৰস্কাৰ দিলেই নহয় তেওঁলোকক পেইড আপ পুৰস্কাৰো দিব লাগে। তেতিয়া তেওঁলোক নিকা হব আৰু ৰাজনৈতিক প্ৰভাবটো আতৰাব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Debesh Chakraborty—Mr. Deputy Speaker Sir, I rise to support the demand for grant placed before the August House by the Hon'ble Chief Minister to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Police", and oppose the Cut Motion tabled by the learned opposition Members Shri Hemen Das and Shri Purno Boro. Sir, this House is the reflection of the wishes, desires and aspiration of the people and through this House we can come to a conclusion about the happening and administration of a particular Department

and it is also the projection of the image of the Government. Sir, in this respect I would like to tell you Sir, that it is not from ourselves but from the learned opposition members, we came to the conclusion that the functioning of the particular Department is very good, very satisfactory and it is worthy. Sir, let us remember the day on which the first Assembly of this House, the opposition of the House on the day of discussion on Police took place, we all very much agreed, we were very much disturbed, we all very much concerned about the functioning of the then Government and more particularly the functioning of the Police Department, because there was accumulation of crimes, accumulation of grievances and injustices. Now Sir, within a span of one year, the House has turned a jubilant one and it is the opposition members to have created jubilant atmosphere in the House. Sir, we have nothing to say. We passed the entire time with constructive suggestion with proper humour. We enjoyed. It is heartening to note that the functioning of the Police Department was very good. So Sir, it is very good sign for the Government, for the State and for the people. Sir, my Hon'ble members have suggested one thing which is very pertinent and correct. This is lack of investigative capacity on the part of the Department. There is a reason that the entire Police force with an unusual situation has to maintain law and order of the State. I have seen that if a particular O/C or A.S.I. decides to investigate a case, he has to see that it does not create law and order problem. So, they

have to work in such a way that peace is not disturbed because of his investigating a case. Now Sir, the situation has come under control and accumulation of crime, to some extent, has lessened. So it is time for the Government to give to investigation, to investigate the criminal cases. This is very necessary, Sir. I shall request the hon'ble Chief Minister through you Sir, to give proper attention for the investigation of the criminal cases because it is necessary to be controlled for the larger good of the society. Now, Sir, the activities of the Police D partment is satisfactory. When a few days back I was coming from the railway station at Guwahati some of my friends approached me and asked me 'why don't you tell our Chief Minister to give reward to a constable' and I think our hon'ble Chief Minister is also aware that a particular constable has detected a good number of cartridges at Guwahati railway station. Those cartridges might very well have been used for subversive purposes. So, I would request the hon'ble Chief Minister to reward this constable to enthuse them to serve with dedication. Sir, I have seen some officers who are very much dedicated to their work who say that 'we are policemen, we have got no caste, we have got no religion. When we wear uniform our only religion is the Penal Code'. Sir, there are a good number of police officers like that and if their services can be properly utilised by providing them with certain opportunities, then I think this Department will be a good department with good reputation. Sir, certain genuine grievances of the Police Department,

as has been pointed out by so many learned members, these should be mitigated. When I was touring in my constituency I was told in one than a they have got a bus only for moving whereas a jeep is necessary for that. They have no quarters as well and they keep their families at different places and they are to fend for themselves. So provision of quarters for policeman is also necessary. Sir, there is a suggestion I want to place before the Government if you want to improve the standard or investigative capacity of the Police Department this should be done from the lower rung of the ladder, that is from the thana level. Now the standard is deteriorating and it is to be improved and for that at intervals some sort of camp or training is necessary for the police personnel. Sir, the very word 'police' has got a particular meaning and the police should work according to the spirit of that word. Another thing, Sir, and it pains me very much to tell it here, is an incident which happened in 1980. It was not in our time and at that time I belive, the entire police force was demoralised and actions of certain persons, constables brought slur on the entire Deportment and these things should be checked. That incident took place at Sarthebari Police Outpost at the peak hour of the agitation. The linguistic minority people of the area were afraid of an attack and one Sadhucharan with his family and minor daughter took shelter in Sarthebari Outpost on 5.7.80. On 6-7th night one night duty constable came and forcibly separated the minor girl from the police outpost and put her in a room,

put out the light and raped her and subsequently some other persons also raped her and as a result she was injured. A case was registered, the number being 173/1/80 under section 342/246 IPC. It now appears there was a co spiracy to hush up the case. Sir, this is not a crime against linguistic minority but it is against entire humanity and these blackshieps should be found out and punished. This will uphold the sense of responsibility among the police officers. So, I would request the hon'ble Chief Minister to apply his power and order proper investigation so that this innocent girl gets proper justice. With that I conclude, Sir, and oppose the cut motion and support the demand for grant.

*শ্রীতজমূল আলী লস্কর—উপাধ্যক্ষ মহোদয়, আমি পুলিশ বাজেটের উপর উত্থাপিত কর্তণ প্রস্তাব সমর্থন করে কয়েকটি কথা বলবো। মাননীয় সদস্য শ্রীনেপাল দাস মহাশয় হাইলাকান্দির সার্কেল ইন্সপেক্টর ও এসি'র কার্যকলাম এবং ওখানে যে চুরি ও ডাকাতি হচ্ছে সে সম্বন্ধে বিস্তারিত আলোচনা করেছেন। এবং এই সব চুরি ডাকাতির যে কোন প্রতিকার হচ্ছেনা সে কথাও বলেছেন। উপাধ্যক্ষ মহোদয়, এসব ঘটনা মূলতই ঘটছে কাছাড়ে যিনি এস পি আছেন তার জন্য। এই এস পি সাহেব সব সময়ই গান-বাজনা, লালচারেল শো ইত্যাদি নিয়েই ব্যস্ত থাকেন। বোম্বাই থেকে, কলিকাতা থেকে আরটিস এনে তিনি প্রায়ই শিলচরে একটার পর একটা অনুষ্ঠান করে লক্ষ লক্ষ টাকার টিকিট এখানকার এসি ও অন্যান্য অফিসারদের মাধ্যমে বিক্রী করাচ্ছেন। এইসব পুলিশ অফিসাররা এই এস পি সাহেবের কথা শুনতে বাধ্য থাকেন। নতুবা তাদেরে থানা থেকে উইড্রো করে রিসার্ভে রাখা হয়। এইসব ব্যাপারে অনেক সময় চোর ডাকাতদের কাছ থেকেও টাকা আদায় না করে পুলিশ অফিসারদের উপায় থাকে না এবং এর বিনিময়ে অনেক সময় চোর ও ডাকাতদেরও কিছু কিছু সাহায্য করতে

হয়। এই এস পি'র কর্যাকলাম সম্বন্ধে আমাদের মুখ্যমন্ত্রীর কাছে অনেক রিপোর্ট করা হয়েছে। কিন্তু কোন ফল আমরা পাই নাই। আমরা সব সময় শুনে থাকি যে একজন এম পি'র হস্তক্ষেপেই নাকি এই এস পিকে বদলি করা সম্ভব হচ্ছে না।

মহোদয়, শিলচরে একজন পুলিশ অফিসারকে আমাদের মুখ্যমন্ত্রী মহোদয় পোষ্টিং দিয়েছেন তাঁর নাম হলো শ্রীঅলোক শঙ্কর দত্ত। তিনি ১৯৮০ ইংরাজীতে মুসলমান সম্প্রদায়ের অনেক লোককে গুলিয়ে গুলিয়ে হত্যা করেছেন। এই ভাবে কাজ করার জন্য তার বিরুদ্ধে অনেক কম্পপ্লেন দেওয়া হয়েছে যে তিনি ইম্পার্শিয়েল অফিসার নন্, তিনি মুসলমান বিদ্বেষী লোক। তাঁকে সরিয়ে না হয় কোনও একজন হিন্দু ভদ্রলোককে সেই যায়গায় দেওয়া হয়। এই ব্যাপারে কাছাড় থেকে কয়েকজন এম এল এ মুখ্যমন্ত্রীর নিকট ডেপুটেশনে গিয়েছিলেন, এমন কি সঙ্গে একজন মন্ত্রীও ছিলেন। কিন্তু সব কিছুই উপেক্ষা করে এই অফিসারকে এখানে দেওয়া হয়েছে। এই ভদ্রলোকটির বাড়ীও শিলচর টাউনে। এই গত সপ্তাহেও একটা ঘটনা ঘটেছে। সাহা বলে টাউন সাব ইন্সপেক্টর একটা ছেলেকে এমন ভাবে মেরেছে যে তার হাড় ভেঙ্গে গিয়েছে। এ নিয়ে মুখ্যমন্ত্রী মহোদয়ের নিকট কম্প্লেন দেওয়া হয়েছে এবং ফলে তার সাসপেন্সন অর্ডারও হয়েছে। কিন্তু এই অর্ডার কম্যুনিকেট করার আগেই শিলচর থেকে লোক এসে গেছে সেই অর্ডার ভেকেট করার জন্য। আমি জানি না কি হবে কিন্তু আমি অনুরোধ করব যেন এই রকম দোষী অফিসারকে যেন কঠোর শাস্তি দেওয়া হয়।

মহোদয়, আজ আমরা দেখতে পাই যে সংখ্যালঘু লোকের উপর পাইকারী হারে নির্যাতন চলছে। ইদানিং শিপাঝার থানা এলাকায় ১১ জন লোককে হত্যা করা হয়েছে।

মহোদয়, পাথারকান্দিতে সাবডিভিশনেল হেড্ কোয়ার্টার করার জন্য হিন্দু মুসলমান, মনিপুরী প্রভৃতি সকল সম্প্রদায়ের লোক ডেমোনষ্ট্রেশন দিয়েছিল। দুর্ঘটনাবশতঃ সেখানে একজন এস ডি সি মারা যান। সেটা কোনও সাম্প্রদায়িক ঘটনা নয়। কিন্তু আজ সেই অজুহাতে পাইকারী হারে শত শত মুসলমান লোককে এরেষ্ট করা হচ্ছে। তারা নিশ্চিতে ঘরে ঘুমাতে পর্যন্ত্য পারছে না। এই নিয়ে মুখ্যমন্ত্রী মহোদয়ের নিকট বার বার প্রতিবাদ করা স্বত্বেও কোনও

প্রতিকার হচ্ছে না। গৌহাটী হাইকোর্টে এসে এন্টিসিপেটরী বেইলের জন্য আবেদন করলেও তা নাকচ হয়ে যাচ্ছে। তাই, আমি মুখ্যমন্ত্রী মহোদয়কে বলতে চাই যে সংখ্যালঘু সম্প্রদায়ের লোককেদের রক্ষার জন্য হোম মিনিষ্ট্রি থেকে যে ১৫ দফা কার্যসূচী করা হয়েছে সেটা কোথায়, সমস্ত কিছু অবজ্ঞা করে আজ এই সম্প্রদায়ের লোকের উপর নানা রকম অত্যাচার চলছে।

মহোদয়, কাছাড়ে দিল্লী থেকে একজন এম পি ডেকে এনে গ্রামে গজে ঘুরিয়ে লুঙ্গি পরা। দাড়িওয়ালা মুসলমান দেখিয়ে বলা হয়েছে যে কাছাড়ে বাংলাদেশী মুসলমান লোক ভর্ত্তি হয়ে গেছে। ভদ্রলোক বাংলাভাষাও জানেন না।

নাম-শ্রীখান্দোওয়াল। তিনি গিয়ে শ্রীপি সি শেঠিকে কম্প্লেন দিয়েছেন যে। কাছাড়ে বাংলাদেশী মুছলমান ভর্ত্তি হয়ে গেছে। কিন্তু আমাদের মুখ্যমন্ত্রী মহোদয় নিজেও রাজ্যের গৃহমন্ত্রী ছিলেন তিনি ভালভাবে জানেন যে কাছাড়ে অন্ততঃ বাংলাদেশী মুছলমান নাই। কিন্তু কাছাড়ের একটি পত্রিকা "গতি" গত ১৭ মার্চে এই ভাবে লিখেছে যে ভিন্‌দেশ থেকে হাজার হাজার মুছলমান সম্প্রদায়ের লোক এসে কাছাড়ে নানা সমস্যার সৃষ্টি করছে ইত্যাতি। সেই পত্রিকা আবেদন করছে যে দিশপুর থেকে যেন এই ব্যাপারে তদন্ত করে দেখা হয়। কিন্তু এই তদন্ত হলে পুলিশ লোককে হয়রানি করবে। এসব রিপোর্ট ভিত্তিহীন। এ রকম ভিত্তিহীন খবর যাতে পত্রিকাগুলি না ছাপাতে পারে বিশেষতঃ সংখ্যালঘু সম্প্রদায়ের বিরুদ্ধে-তার ব্যবস্থা করা উচিত।

মহোদয়, আমাদের পুলিশের বর্ডার সেন উদ্দেশ্য পূরনে সম্পূর্ণ ব্যর্থ হয়েছে। বর্ডার এলাকার কোনও রক্ষনাক্ষেন দিতে পারছে না। তার প্রমান, ১৯৭২ ইং তে এসেম্বলি ইলেকশনে শিলচর টাউন সমষ্টিতে ভোটারের সংখ্যাছিল ৬২ হাজার। ১৯৭৯ ইংরাজীতে সেই সমষ্টিতে ভোটারের সংখ্যা হয়েছে ৮৪ হাজার। ২২ হাজার ভোটারের সংখ্যা বেশী। আমার মনে হয় ভারতে এখন কোনও সমষ্টি নাহি যে এই ক' বছরে ২২ হাজার ভোটারের সংখ্যা বৃদ্ধি পেয়েছে। কিন্তু সেখানে একজনও সংখ্যালঘু ভোটারের সংখ্যা বৃদ্ধি হয় নি। এই ব্যাপারে আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি যে কি ভাবে যে সেখানে বাংলাদেশী লোকের আসা যাওয়া চলছে তা নজীরবিহীন। একটা উদাহরণ দেব। শ্রীউমেশ চন্দ্র দেব। এফ-চি আই'তে ফোর্থ গ্রেডের কাজ করে। সে

কিছুদিন আগে টি বি রোগ হয়েছে বলে ১৮ মাসের ছুটী নিয়ে বাংলাদেশ চলে যায় এবং সেখান থেকে লণ্ডনের পাসপোর্ট ভিসা নিয়ে ১৪ মাস লণ্ডনে চাকুরী করে। সে আবার ফিরে এসে এফ সি আই'তে জয়েন করেছে। মেডিকেল সার্টিফিকেট নিয়েছে ত্রিপুরা থেকে। আমি মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করব যেন তিনি এই ব্যাপারে তদন্ত করেন।

মহোদয়, দিল্লী থেকে প্রধান মন্ত্রী, আমাদের মুখ্যমন্ত্রী সেকুলারীজমের কথা বলেন, শান্তির বাণী প্রচার করেন কিন্তু দিল্লীর একটি বিভাগ আছে সেটা হলো এস এস বি। এই বিভাগে কোনও সংখ্যালঘু সম্প্রদায়ের লোককে নিয়োগ করা হয় না। এরা গ্রামে গ্রামে টাউনে টাউনে গিয়ে লোকেদেরে নানা ট্রেনিং দেয়—সংখ্যালঘু লোকের বিরুদ্ধে কাজ করার জন্য। গত দাঙ্গায় সময় নওগাঁ এবং অন্যান্য অঞ্চলে এই এস এস বি'র লোক গুলিয়ে গুলিয়ে সংখ্যা-লঘুর লোককে হত্যা করেছে। আমি মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করব যাতে আসাম থেকে যেন এই বিভাগকে উঠিয়ে দেওয়া হয়।

মহোদয়, আমাদের মুখ্যমন্ত্রী মহোদয় অনেকবার এই সদনে বিবৃতি দিয়েছেন যে পুলিশ বিভাগে সংখালঘু লোকের অভাব। আমি বলতে চাই যে সৈয়দ মজিবুর রহমান বলে একজন কমাডেণ্ট আছেন। তার অনেক জুনিয়র অফিসারকে আই পি এম নমিনেশ্বন দেওয়া হয়েছে। তাকে দেওয়া হয়নি। তাকে আই পি এস নমিনেশন দিয়ে জেনায় পোষ্টিং করা যায়। তিনি এখন ৮-১১ নং এ পি বেটেলিয়নের কমাডেণ্ট। দেড়গাওঁতে। আমি অনুরোধ করব মুখ্যমন্ত্রী যেন একথা বিবেচনা করেন। উপাধ্যক্ষ মহোদয়, যে জনতা সরকারের নাম শুনলে সংখ্যালঘুরা ভয়ে সিউরে উঠে—সেই জনতা সরকারও এই ভদ্রলোকের নমিনেশনের ব্যাপারে রিকমেণ্ড করেছিল। কিন্তু বর্ত্তমান সরকার তাও করেনি। তাই এই ব্যাপারটা বিবেচনা করার জন্য আমি মুখ্যমন্ত্রীকে অনুরোধ করব।

মহোদয়, আমি আরু একটা ব্যাপারে সরকারকে অনুরোধ করতে চাই এই জন্য যে মুখ্যমন্ত্রী মহোদয় বলেছেন যে সংখ্যালঘু সম্প্রদায়ের লোকে অভাবে থানায় এই সম্প্রদায়ের অফিচার পোষ্টিং করা যাচ্ছে না। মহোদয়, কাছাড়ে অনেক পুলিশ এচ আই আছে তাদেরে রিজার্ভে রাখা হয়েছে। থানায় পোষ্টিং দেওয়া হয় না। কারন কাছাড়ের এস পি সংখ্যালঘু সম্প্রদায়ের

লোককে থানায় পোষ্টিং করার ঘোর বিরোধী। রিজার্ভে আছে এমন ২-১ জনের নাম আমি বলতে পারি। ১) সামসুদ্দিন লস্কর এবং আরেকজন চর গোলায় সিনিয়র এস আই। আমার একন্ত অনুরোধ যে এদেরে যদি-ও, সি করা সম্ভব নাও হয় তাহলে যেন সেকেণ্ড অফিচার করে থানায় পোষ্টিং'র ব্যব্রস্থা করা হয়। কারন, কাছাড়ে এমন থানা আছে যেখানে একজন কনেষ্ট-বলও সংখ্যালঘু সম্প্রদায়ের নাই।

মহোদয়, আমি আর সময় নষ্ট করতে চাই না। এই বলে আমি আমার বক্তব্য শেষ করছি।

*Speech not corrected

*শ্রীচন্দ্রধৰ কলিতা—উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে মুখ্যমন্ত্ৰীয়ে পুলিচৰ শি ানত উত্থাপন কৰা দাবীৰ বিৰোধীতা কৰিছো আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য শ্ৰীহেনেন দাস আৰু শ্ৰীপূৰ্ণ বড়োয়ে উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰিছো। এই পৰিপ্ৰেক্ষিতত মাননীয় সদস্য সকলে কৈ গৈছে যে পুলিচ বিভাগটো এখন স্বাধীন দেশৰ দানুহৰ কাৰণে অতি গুৰুত্বপূৰ্ণ দিশ। পুলিচৰ ভূমিকা এটা গুৰুত্বপূৰ্ণ দিশ হিচাবে ৰাখিছো। এইখন দেশৰ পুলিচৰ কাম-কাজৰ যিটো ৰাস্তাৰ দিশ পাই আহিছো সেই ক্ষেত্ৰত নানা দুৰ্নীতি হয় এই পুলিচ বিভাগত। এই পুলিচ বিভাগটো শাসক শ্ৰেণীৰ এপাত অস্ত্ৰ হিচাপে প্ৰয়োগ হৈ আহিছে। পুলিচৰ হতুৱাই শাসনত অধিস্থিত দলে গণতন্ত্ৰৰ চিন্তা চৰ্চা কৰা বা কাম-কাজ কৰা সকলক দমন কৰাত সীমিত। ইয়াৰ কেইটামান উদাহৰণ মই দাঙি ধৰিবলৈ চেষ্টা কৰিম। চি, পি, আই (এম, এল) এটা ৰাজনৈতিক দল। শাসক দলৰ কিছুমান কৰ্ম্মীৰ কু-কাৰ্য্যৰ পদক্ষেপত আগবঢ়া এই দলৰ কৰ্ম্মীসকলৰ বিৰুদ্ধে পুলিচে দুৰভিসন্ধি কৰি নানা ৰকমে মিছা কেচ দি হাৰাশাস্তি কৰিছে। যোৱা ২২ ফেব্ৰুৱাৰী তাৰিখে আমাৰ দলৰ কৰ্ম্মী শ্ৰীহৰ গোস্বামী আৰু ভৰত ৰয়ক পুলিচে আটক কৰে। এই সম্পৰ্কত সদনত আগতে প্ৰশ্ন উত্থাপিত হৈছিল। ঘটনাটো আছিল খগেন নাথক কলবাৰীত হত্যা কৰিছিল। ইয়াৰ কাৰণ হল যে যি নিৰ্ব্বাচনৰ জৰিয়তে এই বিধান সভা গঠিত হল সেই নিৰ্ব্বাচনৰ সপক্ষে আছিল। এই নিৰ্ব্বাচনৰ বিৰোধীবিলাকক হত্যা কৰিছিল। এই ঘটনাত জৰিত আছিল লেপেন ৰয়। এই সম্পৰ্কে কোৱা হৈছে। লেপেন ৰয়ক এৰেষ্ট নকৰাৰ

কাৰণে বিভিন্ন সময়ত হোম চেক্রেটেৰী, মুখ্যমন্ত্রী, এচ, ডি, অ কোকৰাঝাৰ পৰ্য্যন্ত ডেপুটেশ্যন দিয়া হৈছিল। সেই সময়ৰ থানাৰ নেতৃত্বত হৰ গোস্বামী, ভৰত ৰয়ক এৰেষ্ট কৰিছিল। সেইদিনা ভৰত গোস্বামীৰ ঘৰত শুই আছিল আৰু ঘৰ ঘেৰাও কৰি পুলিচে এৰেষ্ট কৰিছিল। এই সম্পৰ্কত মই এজাহাৰখন পঢ়ি দিব খুজিছো।

Mr. Deputy Speaker—That is Subjectice you cannot raise it here. I cannot allow this.

শ্ৰীচন্দ্ৰধৰ কলিতা—যি নহওক শেষত সেই শুই থকা ঘৰত বোমা পৰ্য্যন্ত পোৱা বুলি নানা ৰকমে গোচৰ তৰিছে। এই ধৰণে পুলিচে হাৰা-শাস্তি কৰিছে যিবিলাক ঘটনা ঘটিছে চাবজুদিচ বুলি কৈছে। কেচটো আদালতলৈ যোৱা নাই। এইটো হল বিষ্ণুপুৰ আউটপোষ্ট মোৰ সমষ্টিত। ইনচাৰ্জ গজেম পাটগিৰি। মেজিষ্ট্ৰেটে স্বীকাৰ কৰিছে মানুহজন বাহ্যিক ভাবে ইনজুৰি হৈছে। মই আগতেও কৈছো পুলিচ আইন ৰক্ষক, সংবিধান ৰক্ষক আৰু জনসাধাৰণক নিৰাপত্তা দিয়ে। পুলিচে এজনো মানুহক তেনেকৈ মাৰপিট কৰিব নোৱাৰে। কিন্তু আমি যিটো দেখি আহিছো পুলিচ আইন ৰক্ষক নহয়, পুলিচে আইন ভঙ্গ কৰে। সেই কাৰণে মই দাবী কৰো পুলিচ বিভাগটো উঠাই দিব লাগে। দুৰ্ব্বল মানুহক ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে আধুনিক পুলিচ ব্যৱস্থা হব লাগে। আজি যিমানবিলাক দুৰ্নীতি হৈ আছে সেই বিলাকত প্ৰধান ভূমিকা পুলিচৰ।

উপাধ্যক্ষ মহোদয়, গতিকে এই পুলিচৰ ব্যৱস্থাতো সম্প্ৰসাৰণৰ ভিত্তিত সলনি কৰি দিব লাগে। আৰু যদি জনসাধাৰণৰ ওপৰত কৰি থকা অন্যায় অত্যাচাৰ অবিচাৰ আদিৰ কাৰণে তদন্ত কৰিবৰ কাৰণে পুলিচৰ হেদত টকাৰ প্ৰয়োজন হয় তেতিয়া হলে কবলৈ একো নাই। পুলিচৰ সংক্ৰান্তত বহুতো কথাই কব লগা আছে। সেইবিলাক আগতেও উত্থাপন কৰা হৈছে। মোৰ সমষ্টিৰ ওচৰত কৈৰাবা, সোন্ধাই এটা বিৰাট এলেকা নলবাৰীৰ ওচৰত আছে। তাৰ কাৰণো দেখুৱা হৈছে। যেতিয়া প্ৰাইমিনিষ্টাৰ আহিছিল তেতিয়া যি সমদল ওলাইছিল তেওঁলোকে গালৈ শিলগুটি মাৰিছিল। এইটো কথা কিমান সচা কোৱা টান। হয়তো সচাও হব পাৰে। কিন্তু সেইকাৰণেই

বিস্তৃত এৰিয়া এটাত কেইবাখনো গাৱঁত পুলিচে যি ধৰণে অত্যাচাৰ চলাইছে, মই সেই এলেকালৈ কালিও গৈছিলো। এতিয়াও কিছুমান বুঢ়া মানুহৰ পিঠিৰ কোৰ কলা দাগ পৰি আছে আৰু তিৰোতা মানুহৰ পিঠিৰ ঘা এতিয়াও শুকাই যোৱা নাই। যোৱা ১৩ তাৰিখৰ পৰা পুলিছে তাত যি সন্ত্ৰাসৰ সৃষ্টি কৰিছে, কোনো কোনো ঠাইত খুন কৰি মদ খাই পুলিচে হাহিছে আৰু গ্রেপ্তাৰ কৰা লৰা ঘৰত দেখুৱাই কৈ আহিছে তহতৰ বেটাক চাই ল শেষবাৰৰ বাবে আৰু নেদেখিবি ইত্যাদি ইভ্যাদি কথা কৈছে। মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্রী মহোদয়ৰ ওচৰত এটা নিবেদন জনাব বিচাৰিছো যে, এতিয়া পুলিচে সেই অঞ্চল বিলাকত অত্যাচাৰ কৰি আছে কোনোবা মানুহৰ ঘৰত তুখন চাইকেল দেখিলেই গধুলি পুলিচে গৈ সোধে কোন আহিছিলে? পুলিচৰ এই কাৰ্য্যৰ বাবে শোক প্ৰকাশ কৰাবো সাহস মানুহে গোটাব পৰা নাই। এইয়া হৈছে কৈবাৰা এলেকাৰ কথা। এনে ধৰণে পুলিচৰ কাৰ্য্য যদি চলিয়েই থাকে তেনেহলে মানুহ জীয়াই থকাৰ অসুবিধা হৈছে। কিবা বেয়া কামত লিপ্ত হলে পুলিচ যাব নালাগে বুলি মই কব বিচৰা নাই। অসম আন্দোলনৰ কথালৈয়ে পুলিচৰ শিতানত বহু টকা ধৰা হৈছে। বাহিৰৰ পৰাও পুলিচ অনাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ বেতবাৰী, কলবাৰী এলেকাত যি হত্যা কান্দ হৈ গল, প্ৰমান থকা স্বত্বেও পুলিচে একচন লব পৰা নাই। অথচ কিছুমান মানুহক অত্যাচাৰ কৰি চিৰদিনৰ বাবে ঘুনীয়া কৰিলে। পুলিচে যদি এনে ধৰণৰ কাম কাজেই কৰি থাকে তেনেহলে পুলিচ শিতানত টকা দিয়াটো নিৰৰ্থক। গতিকে পুলিচৰ কাৰ্য্যৰ পৰিবৰ্ত্তন হব লাগে। নহলে এই শিতানত আমি টকা খৰচ কৰিবলৈ সন্মতি নিব নোৱাৰো। গতিকে বিৰোধী পক্ষৰ ফালৰপৰা অহা এই কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰিছো।

*Speech not corrected

*শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)—মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ সদনত মাননীয় সদস্য সকলে পুলিচ বিভাগৰ কাৰ্য্য সম্পৰ্কে বহুখিনি কথা দাঙি ধৰিছে। আৰু পৰামৰ্শও আগ বঢ়াইছে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই পুলিচৰ দ্বাৰা ঠাই বিশেষে গণতান্ত্ৰিক অধিকাৰ খৰ্ব হোৱাৰ কথা

কৈছে। তেখেতে গুৱাহাটী, বৰপেটা আদি এলেকাত পুলিচৰ অনুমতি লৈ সভা সমিতি পতাৰ কথা কৈ কোকৰাঝাৰ আৰু ধুবুৰীত অনুমতি নিদিয়াৰ কথা কৈছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে অসমৰ ভালেমান ঠাইত ১৪৪ ধাৰা জাৰি কৰি থৈছো। আৰু বহুতো এলেকা আমি এতিয়াও অশান্ত অঞ্চল ঘোষণা কৰি থৈছো। সেই অঞ্চল বিলাকত পুলিচ বা জিলা প্ৰশাসনীয় বিষয়াৰ অনুমতি লৈহে সভা সমিতি পাতিব লাগে। মাননীয় সদস্যই যি দুখন ঠাইৰ কথা উল্লেখ কৰিছে ভৱিষ্যতে ৰাজনৈতিক দলে সভা সমিতি যাতে পাতিব পাৰে তাৰ ব্যৱস্থা কৰিম। পুলিচৰ অতিশয্যৰ কথা কৈ সৃজনগ্ৰামৰ কথা কোৱা হৈছে। মই খবৰ কৰি পাইছো যে, গোটেই গাৱঁৰ ৰাইজক গ্ৰেপ্তাৰ কৰা হোৱা নাই। মই পোৱা হিচাব মতে সেই গাৱঁৰ সৃজন গ্ৰামৰ হত্যাকান্দৰ সংক্ৰান্তত ৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰে দুজন লোকে জুদিচিয়েল মেজিষ্ট্ৰেটৰ ওচৰত কনফেচ কৰিছে। তেওঁলোকক গ্ৰেপ্তাৰ কৰাতো যুক্তি সংগত হৈছে। হয়তো তদন্তৰ কাৰণে বা ইনভেষ্টিগেচনৰ বাবে বহু সংখ্যক লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। মই জনাত ৬ জন লোকক এৰেষ্ট কৰা হৈছিল। তাৰে দুজনে জুদিচিয়েল মেজিষ্ট্ৰেটৰ ওচৰত কনফেচ কৰিছে। মই মাননীয় সদস্যগৰাকীৰ লগত একমত যে প্ৰকৃত হত্যাকাৰীক ধৰিবই লাগিব আৰু শাস্তি বিহিব লাগিব। আন এটা কথা যোৰহাটৰ প্ৰদীপ বৰা আৰু নিৰেন দু'ক হোৱা ১৩ মাৰ্চৰ দিনা আন্দোলনকাৰীয়ে মাৰপিট কৰিছে আৰু থানালৈ গৈ এজেহাৰ দিয়াত পুলিচৰ থানাৰ এচ, আইয়ে মাৰপিট কৰাৰ কথা কৈছে। মই নিজে এই বিষয়টো জানো। মই মাননীয় সদস্য সকলক কব বিচাৰো যে, এই ব্যক্তিজনৰ বিৰুদ্ধে অৰ্থাত যোৰহাট থানাৰ এচ, আই আৰু এ, এচ, আই জনৰ বিৰুদ্ধে বিভাগীয় প্ৰচিদিং কৰা হৈছে। মই অভিযোগ পোৱাৰ পিচতেই এচ, পিক নিৰ্দ্দেশ দিছো আৰু এচ, পিয়ে জনাইছে যে, এচ, আই আৰু এ, এচ, আই জনক ৰিজাৰ্ভত ৰখা হৈছে।

তেখেতে প্ৰমোচনৰ সংক্ৰান্তত ভালেমানকেইটা কথা উল্লেখ কৰিছে। এইখিনি কথা মাননীয় সদস্যজনে কোৱা উচিত হৈছে। পুলিচৰ তলখাপত অনেক লোক আছে, প্ৰয়োজনীয় নিদখিনি ঠিক কৰিব নোৱাৰিলে অশান্তি আহিব পাৰে। এই সম্পৰ্কে যিমান পৰা যায় ব্যৱস্থা লোৱা হৈছে আৰু

হব। মাননীয় সদস্য গবাকীয়ে পে স্কেলৰ কথা কৈছে। নতুন স্কেলত কনিষ্টবলৰ স্কেল ধাৰ্য্য কৰা হৈছে ৪২০ টকা, এ, এচ, আইৰ ৪৭০ টকা আৰু হাবিলদাবৰ ৫০০ টকা। অধ্যক্ষ ডাঙৰীয়া, এই স্কেল চৰকাৰে কৰা নাই। পে কমিচনে কৰিছে। পে কমিচনৰ খেলি-মেলিবিলাক চাই এই টকাটো অংশ বঢ়াই দিয়া হব। তেখেত ৰিক্রিমেণ্টৰ কথা তেখেতে কৈছে কনিষ্টবলৰ ১৩ টকা, হাবিলদাৰৰ ১২ টকা। এইটো ঠিক হোৱা নাই, মন্ত্রীসভাই নিশ্চয় এইটো চাই সালসলনি কৰিব পৰা হব। তেখেতে প্রমোচনৰ ক্ষেত্রত আৰু ভালেমানকেইটা কথা ডাঙি ধৰিছে। সেইবোৰ হৈছে এনে ধৰণৰ—১৯৮০ চনত কনিষ্টবলৰ পৰা এ, এচ, আইলৈ পৰীক্ষা লোৱাটো সচাঁ। ৯৭৭ জন কনিষ্টবলে পৰীক্ষা দিছিল ৮৬২ জনে পৰীক্ষা পাছ কৰিলে, তাৰ ভিতৰত ৪৫২ জনৰ প্রমোচন হল। সেইদৰে ১৯৮০ চনৰ চেপ্তেম্বৰ মাহত পৰীক্ষা হৈছিল ১৯৮১ চনৰ মে মাহত ফল ঘোষণা কৰা হল, সেইমতে উত্তীর্ণ হোৱা ৯৪ জনৰ ভিতৰত মাত্র এজনকহে নিয়োজিত কৰিব পৰা হল। ইয়াৰ কাৰণ হৈছে অধ্যক্ষ ডাঙৰীয়া, চাব ইন্সপেক্টৰ পৰ্য্যায়ত ১৯৮১ চনত চেংচন আছিল ১৮৩৯টা, বিভাগীয় নিয়মমতে শতকৰা ৫০ ভাগ প্রমোচন হব লাগে আৰু শতকৰা ৫০ ভাগ দাইৰেক্ট ৰিকুইট হব লাগে। সেইমতে ১৮৩৯টা পোষ্টৰ ভিতৰত ৯২০টা বিভাগীয় কোটাত এ, এচ, আইৰ পৰা এচ, আই দিব লাগে। কিন্তু ইতিমধ্যে বিভাগীয় এ, এচ আইৰ পৰা এচ, আইলৈ প্রমোচন আছিল ৯৭০। গতিকে সংখ্যা দেখাতেই বেছি। ১৯৮১-৮২ চনৰ সংখ্যা ৮৭, ১৯৮২-৮৩ৰ সংখ্যা ১৯৯ জন। বিভাগীয় নিয়মমতে শতকৰা ৫০ জনকহে দিব পাৰি। তেখেতে আৰু কামানদেণ্টৰ কথা কৈছে। এই পদত প্রমোচন নহয়, আই, পি, এচ আৰু এ, পি, এচৰ ১১টা পোষ্ট আছে, সেইখিনি দিয়া হৈছে। প্রমোচন দিয়াৰ ক্ষেত্রত আমিও আগ্রহী। কিন্তু বিভাগীয় নিয়মমতেহে এইবোৰ হয়।

অধ্যক্ষ ডাঙৰীয়া, মহম্মদ ওমৰোদ্দিন চাহাবে এটা কথা কৈছে ১৯৮৩-৮৪ চনৰ যোৱা মাৰ্চত বাজেট উত্থাপন কৰোতে ৫৪,১৪৯৫ হেজাৰ টকা বিচৰা হৈছিল। পিচত ১১ কোটি টকা নতুনকৈ ধাৰ্য্য কৰা হল। সেয়েহে ১৮৮৩-৮৪ চনত হলগৈ ৬৫,৪০ লক্ষ। অধ্যক্ষ ডাঙৰীয়া, এই ১১ কোটি টকাৰ ভিতৰত ৯ কোটি টকা নতুন পে কমিচনে ধাৰ্য্য কৰা ডি, এ আৰু অন্যান্য

অসুবিধাবিলাক দূৰ কৰাৰ কাৰণে খৰচ কৰা হব। ১৯৮০-৮১ চনৰ পৰা যিবিলাক গাড়ী ৰিকুইজিচনত চলি আছিল সেইবিলাকৰ বেছি ভাগেই মিবনুৱা যুবকে বেংকৰ পৰা ঋণ লৈ কিনা। সেইখিনি অনাদায় টকা ক্লিয়াৰ কৰোতে ১ কোটি ২৫ লক্ষ প্ৰয়োজন হৈছিল। ১১ কোটিৰ পৰা ১০ কোটি ৮৫ লক্ষ টকা ৰাইজৰ সুবিধাৰ কাৰণে খৰচ কৰা হৈছে। মাননীয় ওমৰাদ্দিন চাহাবে ভাল কথাই কৈছে, এই একে কথাকে দেবেশ ভট্টাচাৰ্য্যয়ো কৈছে। আমাৰ বেচবিলাক খৰতকীয়াকৈ অনুসন্ধান হোৱা নাই। সেইবিলাক চাৰ চিট হোৱা নাই হয়। ব্যক্তিগত বেচবিলাক আপত্তিকাৰীয়ে খৰটকীয়াকৈ কৰে, কিন্তু মাচ ভায়ৰেন্সৰ কেচবিলাক কৰাৰ সুবিধা নাই। এটা মনিটৰি চেল খুলি সেইবিলাক সোনকালে নিস্পত্তি কৰাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ দেশখনৰ আইন-শৃংখলা ৰখাত বেছিভাগ লোকক নিয়োজিত কৰি ৰাখিব লগা হোৱাৰ কাৰণে সেইবিলাক ৰেজিষ্টাৰ কৰি অনুসন্ধান কৰিবলৈ সময় হোৱা নাই।

মাননীয় সদস্য শ্ৰীপূৰ্ণ বৰো আৰু ২।১ জন সদস্যই ৰাজ্যখনত সংঘটিত হৈ থকা চুৰি, ডকাইটি আদিৰ কথা কৈছে। মই এইটো কথা অস্বীকাৰ নকৰো যে চুৰি, ডকাইটি হোৱা নাই বুলি। কিন্তু আমি যদি বছৰ হিচাবে চাও তেতিয়াহলে এইটো কথা দেখা পাম যে আমাৰ ৰাজ্যত ক্ৰমান্বয়ে চুৰি, ডকাইটিৰ সংখ্যা কমি আহিছে। ১৯৮১ চনত ৰাজ্যখনত সংঘটিত হোৱা চুৰি, ডকাইটি, ৰবাৰি ৰায়টিং বিভিন্ন থানাত ৰেজিষ্টাৰ হোৱা মতে ২৪, ১৬২ টা। ১৯৮২ চনত হৈছে ২৩৯২৪ টা। ১৯৮৩ চনত হৈছে ২২২২৯ টা। ইয়াৰ পৰাই দেখা গৈছে যে এই বিলাকৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। ৰাজ্যখনত বিভিন্ন ঠাইত হোৱা ৰবাৰিৰ সংখ্যা এনেধৰণৰ—১৯৮২ চনত ৬৫৪, ১৯৮২ চনত ৬৫০, ১৯৮৩ চনত ৫৫৩,। ইয়াৰ পৰাও দেখা যায় যে এই সংখ্যাও ক্ৰমান্বয়ে কমি আহিছে। ১৯৮১ চনৰ চুৰি সংখ্যা হৈছে ১১৩৩৭, ১৯৮২ চনত ১০৬৪০ আৰু ১৯৮৩ চনত হৈছে ৭০৩৩। সেইদৰে ডকাইতি হৈছে ১৯৮১ চনত ৫৬৭২, ১৯৮২ চনত ৫৫৪৩, আৰু ১৯৮৩ চনত ৩০৫৫ টা। ইয়াৰ পৰাই দেখা হৈছে যে বিভিন্ন ক্ৰাইমৰ সংখ্যা ক্ৰমান্বয়ে কমি আহিছে। বৰ্ত্তমান আমাৰ ৰাজ্যখন যিটো পৰিস্থিতিৰ মাজেৰে যাবলগীয়া হৈছে এইটো সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব পাৰিলে এই বিলাকৰ সংখ্যা আৰু কমাব পাৰি।

সিদিনাই মই এই বিষয় সভাত এটা কথা কৈছিলো যে সকলো কথা

সংখ্যাৰে জুখিব নোৱাৰি। আমাৰ বৰ্ত্তমান পৰিবেশ কি? আমাৰ ৰাজ্যখনত হোৱা কেইবাটাও ডাঙৰ আন্দোলনৰ কথা মই কব পাৰো। কেইটামান আন্দোলনৰ লগতময়ো জৰিত আছিলো ১৯৫৭ চনত তেলশোধনাগাৰৰ কাৰণে ব্যাপক আন্দোলন হৈছিল। সেই আন্দোলনত মই নিজেও জৰিত আছিলো। ১৯৬০ চনত অসমীয়া ভাষা ৰাজ্য ভাষা কৰাৰ **কাৰণে** যি আন্দোলন হৈছিল মই তাতো নিজে জৰিত আছিলো। তাৰ পিচত ১৯৬৭ চনত পুনৰ তেলশোধনাগাৰৰ দবীত আন্দোলন হয়। সেই আন্দোলনতো **মই জৰিত** আছিলো। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাধ্যম অসমীয়া **হব লাগে** বুলি আন্দোলন হৈছিল তেতিয়া সেই আন্দোলনত মই জৰিত **নাছিলো**। তেতিয়া মই চৰকাৰত গৃহ দপ্তৰৰ দয়িত্বত আছিলো। সেইবিলাক **আন্দোলনো** ব্যাপক আছিল। তেতিয়াও বহু হাজাৰ সত্যাগ্ৰহীক গেপ্তাৰ কৰা **হৈছিল**। কিন্তু তেতিয়া কতো বন্দুক বা লাঠি আদি দেখা পোৱা নাছিলো। ১৯৭২ চনৰ মাধ্যম আন্দোলনত মই মন্ত্ৰীৰ দায়িত্বত আছিলো বুলি **কৈছোয়েই**। কিন্তু তেতিয়াও কতো বন্দুক বা লাঠি আদি দেখা পোৱা নাছিলো। কিন্তু আজি মাহাত্মা গান্ধীৰ নামত আন্দোলন কৰি, অহিংস আন্দোলন কাৰী সকলৰ হাতত দেখা গৈছে লাঠি, বন্দুক, ৰাইফল, পাইপ গান আদি। এই দৰে উদ্ধাৰ হোৱা অস্ত্ৰৰ পৰিমান মই দিব খুজিছো। ১৯৮৩ চনত ১৪৫ টা ৰাইফল, ৯১ টা পাইপ গান, ৩০ টা ৰিভলভাৰ আৰু এটা ষ্টেনগান পোৱা গৈছে। ১৯৮৪ চনৰ জানুৱাৰী, ফেব্ৰুৱাৰীত ১২ টা ৰাইফল, ২০ টা পাইপ গান ৫০ টা পিচটল ৩৯১ টা বোমা আৰু ২ হাজাৰৰো অধিক গুলি পোৱা গৈছে। আন্দোলন যদি সচাকৈয়ে অহিংস হয় তেতিয়াহলে আন্দোলন-কাৰী বিলাকৰ হাতত এই বিলাক বস্তু কিয় পোৱা গৈছে? এনেকুৱা এটা পৰিস্থিতিৰ পৰা আমি ৰাজ্যখনক নিয়ন্ত্ৰনলৈ আনিব বিচাৰিছো। পৰিস্থিতি স্বাভাবিক কৰিবৰ কাৰণে আমি আজি যিটো অৱস্থাৰ মাজেৰে যাবলগীয়া হৈছো সেই কথা নিশ্চয় মাননীয় সদস্যসকলে উপলব্ধি কৰিব পাৰিছে নিশ্চয়?

মাননীয় অধ্যক্ষ মহোদয়, এইটো থিক যে আমি নিয়ন্ত্ৰণ কৰিব পাৰিছো। মই বছৰ-মাহ হিচাবে সংখ্যা দি কব বিছাৰিছো যে কেনেকৈ ক্ৰমান্বয়ে হত্যাকাণ্ড আদি কমি আহিব ধৰিছে। ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত হত্যাৰ সংখ্যা হৈছে ২৭৪৪, মাৰ্চ মাহত ১৯৬, এপ্ৰিল ৮৩, মে ২৬, জুন ৭, জুলাই ১১,

আগষ্ট ৭, চেপ্তেম্বৰ ১৩, অক্টোবৰ ৮, নবেম্বৰ ৩, ডিচেম্বৰ ৬, জানুৱাৰী ৬ ফেব্রুৱাৰী ৫। গতিকে ইয়াৰ পৰাও দেখা যায় যে ক্রমান্বয়ে হত্যাকাণ্ড আদিৰ সংখ্যাও কমি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, শ্রীকন্দপান ডাঙৰীয়াই থানা বিলাকত গাড়ী দিয়াৰ কথা কৈছে। মই এইটো অস্বীকাৰ নকৰো যে সকলো বিলাক বা পুলিচ থানাতে আমি গাড়ী দিব পৰা নাই। কিন্তু প্রচেষ্টাৰ ত্রুটিও কৰা নাই। আমাৰ ৰাজ্যখনত মুঠ পুলিচ থানা আছে ১৮২ খন আৰু পুলিচ আউট পোষ্ট আছে ১৭৪ খন। তাৰোপৰি ১২০ খন পুলিচ চকি আছে। আমি প্রত্যেকখন থানাতে গাড়ী দিয়াৰ কাৰণে আৰু পুলিচ আউট পোষ্ট বিলাকত মটৰ চাইকেল দিয়াৰ কাৰণে চেষ্টা কৰি আহিছো। এতিয়ালৈকে ১৮২ খন থানাৰ ভিতৰত ১৩৬ খনত গাড়ী দিব পৰা হৈছে। এতিয়া আমি আৰু ১০৮ খন গাড়ী আনিছো। এই বিলাকো থনা বিলাকত দিয়া হব। আমি লাহে লাহে সকলো বিলাক পুলিচ থানাতে গাড়ী দিব পাৰিম বুলি ভাবিছে।

আৰু এটা কথা উত্থাপন কৰা হৈছে যে মহিলা পুলিচ সম্পৰ্কে। এতিয়া চাকৰি বিচাৰি ছোৱালী বিলাকে হাহাকাৰ কৰিছে। কিন্তু এনেকুৱা এটা সময় আছিল যিটো সময়ত মহিলাই পুলিচ চাকৰি কৰিবলৈ ওলাই নাহিছিল। সেই কাৰণে প্রথম পৰ্য্যায়ত গুনাগুন বৰ বেছি পৰিমানে বিছৰা হোৱা নাছিল। গুনাগুন বিচাৰিলে পোৱা নগৈছিল। এতিয়া মহিলা সকল ওলাই আহিছে যেতিয়া নিশ্চয় আমি চাই চিটি লব পাৰিম।

মাননীয় সদস্য শ্রীবসুমতাৰী ডাঙৰীয়াই দকাইটিৰ কথা কৈছিল আৰু এই বিষয়ে ইতিমধ্যে মই উত্তৰ দিছোৱে। তেখেতে লণ্ডনৰ পুলিচৰ লগত আমাৰ পুলিচক তুলনা কৰিছে আৰু ভাৰতীয় পুলিচ এতিয়াও লণ্ডনৰ পুলিচৰ লগত ফেৰ মাৰিব পৰা হোৱা নাই। কাৰণ আমাৰ পৰিবেশ, শিক্ষা সমাজৰ ব্যৱস্থাৰ লগত এই কথাবিলাক জৰিত আছে। এই বিভাগটো যদি শক্তি-শালী আৰু চাৰিত্রীক দিশত সহায় কৰিব পৰা যায় তেনেহলে নিশ্চয় এই বিভাগটো পুনৰজীবি বা ভাল হৈ উঠিব। তেখেতে দুই ছাৰিটা ঘটনাৰ কথা কৈছে গহপুৰৰ ক্ষেত্ৰত সেই কথাবিলাক মই তদন্ত কৰি চাম আৰু বিহীত ব্যৱস্থা গ্রহণ কৰিম। কিন্তু খৰছখিনি দিয়াটো ভাল। মাননীয় সদস্য শ্রীনেপাল দাস ডাঙৰীয়াই শিলচৰৰ ঘটনাৰ কথা উল্লেখ কৰিছিল মোক তেখেতে

আগতেও এই বিষয়ে কৈছিল। অধ্যক্ষ মহোদয় কাতিগৰাৰ কথা উল্লেখ কৰিছে। তাত এজন মাছমৰীয়াক এচাণ্ট কৰিছিল ১১ এপ্ৰিলৰ এজন কনিষ্টবলে ৪ মাহ মানৰ আগতে কথাটো সচা। সেই বিষয়ে তদন্ত কৰা হৈছে বিষয়া নহয় কনিষ্টবল তাত এ এচ আই এচ ইও জৰিত আছে বুলি কৈছে। গুমৰাৰ এ এচ আই এচ আই আৰু সকলোকে সেই ঠাইৰ পৰা বদলি কৰা হৈছে আৰু বৰ্ত্তমান প্ৰচিদিং চলি আছে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হব। তেখেতে হাইলাকান্দিত ডকাইটিৰ কথা কৈছে আমাৰ ৰিপোৰ্টমতে তিনিটা ডকাইটি কেচত ১৫ জনক ইতিমধ্যে কৰায়ত্ত কৰা হৈছে। যোৱা ২০ দিন ধৰি তাত কোনো ডকাইটি বা ঘটনা ঘটা নাই বৰ্ত্তমান পৰিস্থিতি নিয়ন্ত্ৰণত আছে। মাননীয় সদস্য শ্ৰীদেশে চক্ৰবৰ্ত্তীয়ে সদনত ভালেমান কথা দাঙি ধৰিছে তাৰ ভিতৰত তেখেতে সৰ্থেবাৰীৰ ঘটনা এটাৰ কথা উল্লেখ কৰিছে। এই বিষয়টো মই বিভাগীয় তদন্ত কৰাই দোষীক শাস্তি দিয়াৰ ব্যৱস্থা কৰিম আৰু দৰ্কাৰ হলে বৰ্খাস্তও কৰা হব। মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই তিনিটা উল্লেখযোগ্য কথাৰ অৱতাৰণা কৰিছে। তেখেতে এটা কথা কৈছে যে পুলিচ বিভাগটোক ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰিব লাগে। মই পুলিচ বিভাগ বুলি কোৱা নাই ৰাজ্যৰ সকলো বিভাগকে অৰ্থাট গোটেই প্ৰশাসন যন্ত্ৰটোকে ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিব লাগে। মই সদায়ে বিষয়া সকলক এই কথা কৈ আহিছো আৰু কৈছো যে তেখেত সকলৰ আনুগত্য থাকিব লাগে চৰকাৰৰ প্ৰতি দল বা ব্যক্তিৰ প্ৰতি নহয়। কিন্তু আমি গণতান্ত্ৰিক পদ্ধতিৰে চৰকাৰ গঠন কৰিছো যিহেতু সংবিধানত ৰাজনৈতিকদলে চৰকাৰ গঠণ কৰাৰ নিয়ম আছে। যি দলে ভোটত জয়লাভ কৰে সেইদলেই চৰকাৰ গঠণ কৰে। গতিকে সেইদলৰ প্ৰতি বা চৰকাৰৰ প্ৰতি বিষয়াসকলে আনুগত্য দেখুৱাব লাগে। প্ৰশাসন যন্ত্ৰ ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হব লাগে সেইটো মই ডেকা ডাঙৰীয়াৰ লগত একমত। যি দলে চৰকাৰ গঠণ কৰে সেইদলে এখন দাবী চনদ বা ইস্তাহাৰৰ ওপৰত জয়লাভ কৰি আহিছে ঠিক তেনেকৈ সকলো দলৰে এখন দাবী চনদ বা ইস্তাহাৰ আছে। গতিকে নিৰ্ব্বাচিত হৈ অহাৰ পিছত অন্ততঃ সেই দলে সেই চনদ বা ইস্তাহাৰক সন্মান কৰি কাম কৰা উচিত আৰু এই ক্ষেত্ৰত বিষয়া সকলৰো কটা দায়ীত্ব আছে যাতে সেই ইষ্টাহাৰমতে কাম কৰে।

সেই আনুগত্য বিষয়া সকলৰ নিশ্চয় থাকিব লাগিব। তেখেতে কৈছে আৰু মই যোৱাবাৰ বাজেটতো কৈছিলো যে আমাৰ পুলিচ বিষয়া সকলে যি পৰিবেশত থাকে সেই পৰিবেশত থাকি সম্পূৰ্ণ কাম কৰিব নোৱাৰে। আমি দেখিছো তলৰ শ্ৰেণীৰ পুলিচ কৰ্ম্মচাৰী সকলৰ বহুত ঠাইত থকা ঘৰ আদি দিব পৰা নাই আৰু তেওঁলোক ফলত ভাৰা ঘৰত থাকিবলগীয়া হয়। ভাৰাঘৰত থাকি আইন শৃঙ্খলা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত তেওঁলোকে যি কৰ্ত্তব্য পালন কৰিবলগীয়া হয় সেইখিনি পৰিবেশৰ কাৰণে কৰিব নোৱাৰে। কাৰণ যি ঠাইত থাকে সেই ঠাইত তেওঁৰ লৰা-ছোৱালী পৰিয়াল শান্তিৰে বাস কৰিব পাৰিব নে নাই সেই কথা তেওঁলোকৰ মনলৈ আহে। তেওঁলোকৰ লৰা-ছোৱালী তেজপুৰত যাব পাৰিব নে নাই ইত্যাদি কথা মনলৈ আহে যাৰ ক্ষেত্ৰত কৰ্ত্তব্যৰ কিছু অৱহেলা হয়। সেই কাৰণে এই তলৰ শ্ৰেণীৰ কৰ্ম্মচাৰীসকলে যাতে সুস্থভাবে কাম কৰিব পাৰে তাৰ কাৰণে আপোনালোকে শুনি সুখী হব এই বিভাগে ইতিমধ্যে ৯ কোটি ৯০ লাখ টকা খৰছ কৰি ৩০৫ টা ইন্সপেক্টৰৰ কাৰণে ৩০৩১টা পুলিচ এচ আইৰ কাৰণে ১৪৬২টা পুলিচ এচ আইৰ কাৰণে, হাবিলদাৰ আৰু হেড কনিষ্টবলৰ কাৰণে ৬৫৮৮টা বিয়া কৰোৱা কনিষ্টবলৰ কাৰণে আৰু ৬৮৯৭টা পুলিচ বেৰেক কৰাৰ নিৰ্দ্দেশ দিছে। আশা কৰা হৈছে এইবিলাক ১ বছৰৰ ভিতৰত হৈ যাব। তেখেতে প্ৰমোচনৰ অসুবিধাৰ কথাও কৈছে। মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়া ৭৫ ভাগ কৰাৰ কথা কৈছে। কৰাত অসুবিধা নাছিল। কিন্তু আমি দেখিছো আমাৰ অভিজ্ঞতাৰপৰা একেটা বিভাগতে প্ৰমোচন হৈ থাকিলে এই বিভাগত নতুন বতাহ সুমুমাই আৰু ভাল কামো নহয় আনহাতে যিসকল শিক্ষিত নিবনুৱা যুবক আছে তেওঁলোকৰ চাকৰিৰ কথাও আমি ভাবিব লাগিব। এ এচ আইৰ পৰা এচ আইলৈ আমাৰ শতকৰা ৭৫ ভাগৰ ব্যৱস্থা আছেই বাকী ২৫ ভাগ মাত্ৰ দাৰেক্ট ৰিকুইটমেণ্ট। এচ আইৰ পৰা ইন্সপেক্টৰলৈ শতকৰাৰ ভিতৰত শতকৰাই ৰখা হৈছে। মোৰ বোধেৰে এই ব্যৱস্থা বেয়া হোৱা নাই।

মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই হাহিৰে বহুত মূল্যবান কথা কৈছে। আমি আচলতে খংৰ বশবৰ্ত্তী হৈ থাকিলে বহুত কথাই নচলে। সকলো কথাকে কিছু সুক্ষ্ম বিচাৰ কৰি চোৱা উচিত। আমি নিজে আমাৰ কাৰ্ডখন

দেখুৱাই অহাত সংকোচ কৰিবলগীয়া একো নাথাকে। মই নিজে যেতিয়া গৃহমন্ত্ৰী আছিলো তেতিয়া ১৯৭৪ চনত নগাওঁত মোৰ গাড়ীখন তুবাৰ চেক কৰিছিল মোৰ পি এচজনে বাধা দিয়াত মই ধমক মাৰি বাধা দিছিলো আৰু চেক কৰিবলৈ দিছিলো। কাৰণ তেওঁলোকক আমি সেই দায়ীত্ব দিছো আমিতো কোৱা নাই গৃহমন্ত্ৰীক নকৰিবা যুবক কংগ্ৰেছক নকৰিবা বুলি। গতিকে নিয়ম সকলোৰে কাৰণে নিয়ম। আমাৰ বিধান সভাত এটা নিয়ম আছে যে আমি বিধান সভাৰ অনুমতি নহলে বা অধ্যক্ষৰ অনুমতি নহলে আহিব নোৱাৰো কিন্তু আমিয়েটো বহুতকে আকৌ আমাৰ গাড়ীতে উঠাই লৈ আহো। সেইটো জানো ভাল হৈছে? তেওঁলোকক তদন্ত কৰিবলৈ কোৱা হৈছে তদন্ত কৰিবই তাত খুনিৰ পৰা আৰম্ভ কৰি হত্যাকাৰী ভদ্ৰলোকলৈ সকলোকে সমানে তদন্ত কৰিবলৈ কোৱা হৈছে। তাত বেয়া পাবলগীয়া একো নাই।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বড়ো ডাঙৰীয়াই বকোৰ ঘটনাৰ কথা কৈছে। এই ঘটনা তদন্ত কৰি থকা হৈছে আৰু তাত এটা মেজিষ্ট্ৰেৰিয়েল অনুসন্ধান চলিছে গতিকে এই সম্পৰ্কে মই বিশেষ কব খোজা নাই। নিয়মৰ কথা আছে। তেখেতসকলৰ পৰা উত্তৰ পালে মই সদনক জনাম। মাননীয় সদস্য শ্ৰীলস্কৰ ডাঙৰীয়াই কাচাৰৰ এচ পি আৰু তুজন বিষয়াৰ কাৰোবাৰ ইনফায়েগত বদলি স্থগিতকৰণৰ কথা কৈছে। অধ্যক্ষ ডাঙৰীয়া, আপুনি জানে চৰকাৰখন গণতান্ত্ৰিক ব্যৱস্থাৰে চলিছে আৰু সেই কাৰণে বিধায়ক সকলৰ মত সাপেক্ষেও আমি কেতিয়াবা বাস কৰিবলগীয়া হয়। কিন্তু এইটো ঠিক যে কোনো ব্যক্তিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ হুকুম বাতিল কৰা হোৱা নাই। তেখেতে বিদেশী খেদা সংক্ৰান্তত তুটামান কথা উল্লেখ কৰিছে। এই সংক্ৰান্তত নানা ধৰণৰ কথা চলি আছে কিন্তু এইটো ঠিক যে বিদেশী খেদিবই লাগিব আৰু বিদেশীৰ নামত কোনো ভাৰতীয়ই যাতে অত্যাচাৰ আৰু উংপীড়িত নহয় সেইটোলৈ বিশেষ নজৰ দিয়াব হব। মাননীয় সদস্যই কব খোজা নোখোজাকৈ শিলচৰৰ কথা কৈছে, এম-পিৰ কথাও উল্লেখ কৰিছে, কোনোবা আহিছে কোনোবা গৈছে এইবিলাক কৈছে, কিন্তু আমি এই সংক্ৰান্তত এই পৰিস্থিতিত কথাবিলাক সংযতভাৱে কোৱা উচিত। আমাৰ এইটো দৃঢ় মত যে ১৯৭১ চনৰ পিচত যি সকল লোক আমাৰ ৰাজ্যত আমাৰ প্ৰবেশ

কৰিছে তেওঁলোকক যি ধৰ্ম্ম যি সম্প্ৰদায়ৰে লোক নহওক কিয় তেওঁলোকক খেদি পঠিয়াব লাগিব। কিন্তু আমি কথা কওঁতে সেই কথাৰ দ্বাৰা যাতে কোনো প্ৰভেদ নহয় সেইটো চিন্তা কৰিব লাগিব। ইজনে সিজনৰ প্ৰতি যাতে ক্ষুন্ন নহয় সেইটো চাব লাগিব। এচ-এচ-বিৰ কথা কোৱা হৈছে। সেইটো কেন্দ্ৰীয় চৰকাৰৰ বিভাগ। আমি নিশ্চয় চিন্তা কৰি চাম। দুই এজন বিষয়াৰ প্ৰমোচনৰ সংক্ৰান্তত তেখেতে আক্ষেপ কৰিছে। মই আগতেও দৃঢ় ভাবে কৈছো যে ৰাজ্যৰ সংখ্যা লঘিষ্ঠ আৰু ভাষিক বা ধৰ্ম্মীয় সংখ্যা লঘুসকলৰ ৰক্ষণাবেক্ষণৰ কথা এই চৰকাৰে সদায়েই চিন্তা কৰিব। কিন্তু এই ক্ষেত্ৰত যদি কাৰোবাৰ চি-আৰ বেয়া হয় প্ৰশাসনৰ যিটো নিয়ম আছে সেইটো আমি নিশ্চয় জানি চলিব লাগিব। চি-আৰ আদি বেয়া হলে প্ৰশাসনৰ নিয়মৰ মাজত পৰে। আই-পি-এচ, আই-এ-এচ কেটাগুৰিৰ চাকৰিয়াল সকল ইউনিয়ন পাব্লিক চাৰ্ভিচ কমিশ্বনৰ যোগেদি আহে। এই অনুষ্ঠান স্বতন্ত্ৰীয়া অনুষ্ঠান। কেন্দ্ৰীয় লোকসেৱা আয়োগ আৰু অসম লোকসেৱা আয়োগত আমি হস্তক্ষেপ কৰিব নোৱাৰো। তেওঁলোকে প্ৰমোচন অনুমোদন নকৰালে আমি প্ৰমোচন দিব নোৱাৰো। এই বিলাক কথাত যদি চৰকাৰক দোষাৰোপ কৰা হয় সেইটো দুৰ্ভাগ্যজনক কথা হব যিহেতু চৰকাৰৰ তাত কোনো হাত নাথাকে। প্ৰমোচনৰ ক্ষেত্ৰত যাতে জাষ্টিচ্ দিব পৰা যায় আৰু সেই জাষ্টিচ্ দিবলৈ যাওঁতে আমি সকলো শ্ৰেণীকে ৰক্ষণাবেক্ষণ দিবলৈ চেষ্টা কৰা হয়। এই বিষটো সুক্ষ্ম বিষয়। কোনোবাই যদি কিবা কাৰণত অসন্তুষ্টিও হয় তাৰ কাৰণে দোষাৰোপ কৰিলে নহব। প্ৰশাসনীয় যন্ত্ৰ নিকা কৰিবলৈ হলে এই ক্ষেত্ৰত সকলোৰে সহযোগ বাঞ্চনীয়। মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াই এই বিভাগটো উঠাই দিবলৈ কৈছে। কিন্তু সেটো সম্ভৱ নহব। তেখেতে যিখিনি কথা কৈছে আমি তদন্ত কৰি চাম আৰু যদি কাৰোবাৰ কিবা দোষাদোষ আছে সেই মতে ব্যৱস্থা লম।

অধ্যক্ষ ডাঙৰীয়া, বিধান সভাৰ পবিত্ৰ সদনত মাননীয় সদস্যসকলে পুলিচ বিভাগটোক আৰু শক্তিশালী আৰু উন্নয়নমূখী কৰিবৰ কাৰণে পৰামৰ্শ আগবঢ়াইছো এই বিভাগৰ যি সমস্যা আছে সেই সমস্যা দূৰ কৰি উন্নয়নমূখী কৰিবৰ কাৰণে আমি এটি পুলিচ আয়োগ কৰাৰ সিদ্ধান্ত লৈছো। মাননীয় সদস্য সকলক জনাবলৈ পাই সুখী হৈছো যে এই পুলিচ আয়োগে অতি শীঘ্ৰে

কাম আৰম্ভ কৰিব। এই পুলিচ আয়োগৰ চেয়াৰম্যান মাননীয় শ্ৰীইমজাদ আলীক কৰা হৈছে। তেখেতে ইয়াৰ আগতে ডিৰেক্টৰ চি-আৰ-পি-এফৰ আছিল। এজন সুদক্ষ ব্যক্তি, নিজে এই বিভাগত কাম কৰা হিচাবে এই বিভাগৰ যিখিনি অভাৱ অভিযোগ আছে নিশ্চয় চিন্তা কৰিব আৰু তেখেত নিজে এজন সংখ্যালঘু মানুহ হিচাবে সেই দিনটোও চিন্তা কৰিব। আশা কৰো তেখেতৰ নেতৃত্বত এই পুলিচ বিভাগটো শক্তিশালী আৰু উন্নয়নমূখী হৈ উঠিব। মাননীয় সদস্যসকলে যিখিনি পৰামৰ্শ আগবঢ়ালে তাৰ কাৰণে মই তেখেতসকলৰ ওচৰত ধন্যবাদ জনাইছো আৰু কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিছো।

*Speech not corrected

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছে। পুলিচ বিভাগৰ ক্ষেত্ৰত মই এটা পৰামৰ্শ আগবঢ়াইছিলো-যে এ, এচ, আইৰ পৰা এচ, আই লৈ প্ৰমোচন শতকৰা ৭৫ জনকৈ কৰিব লাগে। এই বিষয়ত চৰকাৰে কিবা ব্যৱস্থা লব নেকি মন্ত্ৰী মহোদয়ে জনাব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) – অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো আৰু কেইবছৰমান যাওক। এই বছৰ আমি যিখিনি নিয়োগ কৰিছো সেই আটাই-খিনিৰে যাবতীয়া কামখিনি কৰাৰ পিছত এই বিষয়ে ব্যৱস্থা লম।

Shri Hemen Das—Sir, I beg leave to withdraw the Cut Motion.

Mr. Speaker—It is the pleasure of the House to grant leave to withdraw the Cut Motion ?

( Voices yes, yes. )

Leave is granted and the Cut Motion is withdrawn.

So, I put the main Grant before the House that a sum of Rs. 68,27,43,5 0.00 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985

for the administration of "Police".

The Grant No. 18 passed.

Mr. Speaker—Now Grant No. 22. Shri Hiteswar Saikia, Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,97,94,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year 31st March 1985 for the administration of "Fire Services".

Mr, Speaker—There is no Cut Motion to this Grant also. Now I put the main Grant No. 22 before the august House that a sum of Rs. 1,97,94,000, be granted to the Minist r-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Fire Services".

The Grant No. 22 passed.

Mr. Speaker—Now Grant No. 23. Shri Hiteswar Saikia, Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,19,23,000.00, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Vigilance and Special Commiss'ons".

Mr. Speaker—There is no Cut Motion to this Grant also. Now I put the main Grant No. 23 before the

august House that a sum of Rs. 1,19,23,000.00 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Vigilance and Special Commissions".

The Grant No. 23 is passed.

Mr. Speaker—Now Grant No. 24. Shri Hiteswar Saikia, Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister)—On the recommendation of the Govern of Assam, I beg, Sir, to move that a sum of Rs. 2,80,20,000.00, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Civil Defence and Home Guards".

Mr. Speaker—There is no Cut Motion to this Grant also.

Shri Md. Umaruddin—Sir, my, point is that we are spending a substantial amount on Home Guards and Civil Defence. I want to know on what basis the Home Guards are recruited, how they are trained and how they are distributed district wise. Sir, I think if the Home Guards are given proper training, they can be a semi police force. They would be very useful at the time of emergency and other difficulties. They can also render service, as for instance, when there is a flood, natural calamities. So far I know, they have not been used for these purposes. I would like to request the Chief Minister to see that some social aspect is included in their sphere of duties.

Their services must be utilised for social benefit and in certain specific spheres. Will the Hon'ble Chief Minister clarify on this point ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—অধ্যক্ষ ডাঙৰীয়া, এই বিভাগটোত প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা আছে কিন্তু সমুহীয়া ভাবে মকৰল কৰাৰ ব্যৱস্থা নাই। এই বিভাগত কিছুমান লোকক প্ৰশিক্ষণ দি শান্তি শৃংখলা ৰক্ষাৰ কামত লগোৱা হয় আৰু কেতিয়াবা আমাৰ কিছুমান বিভাগে যেনে—গড়কাপ্তানি, বাননিয়ন্ত্ৰন, বনবিভাগ আদিয়ে সময়ে সময়ে মকৰল কৰে। এই লোক সকলক যদিও আইন শৃংখলা ৰক্ষাৰ কামত লগোৱা হয় কিন্তু তেওঁ-লোক যিভাবে প্ৰশিক্ষন প্ৰাপ্ত হব লাগে সেইদৰে প্ৰশিক্ষন প্ৰাপ্ত নহয়। আমাৰ মাননীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে যে এই লোকসকলক ভালদৰে প্ৰশিক্ষন দি শক্তিশালী কৰিব লাগে। এই বিষয়টো ময়ো চিন্তা কৰিছো আৰু তাৰ কাৰণে এইবাৰ বাজেটত টকাৰ সংখ্যা কিছু বঢ়োৱা হৈছে। এই টকাৰে আমি কিছু কাম কৰিব পাৰিম আৰু আমি আৰু দুটা হ' মগাত' বেটেলীয়ন খুলিব পাৰি নেকি তাৰ বাবে চিন্তা কৰি আছো।

Mr. Speoker—Now I put the main Grant 24 before the august House that a sum of Rs. 2,80,2?,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Civil Defence and Home Guard".

The Grant No. 24 is passed.

Mr. Speaker—Now Grant No. 11. Shri Jagannath Sinha (Minister) to move.

Shri Jagannath Sinha (Minister, Transport)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 8,50,87,000.00, be granted to the Minister-in-charges to defray the charges which will come in course of payment during the year ending the 31st March

1985 for the administration of "Transport Services".

Mr. Speaker—There are two Cut Motions to this Grant. Cut Motion No. 1 tabled by Shri Mathura Deka and Cut Motion No. 2 tabled by Shri Binoy Kumar Basumatary, Shri Alit Chandra Boro and Shri Bimal Gayari. Now Shri Mathura Deka to move.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, পৰিবহন নিগমৰ ১১ নং গ্ৰেণ্টৰ দ্বাৰা যি ৮,৫০,৮৭,০০০·০০ টকাৰ দাবী মঞ্জুৰী উত্থাপন কৰিছে, সেই সমুদায় দাবীৰ পৰা ১.০০ টকা কৰ্ত্তন কৰিবলৈ মই এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিলো।

Mr. Speaker—Now Shri Binoy Kumar Basumatary to move.

Shri Binoy Kumar Basumatary—Sir, the total pravision of Rs. 8,50,87,000.00 under Grant No. 11, in respect of "Transport Services" at pages 1-46 of Volume II, Part II of the whole grant of Rs. 8,50,87,000.00 do stand reduced by Rs. 100.00.

Mr. Speaker Sir, I have only one point. The first head 241 which says taxes on vehicles and it is said that Budget estimates is Rs. 55,92,000 under Non-Plan in the General Areas and SIxth Schedule Areas is Rs. 77,000.00. Sir, what is the taxes on vehicles ? I am confused. Is it the taxes to be paid for vehicles owned by the Department or is it the amount to be invested to collect further taxes from other vehicles. Sir, if it is an investment, what is the return and presentation of this grant is very confusing and it has to be clarified and the Budget estimate for water Transport Services is Rs. 3 crores 78 lakhs. But Sir, on the river Brahmaputra. But Sir, on

the river Brahmaputra we see some locally made boats and we fear that these boats are all built by only one company and the entire money goes to this gentleman. So, we want to ask whether this Department likes to give monopoly to certain industrialists. Sir, on water transport, since Assam is very beautiful, I have been telling that if you want foreign earnings from tourists then we should bring in a hydrofoil from some European countries so that from Gauhati to Dibrugrh we can travel in one day and it would be a tourist attraction also. Now, about transport facilities in my subdivision at Udalguri, this Udalguri town is connected by roads with the interior of the subdivision. Now this Department has to either issue permits to private operators to bring people from the interior of the subdivision to attend offices and go back to their froms town overning or the Transport Department has to be entrusted to bring people from all the corners of the subdivision to Udalguri and take them back. With these three points, Sir, I conclude my criticism of the budget.

*শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, পৰিবহন নিগমৰ নাম শুনিলেই মোৰ এটা কথা মনত পৰে, কথাটো হল বুঢ়া মানুহৰ দাত লবা অৱস্থা। বুঢ়া মানুহৰ যেনেকৈ কেইটামান দাত সৰে আৰু কেইটামান লৰি থাকে তেনেকৈ পৰিবহন নিগমৰ বাছবোৰো চলে যেন লাগে। মোৰ হয়তো বুজুৱাতো ঠিকমতে হোৱা নাই। মানে বাছত উঠিলে বুঢ়া মানুহৰ লবা দাতৰ নিচিনা লৰি থকা যেন পাও। আৰু এটা কথা অধ্যক্ষ মহোদয়, এই পৰিবহনৰ বাছবোৰত উঠাৰ আগতে টিকত কটাৰ সময়ত কিছুমান তুলাৰ ব্যৱস্থা কৰিলে ভাল হয় কাৰণ বাছৰ যি জোকাৰনি আৰু ভেব ভেব শব্দ, সেই শব্দত কান ফাটো ফাটো অৱস্থা হয়। আচলতে এই বিভাগটো এটা ব্যৱসায়ত

পৰিনত হৈছে। আমাৰ গোটেই অসম জুৰি পৰিবহন নিগমৰ বাছ চলে। কিন্তু মেৰামতি কৰাৰ চেলু লৈ কিছুমান টুৰিষ্ট বাছ চলাৰ সুবিধা দিছে। এই টুৰিষ্ট বাছবোৰ কেনেকৈ চলে? বোম্বাই বা দিল্লীলৈ এইবোৰ বাছ নচলে চলে মাথো ধুবুৰীৰ পৰা গুৱাহাটীলৈ। আকৌ ইয়াতে ২৫ মাইলমান চলে আৰু কিছুমান মাত্র ৫ মাইলৰ ভিতৰতে চলে। পাইলট টাইপ কৰিছে। এই বিলাক মিনি বাছ মন্ত্রী মহোদয়ে দেখিছে বা শুনিছেও নিশ্চয় চৰকাৰৰ এটা মনপলি ব্যৱসায় আছেই আকৌ কিয় এইবোৰ বাছক পাৰ্মিট দিছে? নে চৰকাৰী বাছবোৰ অচল কৰি দিব খুজিছে নেকি? ৰঙিয়াৰ পৰা বাইহাটা চাৰিয়ালিলৈকে বহু কেইখন লাইন বাছ চলি আছে। মন্ত্রী মহোদয়ক যদি আমি এই বিষয়ে সোধো তেওঁ উত্তৰত কয় যে আমাৰ বাছবোৰ গেৰেজত আছে। ৮ লাখ ৭০ হাজাৰ টকা গেৰেজৰ মানুহক দৰমহা দিওতে যায়। যদি বাছবোৰ সময়মতে নোলায় আৰু মানুহে সময়মতে নাপায় তেন্তে এই একচেতীয়া ব্যৱসায়টো ৰখাৰ প্রয়োজন কি? আমাৰ হাজাৰ হাজাৰ নিবনুৱা ডেকা আছে তেওঁলোককে লাইনটো খুলি দিয়ক আৰু কওক আমি ফেইল হলো তোমালোকে চলোৱা।

অধ্যক্ষ মহোদয়, চাইকেল এখনৰ বল এটাও যদি ভাঙে তেতিয়া তাৰ পৰা কেৰ কেৰ শব্দ হয়। আৰু চৰকাৰৰ এটা বিভাগ পঙ্গু হৈ গলে চৰকাৰে এই বিভাগটো ৰাখি কিয় বদনামৰ ভাগী হব লাগে? অধ্যক্ষ মহোদয়, আপুনি হয়তো নুঠে কিন্তু উঠা মানুহে আমি জানো পৰিবহনৰ বাছত উঠাৰ কি যন্ত্রনা, বাছত গৈ থাকোতে বাটতে বাছৰ চাকা ফুটে। এইটো অৱস্থা কিয় হয়? টকা বোলে ঢেৰ আছে। সিদিনা আমাৰ এজন প্রবীন সদস্যৰ প্রশ্নৰ উত্তৰত মন্ত্রী মহোদয়ে দেখোন কৈছিল যে বহু লাভ হৈছে। যদি লাভেই হৈছে ভাল বাছ নচলে কিয়? মানুহৰ এই বিলাই বিপত্তিৰ কথা মন্ত্রী মহোদয়ে নাজানে কাৰণ তেখেত সদায় উৰাজাহাজতহে অহা যোৱা কৰে। কিন্তু এটা কথা ঠিক যে উৰাজাহাজ গৈ থাকোতে বাটতে বেয়া হলে কি হয় তেওঁ নেজানে আমি হলে জানো। আৰু এটা ঘটনা ঘটি আছে আমাৰ মন্ত্রী মহোদয়ৰ অধীনত কিছুমান পুলকাৰ আছে আৰু বাজেটৰ শিতানত ভি, আই, পিৰ কাৰো আছে, কিন্তু আমি পুলকাৰ বিচাৰিলে নাপাওঁ। কাৰণ তাতো এটা ব্যৱসায় চলি আছে। নহলে আমি কিয়

নাপাওঁ ? এবাৰ মুখ্যমন্ত্ৰী মহোদয়ে মোক লিখি দিলে পুলকাৰ দিবলৈ কিন্তু নাপালো, আকৌ ৰাজহ মন্ত্ৰীৰ ওচৰলৈ গলো তেওঁ লিখি দিলে কিন্তু সেইবোৰো নাপালো পিচত উপায় নাপাই বিভাগীয় মন্ত্ৰীৰ ওচৰলৈ গলো তেখেতেও দিবলৈ লিখি দিলে কিন্তু গাড়ী হলে আমি নাপালো। এইটো কেনেধৰণৰ কথা ? মুখ্যমন্ত্ৰী, ৰাজহ মন্ত্ৰী, আনকি বিভাগীয় মন্ত্ৰীয়ে লিখি দিলেও গাড়ী নিদিয়ে। নে তেনে কিবা নিয়ম মনে মনে কৰি লৈছে যে আমি লিখি দিম দিয়াত কিন্তু তোমালোকে নিদিবা।

( সদনত হাহিৰ ৰোল······)

মই সেয়ে এইবোৰ আশা এৰিছো আৰু মাত্ৰ বিধান সভাত প্ৰশ্ন এটা আনিছো। এনে এটা ব্যৱসায় লৈ আমাৰ চৰকাৰ এখনক পঙ্গু কৰিবলৈ যোৱাটো উচিত হোৱা নাই। আমাক বাছ লাগে মানুহৰ সংখ্যা বাঢ়িছে, সেইদৰে বাছো বঢ়াব লাগে কাৰণ মানুহে যাতায়ত কৰিবলৈ সুবিধা সকলোৰে বিচাৰে। কিন্তু কিছুমান ঠাইত লাইন বাছহে চলে অন্য বাছ নচলে। মন্ত্ৰী মহোদয়ে ইচ্ছা কৰিলে অন্যৰ পৰা ধাৰ আদি লৈ এই সুবিধা কৰিব পাৰে। কাৰণ নিগমৰ ধাৰ লোৱাৰ অধিকাৰ আছে। অকল চৰকাৰী বাজেট খনকে ধিয়াই বহি থকাৰ কি দৰ্কাৰ ? প্ৰয়োজন হলে টকা ধাৰ লওক। মন্ত্ৰী মহোদয়ে এইটো নকৰে কিয় মই বুজা নাই। আমাৰ কথা হল যাত্ৰা কৰোতে সকলোৱে ভালকৈ কৰিব পাৰিব লাগে। আৰু এটা কথা হল আগৰ লাইন বোৰৰ সম্প্ৰসাৰন হোৱা নাই কিয় ? সম্প্ৰসাৰনতো হোৱাই নাই বৰং আগৰ চৰকাৰে যিবোৰ ঘৰ আদি সাজিছিল তাৰ চাল বেৰৰ তেল চুনো লাহে লাহে নাইকীয়া হৈ গৈছে। মই সেয়ে আকৌ এবাৰ পৰিবহন নিগমৰ বাছৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক লগতে আন আন মন্ত্ৰী সকলকো অনুৰোধ কৰিছো যে এবাৰ উঠি চাওক মই কোৱাৰ দৰে ই বুঢ়া মানুহৰ লৰি থকা দাতৰ দৰে হয়নে নহয়। একেবাৰে সৰিও নাযায় এনেয়ে লৰচৰ কৰি থাকে।

অধ্যক্ষ মহোদয়, আৰু এটা কথা যে আমাৰ বাছ বিলাকত বেছি ঠাই নাই গতিকে আমি ঠিয় হৈ আহিব লাগে। এই ঠিয় হৈ অহাৰ কাৰণে আমাৰ টিকটবোৰ আধা দামত দিয়াৰ ব্যৱস্থা কৰিব পাৰিবনেকি চাব লাগে। ষ্টেণ্ড ষ্টেণ্ডিং টিকট কৰি দিব নেকি ? মই মন্ত্ৰী মহোদয়ক এটা কথা কওঁ যে এই বাছবোৰ বিক্ৰী কৰি দিব লাগে, প্ৰয়োজন হলে ওজন কৰি হলেও

বিক্ৰী কৰি দিয়ক। অন্ততঃ লোহাৰ দাম খিনি পালেও যথেষ্ট হ'ব। কাৰণ বেয়া বস্তু বা বাহত উঠাতো যাত্ৰা নাস্তি। আৰু টুৰিষ্ট বাছবোৰ নাকচ কৰি দিব লাগে। আৰু যদি আমাৰ সম্বল নাই তেতিয়া হলে লাইন বাছবোৰ ৰিকুইজিচন কৰি চলাব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰনী মাৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, 'টুৰিষ্ট বাছৰ' সকলোবিলাক পাৰ্মিট নাকচ কৰি দিয়াৰ আবেদন জনাই কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰিলো।

*শ্ৰীহেমেন দাস - মাননীয় অধ্যক্ষ মহোদয়, পৰিবহন এটা অতি লাভজনক ব্যৱসায়। কিন্তু কৰ্পবেশ্বনৰ মাধ্যমেদি ইয়াক এটা অত্যন্ত লোকচানৰ বিভাগলৈ তথা ব্যৱসায়লৈ নিয়া হৈছে। কথা হৈছে, যিবিলাকত বেছিকৈ 'ট্ৰেন্সপৰ্ট বাছ' চলে আৰু যিবিলাক ৰাস্তাত মানুহৰ যাতায়ত বেছি হয় সেইবিলাক ৰাস্তাত 'ট্ৰেন্সপৰ্ট বাছ'ত মানুহ নোহোৱাৰ কাৰণে বেছিকৈ 'প্ৰাইভেট বাছ'ৰ পাৰ্মিট দিয়ে। বাস্তৱ অভিজ্ঞতাৰ পৰা আমি সদায়েই দেখি আহিছো যে, প্ৰায়বিলাক চৰকাৰী বাছতে কেতিয়াবা যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়লৈ যোৱা চৰকাৰী বাছত ৪।৫ জন যাত্ৰী লৈয়ে যাবলগীয়া হৈছে। চৰকাৰে যদি বাইজ তথা দেশৰ স্বাৰ্থৰ প্ৰতি চিন্তা কৰে তেতিয়াহলে, অনতিপলমেই ব্যক্তিগত মালিক সকলক এই সুবিধাৰ পৰা আতৰ হবলৈ আবেদন জনায় মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীঅলিট চন্দ্ৰ বড়ো—মাননীয় অধ্যক্ষ মহোদয়, এ, এচ, টি, চি ব্যৱসায়ৰ এটা উত্তম পথ। কিন্তু আমি বাস্তৱ অভিজ্ঞতাৰ পৰা দেখি আহিছো যে, ব্যক্তিগত মালিকৰ একোখন বাছ চলালে পিছৰ বছৰত আৰু এখন কিনিব পৰা হয়। কিন্তু চৰকাৰী বাছৰ ক্ষেত্ৰত দেখা পাইছো যে এবছৰ এখন বাছ চলাৰ পিছত পিছৰ বছৰত সি অচল হৈ পৰে। লাভজনক এই ব্যৱসায়টোত কিয় লোকচান ভৰিব লগীয়া হৈছে সেইটো নিতান্তই বিচাৰ্য্যৰ বিষয় হৈ পৰিছে। লাভো যথেষ্ট হৈছে। এমাহত এককোটি টকা পৰ্য্যন্ত লাভ হৈছে। লোকচান হোৱাৰ ক্ষেত্ৰত কিবা হেমাহি হৈছে নেকি সেইটো ভাবিবলগীয়া কথা হৈছে। এই পৰিপ্ৰেক্ষিতে কওঁ যে, কিছুমান অতি

লজ্জাজনক ব্যভিচাৰৰ কথা হৈছে। কোকৰাঝাৰ, গোসাই গাওঁ, বঙ্গাইগাওঁৰ পৰা যিবিলাক ট্ৰেন্সপোৰ্ট বাছ চলে সেইবিলাক বাছত দেখা যায় যে, নলবাৰী বা পাঠশালালৈ যাবলগীয়া হলে 'ডাইৰেক্ট টিকট' দিয়া হয় কিন্তু বৰমালৈ যাবলগীয়া হলেও নলবাৰী বা পাঠশালালৈহে টিকট লবলগীয়া হয়। কিন্তু নমাব মানুহজনক বৰমাতেই। এনে এটা ব্যাভিচাৰৰ ঘটনা সিদিনা আমি নিজেই প্ৰত্যক্ষ কৰিছো। এইবিলাক যাতে হব নোৱাৰে তাৰ কাৰণে মই আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ৰাইজৰ সুযোগ সুবিধাৰ কাৰণে আৰু ৰাজ্যখনৰ ব্যৱসায়ৰ পথ হিচাবে অনতি পলমেই যি ৫০ খন নতুন গাড়ী কিনাড় কথা কৈছে তাৰ কাৰণে ওলগ জনাইছো। ইয়াৰ বাহিৰেও আৰু বেছি গাড়ী কিনিব লাগে। তাৰোপৰি, যিবিলাক ৰাস্তাত গাড়ী দিবলৈ বাকী আছে বা যিবিলাকত প্ৰাইভেট বাছ আদি চলে সেই-বিলাকতো সোনকালে চৰকাৰী নতুন বাছ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিয়নো চৰকাৰী বাছৰ কাৰণে ৰাইজৰ যথেষ্ট অসুবিধা আছে। এনেকুৱা অৱস্থা হৈছে যিবিলাক ৰাস্তাত আগতে ৪।৫ খন বাছ চলিছিল ব্যাক্তিগত মালিকৰ, সেইবিলাক ৰাস্তাত আজি মাত্ৰ হয়তো কৰবাত এখন, কৰবাত দুখন গাড়ীহে চলিছে। তাৰোপৰি গাড়ীৰ অৱস্থা ইমানেই বেয়া যে, গাড়ীত উঠিলেই মানুহৰ প্ৰাণবায়ু উৰি যায়।

মাননীয় অধ্যক্ষ মহোদয়, এনে পৰিস্থিতিতে অনতি পলমেই চলিব পৰা সকলোবিলাক ৰাস্তাতে নিগমৰ বাছ চলাবৰ কাৰণে ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বহিলো।

*Speech not corrected

Mr. Speaker—I now seek advice from the House. We have gat time less than 5 minutes as per Schedule but there are 4 more grants. In this grant itself there are 6 more speakers. In this case we will have to increase the time. Even if we speak very briefly the Minister will have to reply. So I seek advice from the House.

Shri Jagannath Sinha (Minister—For this grant I will require half-an-hour to reply.

Mr. Speaker—Then let us fix up the time.

Shri Hemen Das—What is your proposal Sir ?

Mr. Speaker—I do not have any proposal.

Shri Debananda Konwar—If the Minister speaks for half-an-hour we wil' also take another half-an-hour.

Mr. Speaker—Then we will continue up to 6 P.M. ? (voices : half-an-hour, one hour) What to do ? Some are saying half-an-hour and some are saying one hour.

Shri Keshab Chandra Gogoi—Let us hear the Minister f rst. He has said he would take half-an-hour. He may also curtail his reply.

Mr· Speaker—Before this there are some 6 speakers who will have to speak on this grant. (voices : one hour will be all right). Then we extend the time by one hour ? (voices : yes, yes).

Now Shri Jiba Kanta Gogoi will speak. But I request the hon'ble members to be brief so that we can finish this within one hour.

*Shri Jiba Kanta Gogoi—Mr. Speaker, Sir, I rise to support the demand and oppose the cut motion. While supporting the demand I have a few observations. Sir, State Transport is considered as an utility service. We have to give amenities to our passengers. All our transport buses are worn out and the seats are not good. If you sit in the buses you will hear only rattling sound. So I request the Minister that the transport service should be upgraded and all facilities must be given to the

passengers in a proper way. Similarly we should. medernise our transport fleet. Probably our State Transport is the only State Transport Service in the country which are using worn-out buses. Sir, we should construct our transport buses in a modern way so that sitting arrangement is good and other amenities such as fanning system, attached toilets are provided there. Another things : How much profit or loss our State Transport have incurred, that figure is not with me now, but as far as we know and as far as the private persons can see, there are many drainages in the Transport Deptt. So many drainages are there; we see that proper collection of bus fares is not there as some passangers do travel in buses without purchasing tickets. So State Transport incure loss consideraly Sir, as given out in the Report of the Comptroller General for 1980-81, for constructing bodies of transport buses alone it took 5-14 months to complete and during these months the Corporation had to pay about Rs. 4,23 lakhs and this was a loss and this is due to mis-management. Yester, the Hon. Minister of Transport said that some buses would be sold in auction. Mostly we find, outside people procured such buses. I would suggest through you that the Department should see that such buses are sold to the people of the State.

Again sir, we need modern workshops for the repair of transport buses. Now a days the volume and the number of moter accidents often take place and it is increasing day by day ; It is due to lack of proper check up of buses. Like aeroplanes, sir, there should be

thorough chek up of every state transport bus before it is put on the road daily. And the amenities also should be provided.

(Quorum bell started ringing)

Mr. Speaker—Hon. Member Shri Gogoi will please take seat as there is no quorum in the House now.

(after a few minutes)

Now Shri Gogoi will resume his speech.

Shri Jiba Kanta Gogoi—My humble submission through you to the Government sir, that as and when needed spare parts and other amenities are directly purchased without unnecessary formalities which involve much delay.

Next thing is that permits for taxi should be increased In other States, taxis are matered. We want that the taxis in the State should also be compulsorily metered. The number of taxis also should be increased in Assam. The incidents of motor accidents are the highest perhaps in Assam.

Shri Jagannath Sinha (Minister Transport—Sir, In Assam, the number of road accidents is the minimum in compared to these of other States in the country.

Shri Jiba Konta Gogoi—So I request the Hon. Minister of Transport through you sir, that excellent drivers should be engaged for running the transport buses so that there is less of accidents or none, and rackless drivers are dispensed with.

Another matter on which I want to speak is pool car of the Transport Deptt. As it seems, last year a sum of Rs. 14 lakhs were taken for repairing of pool cars

alone. Sir with that 14 lakhs we could purchase some 15-16 new cars for the pool. The condition of pool cars is very poor. Sir, you hight have experiences with these pool cars. We have experiences. These are in such a bad shape with bad bodies, bad engines that you would not like to travel long distances. So I request the Hon. Minister through you to look into that also. At present we have get not less than 7000 K.M. of nationalised routes, but our demand is more and we want more increase in the length of nationalised routes.

As regards fare structure, it is much higher in compared to other States in India. In other States, fare structure is less and at the same time they provide more amenities and facilities whereas in our State amenities are poor and fare structure is much high. The fare structure therefore needs to be revised and lessened. While private buses could earn profits, I do not know why State Transport has to incur l ss. This also should be looked into. With these sir, I conclude my speech.

শ্ৰীআমীৰ হামছা তালুকদাৰ—মাননীয় অধ্যক্ষ ডাঙৰীয়া, সময়ৰ অভাৱত মই খুউব কম কথাকে কম। আমাৰ মাননীয় ট্ৰেনচপোৰ্ট বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি টকা মঞ্জুৰী জনাইছে সেইটো সমৰ্থন কৰি ছুআষাৰ কম। প্ৰথম কথা হল মানুহৰ সুবিধাৰ কাৰণে আৰু ৰাইজে সেইটো বিচৰা কাৰণে চৰকাৰে ট্ৰেনচপোৰ্টৰ ব্যৱস্থা কৰি দিছে। দেখা যায় এনেকুৱা কিছুমান এলেকা আছে যিবোৰ এলেকাত মানুহে সমান বিশেষকৈ গুৱাহাটী চহৰৰ বিভিন্ন ঠাইৰ পৰা আহিবলৈ আৰু অফিচ আদলতৰ কাম কৰি দিনে দিনে ঘৰতো যাব নোৱাৰে। তাৰ কাৰণে গুৱাহাটী এনিশা ছুইনিশা থাকিবলগীয়া হয়। আজি টকা কম খৰছ কৰি কম সময়ৰ ভিতৰতে নিজৰ বাসভৱনলৈ যাবলৈ বিছাৰে। এনে কিছুমান এলেকা আছে যিবিলাক এলেকাৰ কাৰণে মানুহে

দাবী কৰিও ট্ৰেনসপোৰ্ট পোৱা নাই। সেই কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো মন্ত্ৰী মহোদয়ে যাতে তেনেকুৱা আবেদন নিবেদন বিলাক চায়। মোৰ সমষ্টি সৰুক্ষেত্ৰী সমষ্টি। সেই সমষ্টিৰ মাজেদি ট্ৰেনসপোৰ্ট চলা ৰাস্তাও আছে। কিন্তু ট্ৰেনসপোৰ্ট দিয়া নাই। সেই সমষ্টিৰ মানুহে গুৱাহাটীলৈ আহি দিনটোত কাম কৰি যাব নোৱাৰে। যদিও ৪ ঘণ্টাৰ ৰাস্তা, ৰাইজে বিচৰা মতে মন্ত্ৰী মহোদয়ে তেনেকুৱা এলেকাত ট্ৰেনসপোৰ্টৰ ব্যৱস্থা কৰি দি ৰাইজৰ সুবিধা কৰি দিয়ে যেন।

উদাহৰণস্বৰূপে মই জনাব বিচাৰিছো মোৰ যিটো সমষ্টি সেই সৰুক্ষেত্ৰী সমষ্টিৰ মাজেৰে ট্ৰেনসপোৰ্ট চলা নাই। ৰাষ্টা আছে কিন্তু ট্ৰেনসপোৰ্ট চলা নাই। সেই সমষ্টিৰ মানুহে গুৱাহাটীলৈ আহিব লাগিলে ৪ ঘণ্টাৰ ৰাষ্টা যদিও এদিনতে ঘূৰি যাব নোৱাৰে। মই অনুৰোধ কৰিছো মন্ত্ৰী ডাঙৰীয়াই যাতে তেনেকুৱা এলেকাত দুই এখন বাচ দিয়ে। দ্বিতীয় কথা হল আমাৰ টেন্‌স পোৰ্ট বাচ বিলাক দুই চাৰি মাইল বাট অহাৰ পাচতেই নষ্ট হৈ যায়। এইটো অৱশ্যে মই মোৰ ব্যক্তিগত অভিজ্ঞতাৰ ফালৰ পৰাই কৈছো। পইচাতো আগতেই দিয়া হয়। গতিকে যাত্ৰীসকল জুলুমত পৰিব লগা হয়। সুধিলে কব টেন্‌সপোৰ্ট বাছখন চেক কৰিছিল বা চেক কৰিবলৈ সময়েই নহল। এনেধৰণৰ কিছুমান আপত্তি থাকে। প্ৰাইভেট বাছ বিলাক কিন্তু ৰাষ্টাত বেয়া নহয় আৰু সেই বিলাক বাছ প্ৰায়েই সুচল অৱস্থাত চলি থকা দেখা যায়। অমাৰ ৰাজ্যত পৰিবহনৰ কিয় সুবিধা কৰিব পৰা নাই? ৰাইজৰ যাতায়তৰ সুবিধাৰ কাৰণে ব্াছ বিলাক সকলো ফালৰ পৰাই সুবিধা আৰু উন্নত কৰি দিব লাগে। গতিকে অধ্যক্ষ ডাঙৰীয়া, মই আশা ৰাখিছো মন্ত্ৰী ডাঙৰীয়াই এই কথা খিনিত গুৰুত্ব দিব। কথা বহুত আছিল। মই পুনৰ-বাৰ দাবী মঞ্জুৰীৰ সমৰ্থন জনাই কৰ্ত্তন প্ৰস্তাবৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সমৰণি মাৰিলো।

শ্ৰীপূৰ্ণ বড়ো—কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই মাত্ৰ দুষাৰ কথা কব বিচাৰিছো। টেন্‌সপোৰ্ট বাছৰ দ্বাৰা অহা যোৱা কৰা যাত্ৰী সকলৰ সুবিধাৰ কথা চিন্তা কৰিব লাগে। ট্ৰেনসপোৰ্ট বাছৰ ফাষ্টক্লাচ আৰু চেকেণ্ডক্লাচ উঠাই দিয়া হৈছে কিন্তু ভাৰাতো বাঢ়ি গৈছে। ভাৰা বাঢ়ি যোৱাৰ ফলত যাত্ৰী সকল ওমনি বাছত অহা যোৱা কৰিব লগা হৈছে। আমাৰ ৰাষ্ট্ৰীয়

পথত ওমনি বাছ চলি আছে সেই বিলাক বন্ধ কৰি দিব লাগে আৰু তাৰ পৰিবৰ্ত্তে টেন্‌সপোর্ট বাছ চলাৰ ব্যৱস্থা কৰিব লাগে। লগতে আমাৰ প্ৰধান প্ৰধান ৰাছষ্টপেজ বিলাকত যাত্ৰী সকলৰ স্থবিধাৰ কাৰণে চালি বা ওৱেটিং চেদ বান্ধি দিব লাগে। আনহাতেদি আমাৰ টেন্‌সপোর্ট বাছ সমূহত কেতিয়াবা এনেকুৱাও হয় যে এটা দিনত লিষ্ট মতে যিমান খন বাছ চলাব লাগে তাৰ কেইবাখনো বাছ চলোৱাৰ পৰা কেনচেল কৰা হয়। কিছুমান বাছ হয়তো সিদিনা নচলেই। বাহবিলাক চিডিউৰেল টাইম মতে কিয় নচলে ? ভাড়া কিন্তু ঠিকেই লয়। বাছৰ চিট আৰু বডিৰ অৱস্থা বৰ বেয়া। তেনে অৱস্থাত এজন যাত্ৰী এটা ষ্টেচন ধৰক গুৱাহাটীৰ পৰা স্থদুৰ ডিব্ৰুগড়লৈ সেই সিদিনাই এটা সময়ত গৈ পোৱাতোৰ নিশ্চয়তা নাই। কাৰণ হল এই যে—মাননীয় দুই এজন সদস্যই অৱশ্যে কৈছেই এনেকৈ টেন্‌সপোর্ট বাছ বিলাক বেয়া হলে বা টায়াৰ বাষ্ট হলেই বাটত বদলাই দিয়াৰ বা মেৰামতি কৰাৰ কোনো ব্যৱস্থা নাই। ফলত যাত্ৰী সকলৰ অহা যোৱা কৰাত বিজুতি হয়। তেনে-স্থলত মোৰ পৰামৰ্শ হল যাত্ৰী সকলৰ যাতে সকলো ফালৰ পৰাই অহা যোৱা কৰাত স্থবিধা হয় তাৰ স্থব্যৱস্থা কৰিব লাগে। ঠাই বিশেষে ওৱেইটিং ষ্টপেজ বনাব লাগে। আমি দেখিছো কৌটি কৌটি টকা খৰচ কৰি ৰাষ্টা বন্ধোৱা হৈছে, নেচনলাইজ ৰাষ্টা কৰা হৈছে কিন্তু সেইবিলাকৰ বহুতো ৰাষ্টাতেই বাছ চলাচল কৰা নাই। যি ৰাষ্টাত এবাব টেন্‌সপোর্ট বাচ চলিচিল তাৰ পৰা উইড্ৰ কৰা হৈছে। এই ৰাছবিলাক উইড্ৰ কৰাৰ ফলত প্ৰাইভেট বাছৰ মালিক সকল লাভবান হৈছে। বাছৰ সংখ্যা যত বঢ়াব লাগে তাৰ পৰা ৰাছ উইড্ৰ কৰাৰ কাৰণ কি ? যাত্ৰী সকলৰ প্ৰয়োজন অনুসাৰে ৰাছৰ সংখ্যা বঢ়াবহে লাগে। গোৰেশ্বৰ শুক্লা, গুৱাহাটী পথত ৩৪ ৩৬ খন মান প্ৰাইভেট চলে। তাত দুখন টেন্‌সপোর্ট বাছ চলি আছিল কিন্তু সেই দুয়োখন বাছেই এতিয়া বন্ধ কৰি দিয়াইছে। অসমত এতিয়াও বহুত ৰাষ্টা আছে যত টেন্‌সপোর্ট বাছ নাই। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাবটো সমৰ্থন কৰিলো।

Shri Jagannath Sinha (Ministe)—Mr. Speaker, Sir, first of all I thank the Hon'ble Members for giving valuable suggestions but at the same time I am very

sorry to say that some of the Hon'ble Members were very unkind. Sir, for the information of the House I would like say that when this Govt. was formed in the month of February, the earning of the Corporation was about 22 lakhs and now in the month of January 1984 it has gone up to nearly 1.05 croes. Sir, when we inherited the State Transport its daily earning was much lower and we had improved its position because of the vigorous steps taken by the corporation, Sir, in support of this fact I would now place the actual position before the House. Sir, there are at present 763 buses in ASTC though 224 buses of the total fleet or about 30% of the total fleet are over-aged, i.e., more than 8 years old. Sir, there are at present 8 traffic Divisions and the total number of employees in the Corporation is 5256. Sir, the average monthly fleet utilisation in the year 1983-84 varied from 61% to 70%. The vechicle utilisation, i.e., KM performed per bus per day has improved. It is now 200 k. ms per bus per day in January, 1984, as against the average 177 k. m. in 1982-83. The fleet utilisation which was as low as 61% in Novbr, 1983, has now gone up to about 66%. Then, sir, the incidence of breakdown is 2. 40 per 1,000 kms. The incidence of breakdown in other States is much higher. As regards the accident, the performance of the A.S.T.C. is not very bad. The number of accident per 1 lakh k. ms in 1982-83 was 0.35 and it came down to 0.32 in the year 1983-84.

Sir, as regards the earning, I would like to inform the House that in April 1982, it was Rs. 914.15 lakhs.

From April 83 to Februay, 1984, it was Rs. 1039.19 lakhs Here we find, sir, an incress of Rs. 116.44 compared to 1982-83. Sir, the average daily earning is Rs. 3.55 lakhs during the month of February, 84. Then, sir, the additional services introduced in 1983-84 convers 1768 k. ms. The suspended service as reintroduced covers 5714 km. Sir, the new services introduced. is 20 buses in 1983-84 and it covers 1768 kms. The number of suspended services restored in 1983-84 is 16 nos. of buses covering a length of 5714 kms. Scheduled KM performed daily during 1982-83 is 84000 k.m./day and during 1983-84 90,000 k.m./day, the fleet utilisation during April 83, 61% and in February 84 66%; accident per 1 lakh kms. during 1982-83 0.35 and during 1983-84 0.32; traffic earning per km. during 1982-83 is 3,22 and during 1983-84 3.72; earning per bus per day during 1982-83 is Rs. 542/- and during 1983-84 Rs. 640/—, in January 1984 the earning per bus per day was as high as Rs. 720/-; average daily earning during 1982-83 is Rs. 2.70 lakhs a during 1983-84 is 3.09 lakhs; average daily earning in January 1984 Feby 1984 were as high Rs. 3,39 lakhs and Rs. 3.55 lakhs respectively. The monthly earning in Januray 1984 reach a record figure of Rs. 1.05 crores. The load factor during 1982-83 is 70% and during 1983-84 is 75%. The load factors during the months of November 1983 to February, 1984 have been 73%, 74%, 80% and 81 respectively. The net profit and loss in 1982-83 in respect of Delhi is (-)7315.24 in Calcutta (-)1682.02, Pune (-)121.62, in BEST (-)1462.07. In Durgapur

it is (-)213.15, in Kerela it is (-)1404.60 and in Andhra it is (-)1062.04 and in Assam it is (-)296.20 lacks. The condition of bus routes is best in Delhi and worst in Assam. The staff Bus ratio in Assam is 7.00 during 1982-83 whereas in Bombay it is 9.71, in Mizoram it is 12.82, in Calcutta it is 15.76 and in Gujrat it is 9.17.

Shri Hemen Das—What is the expenditure side ?

Shri Jagannath Sinha (Minister)—Sir, this is the overal position of our State Transport. But it is definite bus service condition in Assam is not upto the mark.

And we have to do lot to improve the services. The condition of our bus service in Assam compared to Delhi and other places is not upto the mark, but we are trying our level best to improve these service and in this we seek the cooperation of the hon. members for their valuable suggestions so tatwe can improve the services. The co-operation of the officers, wokers of the corporation and the public is a member to improve if. For the information of the hon. members I would like to inform that I am very sorry that I could not provide them with Pool cars often times. Of course we are placing orders for new pool cars. Sir, the Pool cars are generally meant for cartain VIPs, certain officers like secutary to the governmenr, Chairman of the Administrative Tribunal etc. So Sir we are in a very difficult posstion so far as the Pool car is concerned. Sir, for Udalguri, for the infoamation of the hon. member, Sri Basumatary, I would like to inform that two new buses are being alloted within

about two months From Dhubri to Guwahati, at the moment it will not be possible to utrodne new service buse from Guwahati to Dibrugarh we are going to do it shortly. Survey hasn bee made about declaring Brahmaputra as Notional Waterways. About the suggestion on boats of special type I shall sit with the hon. member and discuss with him. The Omni Bus question has been put. During the Presidential Rule 50 such bus permits were issued by the Goverment of India, these are mainly contract carriages with a permit to ply anywhere in India But one condition in the permit is that they cannot ply from one point to another regularly and there is no provision for carrying the ordinary passangers in such buses. As all the neighbouring States and Union teritories got permits for 50 Omni buses each they all ply their buses two Guwahati and this has made our life miserable; they are giving us maximum trouble. But we have got no almost hand in this regard. The hon. member Shri Umaruddin said that we were giving them permits, sir, we did not give such permits but these were given by the Govt. of India during the Presidential Rule. To stop this we have filed so many cases and one cases are pending in High Court. these cases are still pending in the High Court. If the Honourable Member can give me any specific instance I will, Sir, definitely take stern action. Now we are trying to find out a best possible way to manage the omni bus position. With these few words, Sir, I conclude my speech and I would request the Honourable Member to withdraw the cut motion.

শ্ৰীমথুৰা ডেকা—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যদি অসহায় বুলি স্বীকাৰ কৰিছে—

Shri Jagannath Sinha (Minister)—No. Sir, I have never felt hopeless and helplessness. I appeal to the Honourable Member to withdraw the cut motion.

Shri Binoy Kumar Basumatari—Mr. Speaker, Sir, I beg to withdraw the cut motion tabled by me and some of our Honourable Members.

Mr. Speaker—Is it the please of the House to grant leave to withdraw the cut motion.

( Voices : Yes Yes )

The leave is granted. The Cut Motion is withdrawn.

Now I put the grant that a sum of Rs. 8,50,87,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of Transport services.

The Grant Nol 11 is passed.

Now Grant No. 35. Shri Jagannath Sinha to move.

Shri Jagannath Sinha (Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,20,6000 be granted to the Minister in-charge which will come in course of payment during the year ending the 31st March, 1985 for the administration of sanitation and sewerage.

Mr. Speaker—There is no cut motion to this Grant. Now I put the grant that a sum of Rs. 1,20,6000/- be granted to the Minister-in-charge which will come in course of payment during the year ending the 31st March, 1985 for the administration of sanitation and sewerage.

The Grant No. 35 is passed.

Now Grant No. 36. Shri Jagannath Sinha to move.

Shri Jagannath Sinha (Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 5,25,05,000/- be granted to the Minister-in-charge which will come in course of payment during the year ending the 31st March, 1985 for the administration of Housing Schemes.

Mr. Speaker—There is no cut motion but Shri Hemen Das wants to speach.

শ্ৰীহেমেন দাস—অধ্যক্ষ মহোদয়, চৰকাৰে যোৱা বছৰ কেইখনমান নতুন জিলা আৰু নতুন মহকুমা গঠন কৰাৰ পাচত সেইবোৰ ঠাইলৈ যিবোৰ কৰ্মচাৰী গৈছে সেই কৰ্মচাৰী সকলৰ বহুতেই কিছুমান সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ নতুনকৈ গঠন হোৱা মহকুমাবোৰত ভাৰা ঘৰ নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ ওচৰত দাবী ৰাখিছো যাতে নতুনকৈ গঠন হোৱা মহকুমাবোৰত চৰকাৰৰ বিভিন্ন শ্ৰেণীৰ কৰ্মচাৰী থকাৰ কাৰণে চৰকাৰে ঘৰ বন্ধাৰ বাবে পৰিকল্পনা হাতত লয়।

Shri Jagannath Sinha ( Minister )—Mr. Speaker, Sir, normally such things are taken up by the Department. The Housing has to Departments. Even I will examine

the matter and see what could be done.

Mr. Speaker—Now I put the grant that a sum of Rs. 5,25,05,000/- be granted to the Minister-in-charge which will come in course of payment during the year ending the 31st March, 1985 for the administration of Housing Scheme.

( After a puse )

The Grant No. 36 is passed.

Now Grant No. 38. Shri Jagannath Sinha to move.

Shri Jagannath Sinha (Minister)—On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 2,63,10,000/- be granted to the Minister-incharge which will come in course of payment during the year endi g the 31st March, 1985 for the administration of Urban Development.

There is a cut motion by Honourable Member Shri Hemen Das but he is not going press it. Honourable Member Shri Tarini Mohan Borooah wants to speak.

ডাঃ তাৰিণী মোহন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, নগৰ উন্নয়ণ শিতানত যি মঞ্জুৰী দাবী উত্থাপন কৰিছে সেই দাবী মই সমৰ্থন জনাওঁ আৰু সেই সম্পৰ্কে চমুকৈ মই কেইটামান কথা কব খুজিছো। নগৰ উন্নয়ণৰ শিতানত মঞ্জুৰী বিচাৰিছে ৩ কোটি ৬৩ লাখ ১০ হাজাৰ টকা। ইয়াৰ ভিতৰত প্লেনৰ টকা ৫৯ লাখ আৰু ননপ্লেনত ১ কোটি ৪ লাখ। লগতে আৰু এটা শিতানত টকা ধাৰ্য্য কৰা হৈছে সেইটো হৈছে চেনিটাৰী ড্ৰেইনেজ আদি। গতিকে ইয়াৰ প্লেনত টকা দিছে ১ কোটি ১২ লাখ আৰু ননপ্লেনত ৮ লাখ ৬০ হাজাৰ। এতিয়া ইয়াৰ দ্বাৰা বুজা যায় যে ২ কোটি ৭১ লাখ টকা

এই নগৰ উন্নয়ণ, চেনিটেচন ড্ৰেইনেজ আদিত ধাৰ্য্য কৰা হৈছে। কিন্তু এই টকাবোৰ কেনেকৈ বিতৰণ কৰা হব সেইটো জানিব পৰা হোৱা নাই। কিয়নো আজি প্ৰায় এবছৰ ধৰি মই গুৱাহাটী পৌৰনিগমৰ লগত জৰিত। এই সময়চোৱাৰ ভিতৰত এইবোৰ শিতানত যি টকা ধাৰ্য্য কৰা হৈছে সেইবোৰ ঠিকমতে বিতৰণ কৰা হোৱা নাই। লগতে নগৰ পৰিকল্পনা, খোৱাপানীৰ যোগান এইবিলাকতো কেনেকৈ টকা দেখুওৱা যায় সেইটোও চাব লাগিব আৰু আমিও জানিব লাগিব। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো নগৰ পৰিকল্পনাৰ নামত যি টকা ধাৰ্য্য কৰা হৈছে ই গুৱাহাটী পৌৰনিগমৰ কাৰণে ধৰা হৈছে নে এই বাজেটত অন্য মিউনি-চিপেলিটিও আছে? লগতে এই টকাবোৰ কেনেকৈ বিতৰণ কৰা হৈছে আৰু ভৱিষ্যতলৈকো কেনেকৈ বিতৰণ কৰা হব সেই বিষয়েও মন্ত্ৰী মহোদয়ে এটা স্পষ্টিকৰণ দিব লাগে। বিশেষকৈ নগৰ পৰিকল্পনাৰ টকাটো কেনেকৈ বিতৰণ কৰা হব সেইটো জনাব লাগে। লগতে নগৰ পৰিকল্পনাৰ শিতানত যাতে আৰু অধিক টকা ধৰা হয় তাৰ বাবে চকু দিব লাগে। এইখিনিয়েই মন্ত্ৰী মহোদয়ক উপদেশ দি এই প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Jagannath Sinha (Minister)—Sir, previously the allotments were made by the Town & Country Planning to the Municipal units. But the condition of the Municipalities in our State is not sound. They used to divert our money towards payment of salary to the staff. We have made a new system. Under this system, the money will be paid in cheque, and with joint Signature of our Officer the Municipal Officer will draw the money from Bank for specific purpose. There fore there will be no necessity of utilization certification. As regards the Gauhati Corporation, the authority was created in the year 1961 for the purpose of implementing the Master

Plan adopted by the State Govt. for certain area. It was functioning till 1974. But due to the establishment of the Gauhati Municipal Corporation in 1974, the activity of the Authroty became defunct in the Corporation area.

Dr. Tarini Mohan Barua—May I know from the hon'ble Minister whether any money is earmarked for the Gauhati Corporation?

Shri Jagonnath Sinha (Minister)—That figure is not with me. That will be supplied afterwards.

Mr. Speaker—I put the grant before the August House that a sum of Rs. 2,63,10,000.00 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Urban Development.

Grant No. 38 is passed.

## Calling Attention Notice

শ্ৰীহেমেন দাস – অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৮৪ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখৰ 'দৈনিক জনমভূমি' কাকতত প্ৰকাশিত চাঞ্চল্যকৰ ডকাইটি শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্যমন্ত্ৰীৰ মনযোগ আকৰ্ষণ কৰিব।

Statement not corrected

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬।২।৮৪ তাৰিখৰ 'দৈনিক জনমভূমি'ত প্ৰকাশ পোৱা "চাঞ্চল্যকৰ ডকাইতি"ৰ কথা

চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। ঘটনাৰ বিৱৰণ এনে ধৰণৰ—যোৱা ৩১ জানুৱাৰী তাৰিখে সৰু পথাৰ থানাৰ অন্তৰ্গত চুংগাজান গাওঁ নিবাসী সৰ্ব্বশ্ৰী ৰাম চন্দ্ৰ জাঠ, পুনাম চন্দ্ৰ জৈন, দীননাথ গুপ্তা, বাচালাল চাহু, মদন চাহু, হৰিনাৰায়ণ বংশী চাহু, জগাৰাম জৈন, নাৰায়ণ জৈন, হনুমান শৰ্ম্মা আৰু মনাম চাহুৱে এখন লিখিত প্ৰতিবেদন (ৰিপৰ্ট) দি সৰু পথাৰ থানাত জনায় যে ৩০।১।৮৪ তাৰিখে নিশা প্ৰায় ৫০।৬০ জনমান ডকাইতৰ দল এটাই বন্দুক, দা, জাঠি আদি লৈ তেওঁলোকৰ গাওঁখন ঘেৰাও কৰি ওপৰোক্ত ১১ জন মানুহৰ ঘৰত সোমাই মাৰপিট কৰি তিনিজন মানুহক জখম কৰে আৰু টকা, সোণৰ অলঙ্কাৰ, ঘড়ী, টেপৰেকৰ্ডাৰ আদি প্ৰায় ডেৰলাখমান টকাৰ বস্তু-বাহানি ডকাইতি কৰি লৈ যায়। এই সংক্ৰান্তত সৰু পথাৰ থানাত মোকৰ্দ্দমা ১৭।৮৪ ভাৰতীয় দণ্ডবিধি আইনৰ ৩৫৯।৩৯৭ ধাৰামতে ৰুজু দি তদন্ত কৰা হৈছে। তদন্তক্ৰমে এতিয়ালৈকে ১২ জন আচামীক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হয়। উক্ত ডকাইতৰ দলটোত নগা আৰু কিছুমান স্থানীয় ডকাইত থকা বুলি অনুসন্ধান ক্ৰমে জানিব পৰা গৈছে। গোলাঘাট মহকুমাৰ উপআৰক্ষী বিষয়াই মোকৰ্দ্দমাৰ তদন্ত তদাৰক কৰি আছে। মোকৰ্দ্দমাৰ জোৰ তদন্ত চলাই থকা হৈছে। অসম আৰু নগালেণ্ডৰ সীমান্তত চুংগাজান তিনি আলিত থকা অসম পুলিচ বেটেলিয়ানৰ পহৰা চকী সতৰ্ক কৰি চোকা পহৰাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। তাৰোপৰি চুংগাজান ৰেল-ষ্টেচনত এটা সহস্ৰ পহৰা চকী সাময়িকভাবে স্থাপন কৰা হৈছে।

## Matter Under Rule 301

Mr Speaker—It was already discussed in the House. If you want, you may raise the matter.

Shri Mohammad Ali—Sir, I beg to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to.

"অসম ৰাজ্যিক পৰিবহন নিগমৰ অৱস্থাৰ অৱনতি ঘটিছে।"

Shri Jagannath Sinha (Minister)—Mr Speaker Sir, hon'ble member of the House has raised certain points

relating to condition of buses in the Assam State Transport Corporation. I would like to make the following submissions before the House for full appreciation of the entire situation.

There is no doubt that some buses belonging to the fleet of Assam State Transport Corporation are in a very poor condition. The present fleet of ASTC is 763 buses. Out of that, 224 buses, or about 30% of the total fleet are overaged. The normal average life span of a bus in a State Transport Corporation is considered to be 8 years. All these 224 buses are more than 8 years old. In the normal course, if adequate finance were available, all these 224 buses would have been replaced by new buses. However, due to inadequacy of resources, the Corporation has been trying its best to run as many of these overaged buses as possible. Out of these 224 buses, 129 buses have already been condemed after following the usual procedure of inspection, etc and they are going to be disposed of shortly. However, the remaining 95 mumbers of the overaged buses still continue to be in the ASTC fleet and are made use of to the maximum extent possible. Even among the buses which are less than 8 years old, nearly one-third is more than 5 years old and require frequent repairs.

The total number of runner buses of the Corporation falls short of the requirement after taking into account the number of scheduled services now being run by the Corporation. In view of the age structure of the buses and the fact that the effective fleet falls short of the

requirements, it is quite natural that availability of buses in some of the stations falls short of the total requirements.

It would not perhaps be correct to say that most of the buses of the Corporation are in dilapidated condition or that most of the buses in the stations are immobile. As I have already indicated to the Assembly, the Cropporation has a number of workshops and maintenance centres and, on an average, as many as 127 buses come out of the workshops per month after minor repairs. There are, no doubt, problems, but the Corporation is doing whatever is possible for maintaining proper services. A number of steps have also been taken year for improving the position.

In this connection, a few minutes back, I made a statement which covers all the points and have I need Initerate the some and wast the valuable time of them august bus. I am confidents that I have been able to meet all the points raised by the honourable member.

Shri Hemen Das—What is the use of reading it. It may be placed at the Table of the House.

Shri Jagannath Sinha (Minister)—In course of replies, I have covered all the points............

Shri Hemen Das—No use reading the whole thing........

## Presentation of Committee Report

Mr. Speaker—Shri Abu Nasar Ohid, Chairman will present the 27th Repart of the Committee on Govt. assurances. He is not in a position to present the printed copies to day which will given later on.

Shri Abu Nasar Ohid—Mr. Speaker Sir, I beg to present the 27th Report of the Committee on Govt. assurances. Sir, now a typed copy placed before the House and printed copies will be supplied later on.

Shri Keshab Chandra Gogoi (Minister)—Unless copies are supplied we cannot take any action on that.

## Constitution of Legislature Committee

Mr. Speaker—Under Rule 251 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. I nominate the following members to constitute the Committee on Subordinate Legislation.

1. Shri Nabin Ch. Kath Hazarika.
2. Shri Mohammad Hussain.
3. Shri Md. Bazlul Basit.
4. Shri Jiba Kanta Gogoi.
5. Shri Kaizasong.
6. Shri Mathias Tudu.
7. Shri Bimal Gayari.

Under Rul 198 (1) of the Rules of Procedure and Conduct of Business, I appoint Shri Nabin Chandra Kath Hazarika, Deputy Speaker as Chairman of the Committee. The Committee will function for a period of one year with effect from 29.3.84.

Under rule 257 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I nominate the following members to constitute the Committee on Govt. Assurances :

1. Shri Abu Nasar Ohid.
2. Shri Subal Chandra Das.
3. Shri Upendra Nath Sanatan.
4. Shri Kirti Dutta.
5. Shri Barkat Ullah.
6. Shri Mohan Basumatari.
7: Shri Kartik Sarkar.

Under Rule 198 (1) of the Rules of Procedure and Conduct of Business, I appoint Shri Abu Nasar Ohid as Chairman of the Committee. The Committee will function from 24.3.84 for a period of one year.

Under Rule 259 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby nominate the following members to constitute the Rules Committee.

1. Shri Devanand Konwar.
2. Shri Nabin Chandra Kath Hazarika.
3. Shri Debesh Chakraborty.
4. Shri Lakhan Lahan.
5. Shri Jiba Kanta Gogoi.
6. Shri Afzalur Rahman.
7. Shri Hassanuddin Ahmed.
8. Shri Nurul Haque choudhury.

The Speaker shall be the ex-officio, Chairman of the Committee.

Under Rule 246 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I nominate the following members to constitute the Committee of Privilages.

1. Shri Nabin Chandra Kath Hazarika, Deputy Speaker.
2. Shri Abdul Muhib Mazumdar, Minister Parliamentary Affairs.
3. Shri Golok Rajbangshi, Minister.
4. Shri Mohammad Ali.
5. Shri Altaf Hussain Majumdar.
6. Shri Abdul Matlib.

Under Rule 198 (1) of the Rules of Procedure and Conduct of Business, I appoint Shri Nabin Chandra Kath Hazarika, Deputy Speaker as the Chairman of the Committee. This Committee will function from 29.3.84 for a period of one year.

Under Rule 239 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I nominate the following members to constitute the Committee on Petitions:

1. Shri Danes Ali.
2. Shri Dinesh Prasad Goala.
3. Shri Jagat Patgiri.
4. Shri Rajen Timung.
5. Shri Tarini.

Under Rule 198 (1) of the Rules of Procedure and Conduct of Business, I appointment Mr. Danes Ali as the Chairman of the Committee. The Committee will function for a period of one year with effect from 24.3.84.

Under Rule 313 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I

nominate the following members to constitute the Library Committee.

1. Smti. Mridula Saharia.
2. Shri Afazuddin Ahmed.
3. Shri Ramesh Phukan.
4. Shri Joynal Abedin.
5. Shri Mathura Deka.
6. Shri Ketaki Prasad Datta.
7. Shri Main Uddin.
8. Shri Abdus Sobhan.
9. Shri Hem Prakash Narayan.

Under Rule 198 (1) of the Rules of Procedure and Conduct of Business, I appoint Smti. Mridula Saharia as Chairman of the Committee. This Committee will function from 24.3.84 for a period of one year.

The House stands adjourned till 9 a. m. tomorrow Friday the 23rd March, 1984.

Adjournment

The House then rose at 5.55 P.M and stood adjourned till 9 A.M. on Friday, the 23rd March, 1984.

P. D. Barua,
Secretary
Legislative Assembly,
Assam.

Dated Dispur
The 22nd March, 1984